৬ষ্ঠ বৰ্ষ, ২৩ সংখ্যা

১-১৫ জুন, ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ



আমাক অনুসৰণ কৰক @NISPIBIndia

## উন্নয়নৰ দৃষ্টিভংগী

## দেশৰ বাবে এক অভিযান

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালত সেৱা, সুশাসন, উন্নয়নৰ ক্ষেত্ৰত নতুন মাপকাঠী নিৰ্ধাৰণ কৰা হৈছে। এই সময়ছোৱাত দেশখন আত্মনিৰ্ভৰশীলতা, ডিজিটেল বিপ্লৱ, আন্তঃগাঁথনিৰ সম্প্ৰসাৰণ আদিৰ লগতে বিশ্বৰ মঞ্চত এক শক্তিশালী পৰিচয় গঢ়ি তোলাৰ সাক্ষী হৈছে...

ই-কপিৰ বাবে

বিশ্ব পৰিৱেশ দিৱস - ৫ জুন

# প্ৰকৃতি আৰু প্ৰগতি - দুয়োটাই ভাৰতীয় সংস্কৃতিৰ অবিচ্ছেদ্য অংগ

ভাৰতৰ হেজাৰ বছৰীয়া পুৰণি সংস্কৃতিত, প্ৰকৃতিৰ সৈতে প্ৰগতিয়ে সহাৱস্থান কৰে। আমাৰ পূৰ্বপুৰুষৰ আকাংক্ষা আছিল: **পৃথ্বীঃ পূঃ চ উৰ্বী ভব।**-অৰ্থাৎ সমগ্ৰ পৃথিৱী, সমগ্ৰ পৰিৱেশ আমাৰ সকলোৰে বাবে অতি সুবিধাজনক হওক আৰু আমাৰ সপোনসমূহ পূৰণ কৰাৰ বাবে সুযোগ দিয়ক। বৰ্তমান জলবায়ু পৰিৱৰ্তনৰ ভাবুকিৰ বিৰুদ্ধে যুঁজিবলৈ চলি থকা বিশ্বব্যাপী প্ৰচেষ্টাৰ মাজতে ভাৰত এক আশাৰ ৰেঙণি হিচাপে আত্মপ্ৰকাশ কৰিছে। জলবায়ু আৰু পৰিৱেশ সুৰক্ষিত কৰাৰ বাবে উৎসৰ্গীকৃত ৰাষ্ট্ৰ আৰু ইয়াৰ নাগৰিকসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ জৰিয়তেহে আমি ভৱিষ্যত প্ৰজন্মলৈ এক সুৰক্ষিত পৰিৱেশ প্ৰেৰণ কৰিবলৈ সক্ষম হ'ম।

“

উন্নয়ন আৰু পৰিৱেশৰ মাজৰ ভাৰসাম্য আমাৰ প্ৰাচীন পৰম্পৰাৰ এক অবিচ্ছেদ্য অংগ-এই পৰম্পৰাকেই আমি এতিয়া 'আত্মনিৰ্ভৰ ভাৰত'ৰ শক্তিৰ উৎস হিচাপে ৰূপান্তৰিত কৰি আছোঁ। আমাৰ শাস্ত্ৰসমূহে সদায়েই জীৱ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক, ব্যক্তি আৰু সমাজৰ মাজৰ সমতা, আৰু আত্মা আৰু ঈশ্বৰৰ মাজৰ সামঞ্জস্যৰ শিক্ষা দি আহিছে। আমি নিজৰ বাবে কৰা প্ৰতিটো কামেই আমাৰ পৰিৱেশৰ ওপৰতো প্ৰত্যক্ষ প্ৰভাৱ পেলায়। সেয়েহে ভাৰতে নিজৰ সম্পদৰ ফলপ্ৰসূ ব্যৱহাৰৰ দিশত ক্ৰমান্বয়ে অধিক জোৰ দিছে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ২৩, জুন ১-১৫, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

## ভিতৰৰ পৃষ্ঠাসমূহত...





সংকল্পৰ ১২ বছৰীয়া যাত্ৰা

**বিকশিত ভাৰতৰ যাত্ৰাত এক নতুন যুগ**

২০১৪ চনৰ পৰা ২০২৬ চনলৈ এই সময়খিনিয়ে ৰাষ্ট্ৰীয় সংকল্প পূৰণৰ ক্ষেত্ৰত এক নতুন অধ্যায় লিপিবদ্ধ কৰিছে। এই সময়ছোৱাই বৃহৎ পৰিৱৰ্তন আনিছে, আৰু আজি দেশৰ প্ৰতিজন নাগৰিকে এই পৰিৱৰ্তনৰ অংশ হোৱাটো অনুভৱ কৰিছে... |৮-৬৮

সোমনাথ মন্দিৰ পুনৰুদ্ধাৰৰ ৭৫ বছৰ

সোমনাথ অমৃত মহোৎসৱ
ভাৰতৰ অদম্য মনোবলৰ উদযাপন



গুজৰাট ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে বদোদৰাত চৰ্দাৰধাম হোষ্টেলৰ উদ্বোধন কৰে |৭২-৭৪

ব্যক্তিত্বঃ দামোদৰ মেনন
কলমৰ শক্তি ব্যৱহাৰ কৰি স্বাধীনতাৰ বাবে যুঁজ দিয়া সাংবাদিকজন |৪

খাৰিফ শস্যৰ বাবে এম এছ পি, দুটা অৰ্ধপৰিবাহী প্ৰকল্পৰ অনুমোদন
কেন্দ্ৰীয় কেবিনেট বৈঠকত গ্ৰহণ কৰা হয় কেইবাটাও মূল সিদ্ধান্ত |৫-৭

বেংগালুৰুৰে আধ্যাত্মিকতা আৰু আধ্যাত্মিক চেতনাক উন্নীত কৰিছে
আৰ্ট অৱ লিভিংৰ প্ৰতিষ্ঠা দিৱস উদযাপনত প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণ |৬৯

ভাৰত আধুনিক আন্তঃগাঁথনি নিৰ্মাণ কৰিছে




প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০ মে'ত তেলেংগানাৰ হায়দৰাবাদত প্ৰায় ৯,৪০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে |৭০-৭১



**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

## সামগ্ৰিক-সকলোকে সামৰি লোৱা - সৰ্বব্যাপী

### ১২ বছৰীয়া জনসেৱা, জনবিশ্বাস, আৰু জনকল্যাণ

২০১৪ চনৰ ২৬ মে'ৰ সন্ধিয়াটো ভাৰতীয় গণতন্ত্ৰত সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ল কাৰণ সেইদিনাই নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতি ভৱনৰ চৌহদত প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। ২০২৪ চনৰ ৯ জুনত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰিছিল। তেওঁৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ১২ বছৰ সম্পূৰ্ণ কৰিছে। এয়া কেৱল ৰাজনৈতিক যাত্ৰা নহয় বৰঞ্চ 'নতুন ভাৰত' গঢ়ি তোলাৰ এক ব্যাপক অভিযান। এই বছৰবোৰত দেশৰ নাগৰিকসকলক সদায় শাসনৰ কেন্দ্ৰবিন্দুত ৰখা হৈছে, আৰু দুখীয়া, যুৱক-যুৱতী, কৃষক, মহিলাসকলক উন্নয়নৰ সৰ্বশ্ৰেষ্ঠ শক্তি হিচাপে স্বীকৃতি দিয়া হৈছে। চৰকাৰে নিশ্চিত কৰিলে যে দেশৰ আঁচনিসমূহ কেৱল ঘোষণাৰ মাজতে সীমাবদ্ধ নাথাকে, বৰঞ্চ সেইবোৰৰ সুবিধাসমূহ যাতে একেবাৰে শেষ ব্যক্তিজনৰ ওচৰলৈ যায়। এই প্ৰতিশ্ৰুতিৰ এক প্ৰধান উদাহৰণ হিচাপে থিয় দিছে এই 'বিকশিত ভাৰত সংকল্প যাত্ৰা'ই।

সাংস্কৃতিক আৰু আধ্যাত্মিক দৃষ্টিকোণৰ পৰাও এই সময়ছোৱা ঐতিহাসিক হৈ আহিছে। ভাৰতৰ প্ৰাচীন যোগ পৰম্পৰাই আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ জৰিয়তে বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছিল-এতিয়া যোগ দিৱস উদযাপন কৰাটো বৰ্তমান সমগ্ৰ বিশ্বই আকোৱালি লৈছে।

ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰে কেইবাটাও সাহসী সিদ্ধান্ত গ্ৰহণ কৰিছে। নিয়োগ আৰু উদ্যোগীকৰণৰ ক্ষেত্ৰতো ভাৰতে নিজৰ বাবে এক নতুন পৰিচয় খোদিত কৰিছে। আজি ভাৰতে বিশ্বৰ তৃতীয় বৃহত্তম ষ্টাৰ্টআপ ইক'চিষ্টেমৰ গৌৰৱ বহন কৰিছে আৰু মোবাইল উৎপাদনত বিশ্বজুৰি দ্বিতীয় বৃহত্তম ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। 'ডিজিটেল ইণ্ডিয়া'ই শাসন ব্যৱস্থাক স্বচ্ছ আৰু সুলভ দুয়োটা কৰি তুলিছে। বৰ্তমান ভাৰতে ৰিয়েল টাইম ডিজিটেল পেমেণ্টৰ দ্ৰুততম দেশ হিচাপে থিয় দিছে। তদুপৰি ভাৰতে বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰধান অৰ্থনীতি হিচাপে হিচাপে নিজৰ স্থান অটুট ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসংখ্য ৰাষ্ট্ৰৰ পৰা সৰ্বোচ্চ অসামৰিক সন্মানেৰে সন্মানিত কৰা হৈছে-যিবোৰে বিশ্বমঞ্চত ভাৰতৰ বৰ্ধিত মৰ্যাদাৰ এক স্বাক্ষৰ বহন কৰিছে।

এই বিগত ১২ বছৰত চৰকাৰে কেৱল অতীতৰ অভাৱসমূহ পূৰণ কৰাই নহয়, সমান্তৰালভাৱে বৰ্তমানক শক্তিশালী কৰাৰ লগতে 'বিকশিত ভাৰত@2047'ৰ স্পষ্ট লক্ষ্যও দেশৰ সন্মুখত ৰাখিছে। এইদৰে "নাগৰিক দেৱো ভৱঃ" (প্ৰতিজন নাগৰিকেই ঈশ্বৰ)ৰ ভাৱনাক আদৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে জনসেৱা, জনবিশ্বাস আৰু জনকল্যাণৰ পথত দৃঢ়তাৰে আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰৰ ১২ বছৰীয়া যাত্ৰা এই সংখ্যাৰ কেন্দ্ৰীয় বিষয়বস্তু আৰু-আমাৰ প্ৰচ্ছদ নিবন্ধ হৈ পৰিছে।

আমাৰ 'ব্যক্তিত্ব' শিতানত স্বাধীনতাৰ বাবে কলমৰ শক্তিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা দামোদৰ মেননক উপস্থাপন কৰা হৈছে। লগতে এই অংশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিগত পষেকৰ বিভিন্ন কাৰ্যকলাপ আৰু কেন্দ্ৰীয় কেবিনেটত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ এক বিস্তৃত পৰ্যালোচনা অন্তৰ্ভুক্ত কৰা হৈছে।

ইয়াৰ উপৰিও, আলোচনীখনৰ ভিতৰৰ পৃষ্ঠাত ৫ জুনত উৎযাপিত বিশ্ব পৰিৱেশ দিৱসৰ বাবে বিশেষ বিষয়বস্তু অন্তৰ্ভুক্ত কৰা হৈছে, আনহাতে পিছফালৰ প্ৰচ্ছদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় স্বাৰ্থত কৰা সাতটা আবেদনৰ ওপৰত আলোকপাত কৰা হৈছে।

আমি আপোনালোকক আপোনালোকৰ বহুমূলীয়া পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি যাবলৈ উৎসাহিত কৰিছো।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
*https://newindiasamachar.pib.gov.in/*

# মেইল বক্স






### দেশৰ সাম্প্ৰতিক উন্নয়নসমূহৰ সৈতে আপডেট হৈ থাকিবলৈ গুৰুত্বপূৰ্ণ।

নিউ ইণ্ডিয়া সমাচাৰৰ ১৬-৩০ এপ্ৰিল ২০২৬ সংখ্যাত 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আবেদন' পঢ়ি অনুপ্ৰাণিত হৈছিলো। প্ৰধানমন্ত্ৰীয়ে দেশৰ নাগৰিকৰ স্বাস্থ্য, সমৃদ্ধি, উন্নয়নৰ বাবে প্ৰতিটো খণ্ডৰ ওপৰত চকু ৰাখিছে আৰু উপযুক্ত পৰামৰ্শৰ জৰিয়তেও আমাক পথ প্ৰদৰ্শন কৰিছে। এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। সম্পাদকীয় অংশত মই 'ভাৰতত ৰক্ত সন্ত্ৰাসৰ অন্ত'ৰ বিষয়ে বিস্তৃত তথ্য লাভ কৰিছোঁ, যিটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ এক উল্লেখযোগ্য সফলতা হিচাপে বিবেচিত হৈছে। স্বাধীনতাৰ পিছত নক্সালবাদীৰ ধাৰাবাহিক আক্ৰমণে জনজাতীয় অঞ্চলসমূহৰ উন্নয়ন স্থবিৰ কৰি তুলিছিল, যাৰ ফলত জনসম্পদৰ ক্ষতি হোৱাৰ লগতে আমাৰ বহু সৈনিকৰ মৃত্যু ঘটিছিল। মোদী চৰকাৰে সঠিক সিদ্ধান্ত লৈ, অভিযান আৰম্ভ কৰি, ভাৰতক নক্সালবাদৰ পৰা মুক্ত কৰাত সফল হ'ল। সেয়ে মোদী চৰকাৰৰ নীতি আৰু সিদ্ধান্তৰ প্ৰতি দেশবাসীৰ অধিক আস্থা গঢ় লৈ উঠিছে।

birkhakd@gmail.com

### অৰ্থনৈতিক নীতিৰ বিশদ কভাৰেজ অতি তথ্যসমৃদ্ধ

নিউ ইণ্ডিয়া সমাচাৰৰ প্ৰতি মোৰ কৃতজ্ঞতা প্ৰকাশৰ বাবে এই পত্ৰখন লিখিছো। এজন কৰ্মৰত চাৰ্টাৰ্ড একাউণ্টেণ্ট হিচাপে আলোচনীখনে ৰাষ্ট্ৰীয় উন্নয়ন, চৰকাৰী আঁচনি, অৰ্থনৈতিক নীতিৰ বিশদ কভাৰেজ, মোৰ বৃত্তিৰ বাবে অতি তথ্যসমৃদ্ধ আৰু অত্যন্ত প্ৰাসংগিক হিচাপে তুলি ধৰে বুলি বিবেচনা কৰোঁ। পেছাদাৰী সমাজখনক ভালদৰে অৱগত কৰি ৰখাৰ বাবে আপোনাৰ প্ৰচেষ্টাৰ বাবে ধন্যবাদ।

ধৰ্মেশ বেলাদিয়া

dbeladiya32@gmail.com

### জনসাধাৰণৰ বাবে তথ্যৰ এক মূল্যৱান উৎস

নিউ ইণ্ডিয়া সমাচাৰৰ জৰিয়তে চলি থকা উৎকৃষ্ট কামৰ বাবে আপোনালোকৰ লগতে আপোনাৰ সমগ্ৰ দলটোৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছো। এইখন সঁচাকৈয়ে এক অসাধাৰণ আলোচনী, আৰু সকলো ভাৰতীয় ভাষাত - বিশেষকৈ তামিল ভাষাত - উপলব্ধ হোৱাৰ বাবেই আৰু অধিক বিশেষ হৈ উঠিছে। ইয়াৰ বাবেই সমগ্ৰ দেশৰ মানুহে আমাৰ চৰকাৰৰ মূল পদক্ষেপ, কৃতিত্ব, আৰু দৃষ্টিভংগী সহজেই বুজিব আৰু সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ আমাৰ প্ৰধানমন্ত্ৰী আৰু চৰকাৰৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কীয় সকলো গুৰুত্বপূৰ্ণ খবৰ নিউ ইণ্ডিয়া সমাচাৰৰ জৰিয়তে একক মঞ্চত একত্ৰিত কৰাকাৰ্য্যৰ মই শলাগ লৈছো। ই জনসাধাৰণৰ বাবে এক মূল্যৱান তথ্যৰ উৎস। দেশলৈ প্ৰামাণিক আৰু অনুপ্ৰেৰণাদায়ক সংবাদ প্ৰদান কৰাৰ ক্ষেত্ৰত আপোনালোকৰ নিষ্ঠা আৰু প্ৰতিশ্ৰুতি অত্যন্ত প্ৰশংসনীয়। অনাগত বছৰসমূহত আপোনালোক আৰু আপোনালোকৰ সম্পূৰ্ণ দলৰ অবিৰত সাফল্য কামনা কৰোঁ।

এছ. ৰাজেশকন্না

kisanmorcha.gs@gmail.com

### চৰকাৰী পদক্ষেপৰ বিষয়ে তথ্য প্ৰদান কৰাত অতি সহায়ক

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন মই নিয়মিতভাৱে পঢ়ো। চৰকাৰী নীতি-নিয়ম আৰু পদক্ষেপৰ বিষয়ে অৱগত হৈ থাকিবলৈ এই আলোচনীখন পঢ়াৰ বাবে মই তীব্ৰ আগ্ৰহী। মই ধাৰাবাহিকভাৱে তথ্যসমূহ মোৰ চাৰিওফালে থকা অন্য সকলোৰে সৈতে ভাগ-বতৰা কৰি থাকোঁ।

পাৰুল শৰ্মা

ps308616@gmail.com

### নিউ ইণ্ডিয়া সমাচাৰ এখন উৎকৃষ্ট আলোচনী

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন উৎকৃষ্ট। আমি এখন বিকশিত ভাৰতৰ দিশে আগবাঢ়ি গৈ আছোঁ। এয়া প্ৰতিজন ভাৰতীয় নাগৰিকৰ বাবে গৌৰৱৰ বিষয়।

ওম লতা আখৌৰি

omlata.akhouri@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in



# কলমৰ শক্তি ব্যৱহাৰ কৰি স্বাধীনতাৰ বাবে যুঁজ দিয়া সাংবাদিকজন

জন্ম: ১০ জুন, ১৯০৬ মৃত্যু: ১ নৱেম্বৰ, ১৯৮০

কে এ দামোদৰ মেনন-এজন প্ৰখ্যাত ভাৰতীয় সাংবাদিক, স্বাধীনতা সংগ্ৰামী, আৰু সমাজকৰ্মী-যিজনে ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা পালন কৰি, ব্ৰিটিছ শাসনৰ বিৰুদ্ধে শক্তিশালী কণ্ঠস্বৰ হৈ পৰিছিল। “মাতৃভূমি” কাকতৰ সৈতে তেওঁৰ দীঘলীয়া সম্পৰ্কৰ সময়ত তেওঁ বিভিন্ন সামাজিক আৰু ৰাজনৈতিক বিষয়ত গভীৰ প্ৰভাৱ পেলোৱা লেখা লিখিছিল। নিৰ্ভীকতা, সততা, নিৰপেক্ষতা, জনস্বাৰ্থৰ প্ৰতি গভীৰ দায়বদ্ধতা আছিল তেওঁৰ সাংবাদিকতাৰ স্বাক্ষৰ। স্বাধীনতা সংগ্ৰামৰ সময়ত তেওঁ এই বৈশিষ্ট্যসমূহক ভয়ংকৰ অস্ত্ৰলৈ ৰূপান্তৰিত কৰিছিল। স্বাধীনতাৰ পিছত জনসেৱাৰ উদাৰ উদ্দেশ্যৰ দ্বাৰা পৰিচালিত দামোদৰ মেননে জনসচেতনতা, শিক্ষা, সমাজ সংস্কাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদানো আগবঢ়াইছিল।

তেওঁ নিৰপেক্ষ হৈ থাকি ব্ৰিটিছ অত্যাচাৰৰ মুখামুখি হৈও নিৰ্ভীক সাংবাদিকতা প্ৰদৰ্শন কৰিছিল। ১৯০৬ চনৰ ১০ জুনত কেৰালা (বৰ্তমান কেৰলাম নামেৰে পৰিচিত)ৰ কাৰুমাল্লুৰত জন্মগ্ৰহণ কৰা মেননৰ জীৱন সত্য, নৈতিকতা আৰু সেৱাৰ মূল্যবোধৰ এক জীৱন্ত প্ৰতীক হিচাপে স্পষ্টভাৱে প্ৰতিফলিত হৈছিল। তেওঁ তিৰুৱনন্তপুৰমৰ মহাৰাজ মহাবিদ্যালয় আৰু বাৰ্মাৰ ৰেংগুন বিশ্ববিদ্যালয়ত (বৰ্তমানৰ ম্যানমাৰ) শিক্ষা গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ত্ৰিবান্দ্ৰমৰ পৰা আইন বিষয়ত ডিগ্ৰী লাভকৰিছিল। শিক্ষাৰ অন্তত জনসেৱা আৰু সাংবাদিকতাৰ প্ৰতি তেওঁৰ আগ্ৰহ অপৰিসীমভাৱে বৃদ্ধি পাইছিল। মহাত্মা গান্ধীৰ দ্বাৰা অনুপ্ৰাণিত হৈ পৰৱৰ্তী সময়ত তেওঁ স্বাধীনতা সংগ্ৰামত যোগদান কৰিছিল।

মহাত্মা গান্ধী আৰু তেওঁৰ আদৰ্শই দামোদৰ মেননৰ জীৱনত গভীৰ প্ৰভাৱ পেলাইছিল। তেওঁ মহাত্মা গান্ধীৰ নেতৃত্বত চলোৱা ‘লোণ সত্যাগ্ৰহ’ আৰু ‘অসহযোগ আন্দোলন’ত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। তেওঁৰ সক্ৰিয়তাৰ বাবে বৃটিছে তেওঁক কাৰাবাসলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ উপৰিও, তেওঁ ‘ভাৰত ত্যাগ আন্দোলন’ত অংশগ্ৰহণ কৰি ইয়াৰ অন্যতম গুৰুত্বপূৰ্ণ নেতা হিচাপে আত্মপ্ৰকাশ কৰে। সেইবাবেই ব্ৰিটিছ কৰ্তৃপক্ষই তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰিছিল, আৰু তেওঁ ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈ কাৰাগাৰত বন্দী হৈ আছিল।

দামোদৰ মেননে বিখ্যাত মালয়ালম দৈনিক “মাতৃভূমি”ৰ সম্পাদক হিচাপে বহু জনসচেতনতামূলক বিষয় উত্থাপন কৰিছিল, য’ত তেওঁ ১৯৪৮ চনলৈকে কৰ্মৰত আছিল। এই কাকতৰ জৰিয়তে তেওঁ ইংৰাজৰ দ্বাৰা ভাৰতীয়ৰ ওপৰত কৰা অত্যাচাৰসমূহৰ সমালোচনা কৰিছিল। তদুপৰি তেওঁ নিজৰ সাংবাদিক কৰ্মজীৱনত ‘সমদৰ্শী’, ‘স্বতন্ত্ৰ’, ‘কহলম’ আৰু ‘পাৱাৰ শক্তি’ আদি বাতৰি কাকতো সম্পাদনা কৰিছিল। ভাৰতৰ স্বাধীনতাৰ পিছতো তেওঁ ৰাষ্ট্ৰীয় স্বাৰ্থৰ বাবে কাম কৰি গৈছিল। তেওঁ লোকসভা আৰু ৰাজ্যৰ বিধানসভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। কেৰালা বিধানসভালৈ নিৰ্বাচিত হোৱাৰ পিছত তেওঁ ৰাজ্য চৰকাৰৰ মন্ত্ৰীও হৈছিল। তেওঁ উদাৰ অৰ্থনৈতিক দৃষ্টিভংগীৰ সমৰ্থক আছিল। তেওঁ কেৱল ভিন্নজাতৰ মাজৰ বিবাহেই নহয়, ভিন্ন ধৰ্মীয় বিবাহৰো সমৰ্থন কৰিছিল। ১৯৮০ চনৰ ১ নৱেম্বৰত তেওঁ ইহলীলা সম্বৰণ কৰে। ২০২২ চনৰ ১৮ মাৰ্চত “মাতৃভূমি”ৰ শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দামোদৰ মেননক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# খাৰিফ শস্যৰ এম এছ পি

## আৰু দুটা অৰ্ধপৰিবাহী প্ৰকল্পৰ অনুমোদন



দেশজুৰি কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা আৰু তেওঁলোকৰ আয় বৃদ্ধি কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ধাৰাবাহিকভাৱে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি আহিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে, কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৬ বৰ্ষৰ খাৰিফ ঋতুৰ বাবে ন্যূনতম সমৰ্থনমূল্য (এম এছ পি) বৃদ্ধি কৰাৰ অনুমোদন জনাইছে। এই সিদ্ধান্তটি কৃষকসকলৰ আয় বৃদ্ধি কৰা, কৃষিক অধিক লাভজনক কৰি তোলা আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। ইয়াৰ উপৰিও, কেন্দ্ৰীয় মন্ত্ৰীসভাই আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱৰো অনুমোদন জনাইছে, যাৰ ভিতৰত ভাৰত অৰ্ধপৰিবাহী মিছন (আই এছ এম)-ৰ অধীনত আৰু দুটা নতুন অৰ্ধপৰিবাহী প্ৰকল্প অন্তৰ্ভুক্ত আছে।

**সিদ্ধান্ত ঃ** ২০২৬-২৭ বৰ্ষৰ বিপণন বতৰৰ বাবে ১৪টা খাৰিফ শস্যৰ বাবে এম এছ পিৰ অনুমোদন।

**প্ৰভাৱ ঃ** ২০২৬-২৭ বিপণন বৰ্ষৰ বাবে চৰকাৰে খাৰিফ শস্যসমূহৰ এম এছ পি বৃদ্ধি কৰিছে, যাতে কৃষক সকলে তেওঁলোকৰ উৎপাদিত শস্যৰ বাবে লাভজনক মূল্য লাভ কৰিব পাৰে। পূৰ্বৰ বছৰৰ তুলনাত, সূৰ্যমুখী বীজৰ এম এছ পি-ত সৰ্বাধিক বৃদ্ধি (প্ৰতি কুইণ্টলত ৬২২ টকা) অনুমোদন কৰা হৈছে। ইয়াৰ পিছতে আছে কপাহ (প্ৰতি কুইণ্টলত ৫৫৭টকা), নাইজাৰবীজ/ৰামতিল (প্ৰতি কুইণ্টলত ৫১৫ টকা) আৰু তিল (প্ৰতি কুইণ্টলত ৫০০ টকা)।

**সিদ্ধান্ত ঃ** ভাৰতীয় অৰ্ধপৰিবাহী মিছন (আই এছ এম)-ৰ অধীনত আৰু দুটা নতুন প্ৰকল্পত অনুমোদন।

**প্ৰভাৱ ঃ** অনুমোদিত এই দুটা প্ৰস্তাৱৰ ফলস্বৰূপে গুজৰাটত অৰ্ধপৰিবাহী উৎপাদন ইউনিট স্থাপন কৰা হ'ব, যাৰ মুঠ বিনিয়োগ প্ৰায় ৩,৯৩৬ কোটি টকা। এই পদক্ষেপ সমূহৰ দ্বাৰা দক্ষ পেছাদাৰী সকলৰ বাবে প্ৰায় ২,২৩০টা নিয়োগৰ সুযোগ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

- এই দুটা অনুমোদনৰ সৈতে, দেশৰ অৰ্ধপৰিবাহী পৰিস্থিতি তন্ত্ৰই এক গুৰুত্বপূৰ্ণ প্ৰেৰণা লাভ কৰিব, কাৰণ ভাৰতীয় অৰ্ধপৰিবাহী মিছন (আই এছ এম)-ৰ অধীনত অনুমোদিত প্ৰকল্পৰ মুঠ সংখ্যা ১২টালৈ বৃদ্ধি পাব, যাৰ সামগ্ৰিক বিনিয়োগ প্ৰায় ১.৬৪ লাখ কোটি টকা হ'ব।

- এই দুটা অনুমোদনৰ সৈতে, দেশৰ অৰ্ধপৰিবাহী পৰিস্থিতি তন্ত্ৰই এক গুৰুত্বপূৰ্ণ প্ৰেৰণা লাভ কৰিব, কাৰণ ভাৰতীয় অৰ্ধপৰিবাহী মিছন (আই এছ এম)-ৰ অধীনত অনুমোদিত প্ৰকল্পৰ মুঠ সংখ্যা ১২টালৈ বৃদ্ধি পাব, যাৰ সামগ্ৰিক বিনিয়োগ প্ৰায় ১.৬৪ লাখ কোটি টকা হ'ব।

- এই প্ৰকল্পসমূহে দেশৰ উদীয়মান বিশ্বমানৰ চিপ ডিজাইন ক্ষমতাত পৰিপূৰক ভূমিকা পালন কৰিব। চৰকাৰে ৩১৫খন শৈক্ষিক প্ৰতিষ্ঠান আৰু ১০৪টা ষ্টাৰ্টআপক প্ৰদান কৰা ডিজাইন আন্তঃগাঁথনিৰ সহায়ৰ জৰিয়তে এই পদক্ষেপে গতি লাভ কৰিছে। ভাৰতৰ অৰ্ধপৰিবাহী পৰিস্থিতি তন্ত্ৰৰ গতি দ্ৰুত হৈ আহিছে, ইতিমধ্যে অনুমোদিত দহটা প্ৰকল্প বিভিন্ন পৰ্যায়ত কাৰ্যকৰীকৰণৰ অৱস্থাত আছে।

**সিদ্ধান্ত ঃ** জৰুৰী ঋণ সহায় গেৰাণ্টি আঁচনি (ই চি এল জি এছ)ৰ অনুমোদন ৫.০

**প্ৰভাৱ ঃ** এই আঁচনিখনৰ উদ্দেশ্য হৈছে পশ্চিম এছিয়াৰ সংঘাতৰ ফলত উদ্ভৱ হোৱা সমস্যাসমূহৰ পৰা ব্যৱসায়সমূহক পুনৰুদ্ধাৰ হোৱাত সহায় কৰা। । ইয়াৰ লগতে, এই আঁচনিয়ে ব্যৱসায়সমূহক তেওঁলোকৰ কাৰ্যকলাপ অব্যাহত ৰাখিবলৈ, চাকৰি সুৰক্ষিত ৰাখিবলৈ আৰু যোগান শৃংখল বজাই ৰাখিবলৈ সহায় কৰিব বুলি আশা কৰা হৈছে।

- প্ৰস্তাৱিত এই ঋণ গেৰাণ্টী আঁচনিখন ব্যৱসায়সমূহক সহায় কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ, বিশেষকৈ ক্ষুদ্ৰ, লঘু আৰু মধ্যম উদ্যোগ (এম এছ এম ই) আৰু বিমানখণ্ডৰ বাবে। ইয়াৰ জৰিয়তে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ অতিৰিক্ত চালিত মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব।
- সময়মতে পুঁজি উপলব্ধ কৰাটো নিশ্চিত কৰি এই আঁচনিখনে ব্যৱসায় সমূহক স্থিতি বজাই ৰাখিবলৈ সহায় কৰিব আৰু কৰ্ম হেৰুওৱা ৰোধ কৰাত সহায় কৰিব।
- ইয়াৰ লগতে, ই ঘৰুৱা উৎপাদন নিৰবচ্ছিন্ন ভাৱে চলি থাকিবলৈ সহায় কৰিব আৰু পৰিস্থিতি তন্ত্ৰৰ স্থিতিস্থাপকতা বজাই ৰাখিব।

**সিদ্ধান্ত ঃ** কেবিনেটে গুজৰাটৰ বাদিনাৰত জাহাজ মেৰামতি কেন্দ্ৰ স্থাপনৰ অনুমোদন জনাইছে।

**প্ৰভাৱ ঃ** ভাৰতৰ জাহাজ মেৰামতিৰ আন্তঃগাঁথনিত বৰ্তমান বিদ্যমান জটিল ব্যৱধান বাদিনাৰ জাহাজ মেৰামতি কেন্দ্ৰই পোনপটীয়াকৈ সমাধান কৰিব, কিয়নো বৰ্তমান দেশখনত ২৩০ মিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ বৃহৎ জাহাজ মেৰামতি কৰিবলৈ পৰ্যাপ্ত ঘৰুৱা ক্ষমতাৰ অভাৱ। ৩০০ মিটাৰ পৰ্যন্ত দীঘল জাহাজ মেৰামতি কৰাৰ সুবিধা প্ৰদান কৰি এই কেন্দ্ৰটোৱে দেশৰ ভিতৰতে বৃহৎ জাহাজসমূহৰ উচ্চ-মূল্যৰ মেৰামতি সম্ভৱ কৰি তুলিব। ইয়াৰ ফলত বৈদেশিক জাহাজ নিৰ্মাণ/মেৰামতি কাৰখানাৰ ওপৰত নিৰ্ভৰশীলতা যথেষ্ট হ্ৰাস পাব আৰু বৈদেশিক মুদ্ৰাৰ বহিঃপ্ৰবাহ নিয়ন্ত্ৰণ কৰাত সহায় কৰিব।

- প্ৰকল্পটোৱে স্থায়ী নিয়োগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে, যিয়ে জাহাজ মেৰামতি, লজিষ্টিক, আৰু আনুষংগিক উদ্যোগসমূহত প্ৰায় ২৯০টা প্ৰত্যক্ষ আৰু প্ৰায় ১১০০টা পৰোক্ষ চাকৰিৰ সৃষ্টি কৰিব, একে সময়তে বহল সামুদ্ৰিক ঔদ্যোগিক পৰিৱেশ তন্ত্ৰৰ অনুঘটক হিচাপে কাম কৰিব।

**সিদ্ধান্ত ঃ** উচ্চতম ন্যায়ালয় (ন্যায়াধীশৰ সংখ্যা) সংশোধনী বিধেয়ক, ২০২৬, সংসদত উত্থাপন কৰাৰ প্ৰস্তাৱৰ বাবে অনুমোদন প্ৰদান

**সিদ্ধান্ত ঃ** অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ কেবিনেট কমিটীয়ে সমগ্ৰ মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, আৰু তেলেংগানা ৰাজ্যৰ ১৯খন জিলা সামৰি তিনিটা মাল্টি ট্ৰেকিং প্ৰকল্পত অনুমোদন জনায়।

**প্ৰভাৱ ঃ** ইয়াৰ ফলত ভাৰতীয় ৰে'লৱেৰ বৰ্তমানৰ নেটৱৰ্কত প্ৰায় ৯০১ কিলোমিটাৰ দৈৰ্ঘ্য সংযোজন হ'ব।

- এই প্ৰকল্প সমূহৰ মুঠ আনুমানিক ব্যয় ২৩,৪৩৭ কোটি টকা, আৰু এইসমূহ ২০৩০-৩১ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে।
- প্ৰস্তাৱিত মাল্টি ট্ৰেকিং প্ৰকল্পসমূহে প্ৰায় ৪,১৬১খন গাঁৱৰ সংযোগ উন্নত কৰিব, যিয়ে প্ৰায় ৮৩ লাখ জনসংখ্যাক সংযুক্ত সেৱা আগবঢ়াব।

এই প্ৰকল্পসমূহৰ ভিতৰত আছে...




**প্ৰভাৱ ঃ** উদ্দেশ্য হৈছে উচ্চতম ন্যায়ালয় (ন্যায়াধীশৰ সংখ্যা) আইন, ১৯৫৬ সংশোধন কৰা, যাৰ ফলত ভাৰতৰ উচ্চতম ন্যায়ালয়ত মুখ্য ন্যায়াধীশক বাদ দি ন্যায়াধীশৰ সংখ্যা বৰ্তমানৰ ৩৩ জনৰ পৰা ৩৭লৈ বৃদ্ধি কৰা হ'ব।

- ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰিলে উচ্চতম ন্যায়ালয়ে অধিক দক্ষতা আৰু ফলপ্ৰসূ ভাৱে কাম কৰিব পাৰিব, ফলত দ্ৰুততৰ ন্যায় প্ৰদান নিশ্চিত হ'ব।
- ন্যায়াধীশ আৰু সহায়ক কৰ্মচাৰীৰ দৰমহা তথা অন্যান্য ভাট্টাসমূহৰ ব্যয় ভাৰতৰ সংহত নিধিৰ পৰা বহন কৰা হ'ব।

**সিদ্ধান্ত ঃ** ২০২৬-২৭ বৰ্ষৰ চেনি উৎপাদনৰ বতৰৰ বাবে কুঁহিয়াৰ খেতিয়কৰ বাবে প্ৰতি কুইণ্টলত ৩৬৫ টকাৰ ন্যায্য আৰু লাভজনক মূল্য (এফ আৰ পি) অনুমোদন জনোৱা হৈছে।

**প্ৰভাৱ ঃ** কুঁহিয়াৰ খেতিয়কৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। এই সিদ্ধান্তই ৫ কোটি কুঁহিয়াৰ খেতিয়কৰ লগতে চেনি কল আৰু ইয়াৰ লগত জড়িত আনুষংগিক কামত নিয়োজিত ৫ লাখ শ্ৰমিকক উপকৃত কৰিব।

**সিদ্ধান্ত ঃ** উৎসস্থলৰ ওচৰত অৱস্থিত কয়লা/লিগনাইট গেছিফিকেশ্যন প্ৰকল্পসমূহৰ বাবে ৩৭,৫০০ কোটি টকাৰ ব্যয়সীমাৰে



**সিদ্ধান্ত ঃ** কেবিনেটে নাগপুৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ উন্নয়নৰ অনুমোদন জনাইছে।

**প্ৰভাৱ ঃ** নাগপুৰ বিমানবন্দৰক মাল্টি-ম'ডেল আন্তঃৰাষ্ট্ৰীয় কাৰ্গো হাব আৰু নাগপুৰত বিমানবন্দৰ প্ৰকল্পৰ অধীনত আঞ্চলিক বিমান কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত ই এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে। বেচৰকাৰী খণ্ডৰ দক্ষতা আৰু চৰকাৰী তদাৰকীৰ সমন্বয়ৰ জৰিয়তে, এই বিমান বন্দৰটো বৃহৎ বিনিয়োগ, আধুনিকীকৰণ আৰু উন্নত যাত্ৰী তথা মালবাহী সেৱাৰ বাবে সাজু হৈছে।

- পৰ্যায়ক্ৰমে উন্নয়ন পৰিকল্পনাৰ অধীনত, ইয়াৰ চূড়ান্ত ক্ষমতা বছৰি ৩০ মিলিয়ন যাত্ৰীলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে, যাৰ ফলত ই মধ্য ভাৰতৰ অন্যতম শ্ৰেষ্ঠ বিমান বন্দৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব।
- এই ৰূপান্তৰে বিদৰ্ভ অঞ্চলৰ ভিতৰত সংযোগ বৃদ্ধি কৰাই নহয়, বৰঞ্চ ইয়াৰ অৰ্থনৈতিক আন্তঃগাঁথনিও শক্তিশালী কৰিব। ইয়াৰ ফলত কাৰ্গো পৰিচালনা ক্ষমতাও যথেষ্ট বৃদ্ধি পাব বুলি আশা কৰা হৈছে।



*কেবিনেটৰ সিদ্ধান্তসমূহৰ ওপৰত প্ৰেছ ব্ৰিফিং চাবলৈ কিউ আৰ ক'ড স্কেন কৰক।*

এক প্ৰেৰণামূলক আঁচনিক অনুমোদন দিয়া হৈছে।

**প্ৰভাৱ ঃ** এই আঁচনিখন ভাৰতৰ কয়লা/লিগনাইট গেছিফিকেশন কাৰ্যসূচীক ত্বৰান্বিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে আৰু ২০৩০ চনৰ ভিতৰত ১০০ মিলিয়ন টন কয়লা গেছিফাই কৰাৰ ৰাষ্ট্ৰীয় লক্ষ্যলৈ উন্নীত কৰিব।

- তদুপৰি, ই শক্তি সুৰক্ষা শক্তিশালী কৰাত সহায় কৰিব আৰু তৰলীকৃত প্ৰাকৃতিক গেছ (এলএনজি)ৰ দৰে মূল সামগ্ৰীৰ ওপৰত আমদানিৰ নিৰ্ভৰশীলতা হ্ৰাস কৰিব, যি ৫০% তকৈ অধিক বৰ্তমান আমদানি কৰা হয়; লগতে ইউৰিয়া (২০% আমদানি কৰা হয়) এমোনিয়া (১০০% আমদানি কৰা হয়) আৰু মিথানল (৮০-৯০) আমদানি কৰা হয়) আদিৰো আমদানি হ্ৰাস কৰিব।

**সিদ্ধান্ত ঃ** গুজৰাটৰ আহমেদাবাদ জিলা অন্তৰ্ভুক্ত কৰি এক নতুন প্ৰকল্পৰ অনুমোদন জনোৱা হৈছে।

**প্ৰভাৱ ঃ** ইয়াৰ ফলত ভাৰতীয় ৰে'লৱেৰ বৰ্তমানৰ নেটৱৰ্কত প্ৰায় ১৩৪ কিলোমিটাৰ দৈৰ্ঘ্য সংযোজন হ'ব। এই প্ৰকল্পৰ মুঠ আনুমানিক ব্যয় প্ৰায় ২০,৬৬৭ কোটি টকা, আৰু ইয়াক ২০৩০-৩১ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে।

- এই প্ৰকল্পৰ অংশই আহমেদাবাদ, ঢোলেৰা এছ আই আৰ, নিৰ্মীয়মান ঢোলেৰা বিমানবন্দৰ, আৰু লোথাল ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য কমপ্লেক্সৰ মাজত উন্নত সংযোগ স্থাপন কৰিব।
- আহমেদাবাদক ঢোলেৰাৰ সৈতে সংযোগ কৰিলে যাত্ৰীসকলৰ যাত্ৰাৰ সময় হ্ৰাস পাব, যাৰ ফলত দৈনিক অহা-যোৱা কৰাটো অধিক আৰামদায়ক হ'ব আৰু একেদিনাই উভতি অহা যাত্ৰা সম্ভৱ হ'ব।
- এই অৰ্ধ-উচ্চবেগী ৰেলৱেই বিভিন্ন চহৰত শ -শ কিলোমিটাৰ দূৰত্বত বাস কৰা লোকসকলক নিকট চপাই আনিব।

**সিদ্ধান্ত ঃ** ২০৩০-৩১ চনৰ ভিতৰত কপাহ খণ্ডত আত্মনিৰ্ভৰশীলতা অৰ্জন আৰু বিশ্ব বস্ত্ৰ বজাৰত প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধি কৰাৰ লক্ষ্যৰে ৫,৬৫৯.২২ কোটি টকা ব্যয়ৰে "কপাহ উৎপাদনশীলতা অভিযান"ৰ অনুমোদন জনোৱা হৈছে।

**প্ৰভাৱ ঃ** এই অভিযানৰ ভাৰত চৰকাৰৰ '৫এফ' দৃষ্টিভংগী (ফাৰ্মৰ পৰা আঁহলৈকে কাৰখানাৰ পৰা ফেশ্বনলৈকে ফেশ্বনৰ পৰা বিদেশলৈকে)ৰ সৈতে মিল আছে।

- এই অভিযানে ৰোগ আৰু কীট-পতংগ প্ৰতিৰোধী উচ্চউৎপাদনক্ষম জাতৰ বীজৰ বিকাশৰ জৰিয়তে কপাহৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে; ৰাজ্য চৰকাৰ, কৃষি বিজ্ঞন কেন্দ্ৰ, আৰু ৰাজ্যিক কৃষি বিশ্ববিদ্যালয় (এছ এ ইউ)ৰ জৰিয়তে শেহতীয়া শস্য উৎপাদন প্ৰযুক্তিৰ বৃহৎ পৰিসৰৰ প্ৰচাৰ আৰু গ্ৰহণৰ জৰিয়তে বৰ্তমানৰ আৰু শেহতীয়া শস্য উৎপাদন প্ৰযুক্তিৰ বৃদ্ধি, উদ্যোগলৈ কম দূষিত কপাহৰ যোগান নিশ্চিত কৰা; আৰু তলত উল্লেখ কৰা প্ৰধান দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি উচ্চমানৰ কপাহ ৰপ্তানি প্ৰসাৰ কৰাত গুৰুত্ব আৰোপ কৰে।
- ইয়াৰ উপৰিও এই অভিযানৰ লক্ষ্য হৈছে উদ্যোগলৈ কম দূষিত কপাহৰ যোগান নিশ্চিত কৰা আৰু উচ্চমানৰ কপাহ ৰপ্তানি প্ৰসাৰ কৰা।




সংকল্পৰ ১২ বছৰীয়া যাত্ৰা

# এক বিকশিত ভাৰতৰ দিশে যাত্ৰা কৰাৰ এক নতুন যুগ




২০১৪ চনৰ পৰা ২০২৬ চনলৈকে ৰাষ্ট্ৰীয় সংকল্পসমূহ পূৰণৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা হৈছে। এই সময়ছোৱাই বৃহৎ পৰিৱৰ্তন কঢ়িয়াই আনিছে আৰু আজি দেশৰ প্ৰতিজন নাগৰিকে এই পৰিৱৰ্তনৰ অংশ অনুভৱ কৰিছে। সেয়েহে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২ বছৰৰ সাফল্যই 'অমৃত'ক প্ৰতিনিধিত্ব কৰে-বহু বছৰৰ কঠোৰ সমৰ্পণ আৰু তপস্যাৰ পৰা নিৰ্মিত; এইটোৱেই মূল কথা যে, 'অমৃত কাল'ৰ সময়ত ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ অটল সংকল্পৰ সৈতে, এতিয়া ৰাষ্ট্ৰীয় পুনৰ্গঠনৰ পথত নিৰ্ণায়কভাৱে আগবাঢ়ি গৈছে।

প্ৰচ্ছদ নিবন্ধ

১২ বছৰ

বিকাশ যাত্ৰাৰ

এখন ৰাষ্ট্ৰৰ উন্নয়নৰ যাত্ৰাত এটা মুহূৰ্ত আহে যেতিয়া দেশখনে নিজকে পুনৰ্নিৰ্ধাৰণ কৰে। ই নতুন সংকল্পবোৰ গ্ৰহণ কৰে আৰু সেইবোৰৰ উপলব্ধিৰ পথ বিচাৰে। অদম্য ইচ্ছাশক্তিৰ দ্বাৰা চালিত হৈ ই এই আকাংক্ষাবোৰ বাস্তৱায়িত কৰাৰ বাবে নিজকে উৎসৰ্গিত কৰে; সঠিকভাৱে এই মুহূৰ্ততে পৰিৱৰ্তন আৰম্ভ হয় -পৰৱৰ্তী প্ৰজন্মৰ বাবে জনসাধাৰণৰ সামূহিক স্মৃতিত অংকিত হৈ থকা পৰিৱৰ্তন। ২০১৪ চনত দেশৰ ৰাজনৈতিক দৃশ্যপট এক গভীৰ পৰিৱৰ্তনৰ সন্মুখীন হৈছিল। ৰাষ্ট্ৰই এক নতুন সূৰ্য্যোদয় প্ৰত্যক্ষ কৰিছে -বিকাশৰ এক যাত্ৰাৰ আৰম্ভণি যি আজিও অবিৰামভাৱে অব্যাহত আছে। চৰকাৰে ৰাষ্ট্ৰীয় পুনৰ্গঠনৰ এই যাত্ৰাত বাৰ বছৰ সম্পূৰ্ণ কৰে -এখন ৰাষ্ট্ৰই 'বিকশিত ভাৰত' হোৱাৰ স্মাৰক সংকল্পৰ সৈতে আগবাঢ়ি যোৱা এক যাত্ৰা। ভাৰতীয় সংস্কৃতিত আৰু বিভিন্ন ধৰ্মৰ শাস্ত্ৰত, ১২ নম্বৰটোৱে এক বিশেষ গুৰুত্ব বহন কৰে। শাস্ত্ৰীয় পৰম্পৰা অনুসৰি, ১২ বছৰৰ 'তপস্যা' (কঠোৰ আধ্যাত্মিক অনুশাসন)ৰ উদ্দেশ্য হৈছে সন্ধানকাৰীক আধ্যাত্মিক প্ৰজ্ঞা আৰু আত্ম-উপলব্ধি প্ৰাপ্ত কৰাৰ দিশত পথ প্ৰদৰ্শন কৰা। এইটো মন কৰাটো গুৰুত্বপূৰ্ণ যে এনে তীব্ৰ অনুশাসনৰ ১২ বছৰৰ সময়কাল হৈছে এক কঠোৰ আৰু কঠিন প্ৰক্ৰিয়া-যিটো সকলোৱে হাতত ল'ব নোৱাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত, উন্নয়নৰ এই ১২ বছৰীয়া যাত্ৰাই কেৱল এই মুহূৰ্তৰ তাৎক্ষণিক প্ৰয়োজনীয়তাসমূহকেই সম্বোধন কৰা নাই; বৰঞ্চ ই এক সুচিন্তিত, দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ ওপৰত আধাৰিত। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা উন্নয়নৰ ১২ বছৰীয়া যাত্ৰাই সেই 'অমৃত'ক প্ৰতিনিধিত্ব কৰে-যি বহু বছৰৰ সমৰ্পণ আৰু তপস্যাৰ পৰা নিৰ্মিত-যি' 'অমৃত কাল'ৰ সময়ত ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ এক অটল প্ৰতিশ্ৰুতিৰে এতিয়া এক 'উন্নত ভাৰত'ৰ মহান সংকল্প পূৰণৰ দিশত দ্ৰুতগতিত আগবাঢ়ি গৈছে।

প্ৰকৃততে, যোৱা ১২ বছৰত, সেৱাৰ নীতি হৈছে আমাৰ সংকল্প-কৰ্তব্য পথৰ সৈতে আগবাঢ়ি যোৱাৰ বাবে এক অটল প্ৰতিশ্ৰুতিৰ সৈতে-পুৰণি দৃষ্টান্তবোৰ ভাঙি পেলাইছে আৰু উন্নয়নৰ বাবে এক নতুন গতিপথ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত, বিগত ১২ বছৰত প্ৰান্তিক লোকসকলক লাভালাভ প্ৰদান কৰিবলৈ আৰু স্বাধীনতাৰ এক প্ৰকৃত ভাৱনা জাগ্ৰত কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপসমূহে এক অপৰিসীম চিহ্ন স্থাপন কৰিছে -যিটো, আজাদী কা অমৃত কালৰ পৰা আৰম্ভ কৰি, এক "নতুন ভাৰত"ৰ নতুন ভাগ্য ৰচনা কৰিবলৈ সাজু হৈছে যিহেতু ই ইয়াৰ শতবাৰ্ষিকী বৰ্ষলৈ আগবাঢ়ি গৈছে। এই নতুন ভাৰতে ইয়াৰ যুৱক-যুৱতীসকলৰ সপোন পূৰণ কৰে, ইয়াৰ নাৰী শক্তিৰ আকাংক্ষা পূৰণ কৰে, দৰিদ্ৰ লোকসকলক আগবাঢ়ি যোৱাৰ যথেষ্ট সুযোগ প্ৰদান কৰে আৰু মধ্যবিত্ত শ্ৰেণীৰ উচ্চাকাংক্ষাক নতুন উচ্চতালৈ উন্নীত কৰে। অৰ্থনীতি দ্ৰুত গতিত বৃদ্ধি পাইছে। যোৱা ১২ বছৰত, অসংখ্য আঁচনিৰ লাভালাভ লাখ লাখ দৰিদ্ৰ নাগৰিকৰ দুৱাৰত উপনীত হৈছে। আজি দেশৰ প্ৰতিজন দৰিদ্ৰ ব্যক্তিয়ে উজ্জ্বলাৰ পৰা আয়ুষ্মান ভাৰতলৈ আঁচনিসমূহৰ পৰিৱৰ্তনশীল শক্তিক স্বীকাৰ কৰিছে। চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ গতি ত্বৰান্বিত হৈছে; তেওঁলোকে এতিয়া নিৰন্তৰভাৱে নিজৰ লক্ষ্যত উপনীত হৈছে।

অতীতৰ তুলনাত ৰাষ্ট্ৰ যথেষ্ট দ্ৰুতগতিত আগবাঢ়িছে। এই সংকল্পৰে ভাৰতে অমৃত কাল-যুগৰ যাত্ৰাত অগ্ৰসৰ হৈছে আৰু এনে এক যুগৰ কল্পনা কৰা হৈছে যেযাতে ১০০

শতাংশ গাঁৱত পথ সংযোগ থাকে, ১০০ শতাংশ পৰিয়ালৰ বেংক একাউণ্ট থাকে, ১০০ শতাংশ হিতাধিকাৰীৰ হাতত আয়ুষ্মান ভাৰত কাৰ্ড থাকে, আৰু ১০০ শতাংশ যোগ্য ব্যক্তিক গেছ সংযোগেৰে উজ্জ্বলা আঁচনিৰ অধীনত সামৰি লোৱা হয়।

বীমা আঁচনি হওক, পেঞ্চন পৰিকল্পনা হওক, বা গৃহ নিৰ্মাণৰ পদক্ষেপ হওক-চৰকাৰ প্ৰতিজন যোগ্য ব্যক্তিক এই কাৰ্যসূচীসমূহৰ পৰিসৰৰ অধীনলৈ অনাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। স্বনিধি আঁচনিৰ জৰিয়তে ষ্ট্ৰীট ভেণ্ডৰ আৰু হকাৰক আনুষ্ঠানিক বেংকিং ব্যৱস্থাত একত্ৰিত কৰা হৈছে। তদুপৰি, বৰ্তমান ৰাষ্ট্ৰ হৰ ঘৰ জল” মিছন ৰূপায়ণৰ বাবে অতি জৰুৰীভাৱে কাম কৰি আছে। সামগ্ৰিক, সৰ্বাংগীণ, আৰু সৰ্বস্তৰ সামৰি কৰা উন্নয়নৰ দৰ্শনৰ দ্বাৰা পৰিচালিত কেন্দ্ৰীয় চৰকাৰে নিশ্চিত কৰিছে যে কোনো ব্যক্তি বা সামাজিক গোট যাতে ৰাষ্ট্ৰ নিৰ্মাণৰ উন্নয়নমূলক যাত্ৰাত পিছ পৰি নাযায়-আৰু দেশৰ কোনো ভৌগোলিক অঞ্চল বা চুক-কোণ অস্পৃশ্য বা অৱহেলিত হৈ নাথাকে।

মহিলা সৱলীকৰণ হওক বা যুৱ ক্ষমতাযুক্ত কৃষক হওক বা দৰিদ্ৰ আৰু প্ৰান্তীয় লোক হওক-সকলোতে এটা একক দৃষ্টিভংগী ৰখা হৈছে: উন্নয়ন সৰ্বাংগীণ হ'ব লাগিব। দেশৰ যিবোৰ অঞ্চল পূৰ্বতে পিছ পৰি আছিল, বিগত ১২ বছৰত সেইবোৰকো উন্নীত কৰাৰ বাবে একত্ৰিত প্ৰচেষ্টা চলোৱা হৈছে। পূব ভাৰত, উত্তৰ-পূব, সমগ্ৰ হিমালয় অঞ্চল-জম্মু-কাশ্মীৰ আৰু লাডাখকে ধৰি-লগতে উপকূলীয় অঞ্চল আৰু জনজাতি বেল্টসমূহ ভাৰতৰ ভৱিষ্যত উন্নয়নমূলক যাত্ৰাৰ বাবে গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে আত্মপ্ৰকাশ কৰিছে। এই সকলোবোৰ অঞ্চলৰ বাবে সুশাসনৰ পথ প্ৰদৰ্শক মন্ত্ৰই কেৱল সংখ্যাগৰিষ্ঠ শাসনৰ পৰিৱৰ্তে একমতৰ মানসিকতা গঢ়ি তোলে- যিটো দৰ্শন “সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, আৰু সবকা প্ৰয়াস”এই মূলমন্ত্ৰত সন্নিৱিষ্ট কৰা হৈছে। দৰিদ্ৰতা, দুৰ্নীতি, সন্ত্ৰাসবাদ, জাতিবাদ, সাম্প্ৰদায়িকতাৰ পৰা মুক্ত ভাৰত সৃষ্টিৰ দিশত ৰাষ্ট্ৰ ক্ৰমাগতভাৱে আগবাঢ়িছে।

### উন্নত ভাৰতৰ শক্তিশালী হোৱাৰ পথ

লালকিল্লাৰ পৰা আৰম্ভ কৰি আন বিভিন্ন প্লেটফৰ্মলৈকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতাৰ অতি প্ৰাৰম্ভিক বছৰবোৰত গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ তালিকা এখন তালিকাভুক্ত কৰিছে। কিন্তু সেই সময়ত এই বিষয়সমূহৰ বহনক্ষম সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰা দীৰ্ঘম্যাদী দৃষ্টিভংগী গ্ৰহণ কৰা হোৱা নাছিল। ফলস্বৰূপে বৰ্তমানৰ নেতৃত্বত আজি দেশখন সাত দশক ধৰি বিলম্বিত হৈ থকা বুলিব পাৰি যে স্থবিৰ হৈ থকা প্ৰকল্পসমূহৰ বাস্তৱায়নৰ সাক্ষী হৈছে। এতিয়া দেশখনে আৰু কেৱল ভাগ্যৰ ওপৰত নিৰ্ভৰ নকৰে; বৰঞ্চ উন্নয়নৰ নতুন পৰম্পৰা স্থাপন কৰা হৈছে-স্পষ্ট দৃষ্টিভংগী, দীৰ্ঘম্যাদী নীতি আৰু বহনক্ষম সমাধানৰ ওপৰত কেন্দ্ৰিত পদ্ধতিৰ দ্বাৰা পৰিচালিত কৰা হৈছে-যাৰ ফলত উত্থানশীল ‘নতুন ভাৰত’ সৃষ্টিৰ পথ মুকলি কৰা হৈছে। বিগত ৰচ বছৰত ভাৰতে অৰ্থনীতিৰ আকাৰ দুগুণ কৰাই নহয়, দ্ৰুত বৃদ্ধিও লাভ কৰিছে, যিটো বহুলাংশে আধুনিক



আন্তঃগাঁথনি উন্নয়নৰ দ্বাৰা পৰিচালিত হৈছে।

এই সময়ছোৱাত জটিল আন্তঃগাঁথনি খণ্ড -যেনে ৰে'লৱে, পথ, বিমানবন্দৰ, বন্দৰ, বিদ্যুৎ, পানী যোগান, আৰু গেছ পাইপলাইন-ৰ বাবে বাজেট আবণ্টন প্ৰায় ছয়গুণ বৃদ্ধি হৈছে। আজি সমগ্ৰ দেশতে মেগা-প্ৰজেক্টৰ কাম ত্বৰান্বিত গতিত আগবাঢ়িছে। উত্তৰত দৃষ্টি নিক্ষেপ কৰিলে, চেনাব দলং - বিশ্বৰ অন্যতম উচ্চতম ৰেলৱে সেতু -জম্মু আৰু কাশ্মীৰত নিৰ্মাণ কৰা হৈছে। পশ্চিমত, অটল সেতু - দেশৰ আটাইতকৈ দীঘল সাগৰীয় সেতু - মুম্বাইত নিৰ্মাণ কৰা হৈছে। পূৰ্বত, বগীবিল দলং অসমত অৱস্থিত। আৰু দক্ষিণত, পামবান - বিশ্বৰ অতি কমসংখ্যক উলম্ব-উত্তোলন সেতুৰ অন্যতম নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। একেদৰে, পূব আৰু পশ্চিম উৎসৰ্গিত মালবাহী কৰিডৰৰ নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হোৱাৰ পথত আগবাঢ়িছে। দেশৰ প্ৰথমটো বুলেট ট্ৰেইন প্ৰকল্পৰ কামো দ্ৰুতগতিত চলি আছে। বন্দে ভাৰত, অমৃত ভাৰত আৰু নমো ভাৰতৰ দৰে আধুনিক ৰে'লসমূহে

দেশৰ ৰে'ল নেটৱৰ্কক অধিক আধুনিকীকৰণ কৰি তুলিছে। এই উন্নয়নৰ মূল অন্তৰ্নিহিত দৰ্শনটো হ'ল: যেতিয়া ভাৰতৰ প্ৰতিটো অঞ্চল ইটোৰ সৈতে সিটো সংযোগ হ'ব, তেতিয়া এখন উন্নত ৰাষ্ট্ৰ হোৱাৰ পথ যথেষ্ট শক্তিশালী হ'ব। নতুন সংসদ ভৱন আৰু চেণ্ট্ৰেল ভিষ্টা প্ৰকল্পই 'আত্মনিৰ্ভৰ ভাৰত'ৰ মূল আদৰ্শৰ এক প্ৰকৃত প্ৰতিফলন হিচাপে আত্মপ্ৰকাশ কৰিছে। উপযুক্তভাৱে, এই নতুন ভৱনটোত গৃহীত হোৱা একেবাৰে প্ৰথমখন বিধেয়ক আছিল সংসদ আৰু ৰাজ্যিক বিধানসভা উভয়তে মহিলাসকলক ৩৩ শতাংশ সংৰক্ষণ প্ৰদান কৰা ঐতিহাসিক আইন। একেদৰে, ৩৪ বছৰৰ পাছত এক নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্তন কৰা হয়, যিটো ভাৰতে বিশ্ব জ্ঞানৰ মহাশক্তি হোৱাৰ দিশে লোৱা পদক্ষেপৰ এক প্ৰমাণ। তিনি তালাক, ৰাম মন্দিৰ, বড়ো চুক্তি আৰু ৩৭০ অনুচ্ছেদকে ধৰি কেইবাটাও সিদ্ধান্তই শান্তি আৰু সম্প্ৰীতি প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰিছে। এইবোৰ এনে কিছুমান বিষয় আছিল যিবোৰ দশক দশক ধৰি ওলমি আছিল আৰু সমাধানহীন সমস্যাত পৰিণত হৈছিল; তথাপিও, প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত এইবোৰৰ সমাধান উলিওৱা হ'ল আৰু এতিয়া এখন 'নতুন ভাৰত'ৰ আত্মপ্ৰকাশ ঘটিছে।

### প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত ৰূপান্তৰৰ এক নতুন যুগ

ভৱিষ্যতৰ প্ৰতি তীব্ৰ দৃষ্টি ৰাখি প্ৰযুক্তিৰ নীতি প্ৰণয়ন কৰাৰ ক্ষেত্ৰত আগশাৰীত থকা বিশ্বৰ কেইখনমান নিৰ্বাচিত দেশৰ ভিতৰত ভাৰত অন্যতম। প্ৰযুক্তিয়ে বহুতো খণ্ডত এক গভীৰ প্ৰভাৱ পেলাইছে। ই স্বচ্ছতাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। আজিকালি, গ্ৰাম্য ভাৰতে ইয়াৰ চহৰৰ সমান্তৰালকৈ অধিক ইণ্টাৰনেট ডাটা ব্যৱহাৰ কৰে। ক'ভিড-১৯ৰ সময়ছোৱাত ইউ পি আইৰ দৰে প্লেটফৰ্মসমূহে এক নতুন গতি লাভ কৰিছিল, যাৰ ফলত মানুহে ডিজিটেল লেনদেনক জীৱনশৈলী হিচাপে আকোৱালি লৈছিল। ই-কমাৰ্চৰ জৰিয়তে বিশাল বজাৰৰ প্ৰসাৰতা উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে।

প্ৰযুক্তিৰ বাবেই এতিয়া আঁচনিসমূহৰ ১০০ শতাংশ লাভালাভ প্ৰকৃত হিতাধিকাৰীৰ ওচৰত গৈ পাইছে, যিটো অতীতৰ তুলনাত সম্পূৰ্ণ বিপৰীত, কিয়নো অতীতত প্ৰায়েই কোৱা হৈছিল যে আৱণ্টিত প্ৰতিটো টকাৰ বিপৰীতে মাত্ৰ ১৫ পইচাহে গাওঁবোৰত গৈ পাইছিলগৈ। আঁচনিসমূহৰ ৰূপায়ণেই হওক বা নিৰীক্ষণেই হওক, প্ৰযুক্তিয়ে গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ আঁৰত চালিকা শক্তি হিচাপে কাম কৰিছে। যি সময়ত 'আয়কৰ-সন্মুখীনতাবিহীন মূল্যায়ন'ৰ দৰে সুবিধাবোৰে বৈপ্লৱিক পৰিৱৰ্তন আনিছে, সেই সময়ত 'ই-অফিচ'ৰ দৰে পদক্ষেপসমূহে প্ৰশাসনৰ গতি ত্বৰান্বিত কৰিছে। গাঁওবোৰত পোষ্টেল বেংকৰ প্ৰতিষ্ঠা আৰু বিদ্যালয়সমূহত 'অটল ইনোভেশ্বন মিছন'ৰ আৰম্ভণিয়ে উদ্ভাৱনৰ এক নতুন সংস্কৃতিৰ সূচনা কৰিছে। এসময়ত ভাৰতত কেৱল চাকৰি বিচৰাৰ মানসিকতাহে প্ৰচলিত আছিল; কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে এই দৃষ্টিভংগীৰ সলনি কৰি চাকৰি সৃষ্টিৰ এক সংস্কৃতি গঢ়ি তুলিছে। ষ্টাৰ্ট-আপ আৰু মুদ্ৰা আঁচনিৰ জৰিয়তে লাভ কৰা সহযোগিতাৰে শক্তিশালী হৈ আজিৰ যুৱপ্ৰজন্মই সফলতাৰ এক নতুন উচ্চতা স্পৰ্শ কৰিছে। পূৰ্বতে, ভাৰতত মাত্ৰ কেইজনমান নিৰ্বাচিত ব্যক্তিয়েহে 'ষ্টাৰ্ট-আপ' শব্দটো বুজি পাইছিল; কিন্তু আজি গাঁৱৰ যুৱক-যুৱতীসকলেও ইয়াৰ গুৰুত্ব বুজি পায় আৰু সক্ৰিয়ভাৱে 'ইউনিকৰ্ণ' গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছে। ভাৰত এতিয়া বিশ্বৰ তৃতীয় বৃহত্তম ষ্টাৰ্ট-আপ পৰিস্থিতিতন্ত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

### বিশ্ব নেতৃত্বৰ বাবে এক শুভ সুযোগ

বিগত ১২ বছৰত ভাৰতৰ মৰ্যাদা আভ্যন্তৰীণ আৰু গোলকীয়-উভয় ক্ষেত্ৰতে বৃদ্ধি পাইছে আৰু ই এক বিশ্বাসযোগ্য অগ্ৰণী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে। উন্নয়নশীল দেশসমূহৰ বাবে এক শক্তিশালী কণ্ঠস্বৰ হিচাপে ভাৰতৰ উত্থান ঘটিছে, লাগিলে সেয়া ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ সংকটৰ সময়তেই হওক (যাৰ এক উৎকৃষ্ট উদাহৰণ হৈছে 'অপাৰেচন গংগা') বা গ্লাছগোৰ 'কপ-২৬' সন্মিলন আৰু শাৰ্ম আল-শ্বেখৰ 'কপ-২৭' সন্মিলনেই হওক-এই সকলোবোৰেই ইয়াৰ এক উপযুক্ত প্ৰমাণ; প্ৰকৃততে, ৰাষ্ট্ৰসংঘ, বিমষ্টেক আৰু জি-২০ৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চসমূহত বিশ্বই ভাৰতক বিশ্বাস কৰে। জি-২০ৰ অধ্যক্ষতাৰ দায়িত্বত থকাৰ সময়ত ভাৰতে বিশ্বৰ বাবে এক নতুন পথৰ সূচনা কৰিছিল, যাৰ দ্বাৰা গোলকীয় সমূদায়ে কেৱল ভাৰতৰ চহকী সংস্কৃতিৰেই নহয়, বৰং ইয়াৰ অপৰিসীম ক্ষমতাৰো এক গভীৰ উপলব্ধি লাভ কৰিছিল। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত, 'মিছন লাইফ' আৰু 'আন্তঃৰাষ্ট্ৰীয় সৌৰ মৈত্ৰী'ৰ দৰে পদক্ষেপসমূহে প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ সৈতে সম্প্ৰীতি বজাই ৰাখিবলৈ বিশ্বৰ বাবে এক পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে। 'বসুধৈৱ কুটুম্বকম্'ৰ ভাৱধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ সংকটৰ সময়ত প্ৰতিৱেশী আৰু বিশ্বৰ অন্যান্য দেশসমূহলৈ সহায়ৰ হাত আগবঢ়োৱাত ভাৰত সদায়েই অগ্ৰণী দেশসমূহৰ অন্যতম হৈ আহিছে, ঠিক যেনেকৈ ক'ভিড-১৯ মহামাৰীৰ সময়ত দেশখন ঔষধ-পাতিৰ এক গোলকীয় কেন্দ্ৰবিন্দু হৈ পৰিছিল। বিগত ১২ বছৰত ভাৰতে বিশ্ব মঞ্চত নিজকে এক নিৰ্ভৰযোগ্য অংশীদাৰ হিচাপে সফলতাৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। একে সময়তে, দেশৰ ভিতৰতো সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখন সামৰি এক এনে পৰিৱেশ গঢ়ি তোলা হৈছে, য'ত সাধাৰণ নাগৰিক কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ সক্ৰিয় অংশগ্ৰহণকাৰী হৈ পৰিছে আৰু এইদৰে দেশৰ উন্নয়নৰ যাত্ৰাত এজন প্ৰকৃত অংশীদাৰ হৈ উঠিছে।

নিঃসন্দেহে, এক দূৰদৰ্শী নেতা তথা সাহসী আৰু পৰিৱৰ্তনকামী সংস্কাৰৰ অগ্ৰদূত হিচাপে আত্মপ্ৰকাশ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী 'এক নতুন আত্মবিশ্বাসেৰে নতুন আৰম্ভণি'ৰ প্ৰতীক হৈ পৰিছে। এখন সুৰক্ষিত, সমৃদ্ধিশালী আৰু প্ৰগতিশীল ভাৰত গঢ় দিয়াৰ এই পদক্ষেপে 'নয়া ভাৰত, বিকশিত ভাৰত'ৰ দৃষ্টিভংগীক মূৰ্ত কৰি তুলিছে। আজি প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে যোৱা ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সংকল্পসমূহ বাস্তৱায়িত হোৱাটো প্ৰত্যক্ষ কৰিছে।

*আহক, এতিয়া আমি পৰৱৰ্তী পাঁচটা খণ্ডৰ জৰিয়তে 'সংকল্পৰ পৰা সিদ্ধি'ৰ এই ১২ বছৰীয়া যাত্ৰাৰ সাফল্যসমূহ পৰ্যালোচনা কৰোঁ...*




প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ

# লোক সেৱাৰ প্ৰতি উৎসৰ্গিত

“যিসকলে মোক জানে, তেওঁলোকে মোক বুজিও পায়। মই ইয়াত নিজৰ বাবে বা নিজৰ আত্মীয়-স্বজনৰ বাবে অহা নাই। মই ইয়াত দৰিদ্ৰ জনসাধাৰণৰ বাবেহে আছোঁ। মই দৰিদ্ৰতাৰ মাজত জন্মগ্ৰহণ কৰিছোঁ আৰু ইয়াৰ মাজেদিয়েই জীৱন অতিবাহিত কৰিছোঁ। মই দৰিদ্ৰ লোকসকলৰ বেদনা বুজি পাওঁ।” প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই শব্দবোৰ কেৱল মাত্ৰ এক অভিব্যক্তি নহয়; বৰং এয়া এগৰাকী অত্যন্ত সহানুভূতিশীল ব্যক্তিৰ হৃদয়ৰ পৰা নিৰ্গত হোৱা কণ্ঠস্বৰ, যিগৰাকী ব্যক্তিয়ে দেশৰ দলিত, দৰিদ্ৰ, জনজাতি আৰু অনগ্ৰসৰ শ্ৰেণীৰ প্ৰতি অপৰিসীম সংবেদনশীলতা পোষণ কৰে। তেওঁৰ বাবে প্ৰতিটো সিদ্ধান্ততে ‘অন্ত্যোদয়া’ আৰু দৰিদ্ৰ লোকসকলৰ কল্যাণক অগ্ৰাধিকাৰ দিয়াটো তেওঁৰ ব্যক্তিত্বৰ এক চিৰন্তন বৈশিষ্ট্য হৈ পৰিছে। প্ৰতিটো ৰাষ্ট্ৰীয় চিন্তাধাৰা আৰু প্ৰকৃততে সমগ্ৰ ভাৰতৰে সংস্কৃতি আৰু নীতি-আদৰ্শ, সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ ওপৰত প্ৰতিষ্ঠিত ‘বিকশিত ভাৰত’ৰ সোণালী সপোনৰ বাবে উৎসৰ্গিত। এই বিশেষ দৃষ্টিভংগীয়েই দেশৰ কৃষক, গ্ৰাম্য দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে এক সুৰক্ষা কৱচ গঢ়ি তুলিছে। ‘প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা’ (পি এম-জে এ ৱাই)ৰ জৰিয়তে সৰ্বসাধাৰণ জনতালৈ স্বাস্থ্য সুৰক্ষা সম্প্ৰসাৰিত কৰা হৈছে। বিগত ১২ বছৰত দৰিদ্ৰ, কৃষক আৰু মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাংক্ষাক এক নতুন ডেউকা প্ৰদান কৰা হৈছে; সমাৱেশী উন্নয়নৰ জৰিয়তে সামগ্ৰিক সুৰক্ষাৰ এক চক্ৰ সৃষ্টি কৰি আৰু প্ৰতিগৰাকী নাগৰিকক নিৰাপত্তাৰ এনাজৰীৰে বান্ধি এখন ‘আত্মনিৰ্ভৰ ভাৰত’ গঢ়ি তোলাৰ দিশত এক নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰা হৈছে।

# দৰিদ্ৰ লোকসকলৰ কল্যাণৰ পৰা মৰ্যাদাপূৰ্ণ জীৱনলৈ

আজি যেতিয়াই ভাৰতত চৰকাৰৰ সাফল্যসমূহৰ বিষয়ে আলোচনা কৰা হয়, তেতিয়াই দৰিদ্ৰ কল্যাণৰ বিষয়টি সৰ্বোপৰি হৈ পৰে। যোৱা ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰ কল্যাণক ইয়াৰ প্ৰাথমিক লক্ষ্য হিচাপে লৈছে, যিটো দৃষ্টিভংগী তুষ্টিকৰণৰ ওপৰত নহয়, বৰং প্ৰকৃত প্ৰাপ্তি আৰু পূৰণৰ ওপৰত প্ৰতিষ্ঠিত। এই প্ৰেক্ষাপটত, 'প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা'ই দেশৰ এক বৃহৎ জনসংখ্যাৰ বাবে আন এক সুৰক্ষা কৱচ হিচাপে কাম কৰিছে। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্ত কৰা 'গৰীব কল্যাণ'ৰ সংকল্পসমূহ বাস্তৱায়িত কৰিবলৈ ৰূপায়ণ কৰা অসংখ্য আঁচনিয়ে গাঁৱৰ মানুহ আৰু বঞ্চিত শ্ৰেণীৰ জীৱনলৈ এক ৰূপান্তৰশীল পৰিৱৰ্তন আনিছে। নিৰ্ভৰযোগ্য গোলকীয় প্ৰতিবেদনসমূহে সূচাইছে যে ভাৰতত দৰিদ্ৰতা দ্ৰুতগতিত হ্ৰাস পাইছে; ইয়াৰ কাৰণ হ'ল, শীৰ্ষ নেতৃত্বই গ্ৰহণ কৰা প্ৰতিটো সিদ্ধান্ততে 'অন্ত্যোদয়া'ৰ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ দৰিদ্ৰ জনসাধাৰণৰ কল্যাণ আৰু সবলীকৰণ তেওঁলোকৰ এক চিৰস্থায়ী মানসিকতালৈ ৰূপান্তৰিত হৈছে।

## প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা



**৮১** কোটি লোকে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত বিনামূলীয়া ৰেচন লাভ কৰিছে।

১ জানুৱাৰী, ২০২৪ৰ পৰা প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা পৰৱৰ্তী **৫** বছৰৰ বাবে সম্প্ৰসাৰণ কৰা হৈছে।

- ২০২৪ চনৰ মাৰ্চ মাহৰ ভিতৰত পুষ্টিবৰ্ধক চাউল যোগানৰ প্ৰক্ৰিয়া সফলতাৰে ৰূপায়ণ কৰাৰ লগতে সাধাৰণ চাউলৰ পৰিৱৰ্তে এই পুষ্টিবৰ্ধক চাউল যোগান ধৰা হয়।
- ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত সমগ্ৰ দেশজুৰি ৰেচন কাৰ্ডৰ ১০০% ডিজিটেলাইজেচন সম্ভৱ হৈ উঠিছে।
- সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ হিতাধিকাৰীসকলৰ বাবে 'এক দেশ, এক ৰেচন কাৰ্ড' আঁচনি ৰূপায়ণ কৰা হৈছে। ২০২৬ চনৰ মাৰ্চ মাহলৈকে এই ব্যৱস্থাৰ জৰিয়তে ২০৭ কোটিতকৈও অধিক প'ৰ্টেবিলিটি লেনদেন সম্পন্ন হৈছে।

## প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত

**২৫** কোটি নাগৰিকে দৰিদ্ৰতা অতিক্ৰম কৰি ইয়াৰ পৰা মুক্ত হ'বলৈ সক্ষম হৈছে। তেওঁৰ তৃতীয়টো কাৰ্যকালত দৰিদ্ৰ লোকসকলক সবলীকৰণ কৰাৰ অভিযান অধিক গতিশীলতাৰে আগবাঢ়িছে।

**১৯%** ২০১৫ চনত দেশত সামাজিক সুৰক্ষাৰ পৰিসৰ আছিল, যাৰ হাৰ ২০২৫ চনত ৬৪.৩%-লৈ বৃদ্ধি পায়। বৰ্তমান ৯৪ কোটিতকৈও অধিক লোকে অন্ততঃ এখন হ'লেও সামাজিক সুৰক্ষা আঁচনিৰ সুবিধা লাভ কৰিছে।

স্বচ্ছ ভাৰত অভিযানৰ অধীনত **১২** কোটি শৌচাগাৰ নিৰ্মাণ কৰা হৈছে, যাৰ ফলত দেশখন মুকলিত মলত্যাগ মুক্ত (অ' ডি এফ) হৈ পৰিছে। ই জনস্বাস্থ্য আৰু অনাময় ব্যৱস্থাৰ ক্ষেত্ৰত এক উল্লেখনীয় অগ্ৰগতিৰ সূচনা কৰিছে।





## আৰ্থিক সুৰক্ষা

২০২৬ চনৰ ১৫ এপ্ৰিললৈকে **৫৮.১২** কোটি প্ৰধানমন্ত্ৰী জন ধন যোজনা (পি এম জে ডি ৱাই)ৰ একাউণ্ট খোলা হৈছে। এই একাউণ্টসমূহত বৰ্তমান জমা হৈ থকা মুঠ ধনৰ পৰিমাণ প্ৰায় ২.৯৪ লাখ কোটি টকা।




জন ধন একাউণ্টসমূহৰ ভিতৰত **৩২.২১** কোটি (৫৫.৮%) একাউণ্ট মহিলাৰ নামত আছে আৰু প্ৰায় ৪৫.১৭ কোটি (৭৮.২%) পি এম জে ডি ৱাই একাউণ্ট গ্ৰাম্য তথা অৰ্ধ-চহৰীয় অঞ্চলসমূহত খোলা হৈছে।



প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা (পি এম জে জে বি ৱাই)ৰ অধীনত যিকোনো কাৰণত মৃত্যু হ'লে **২ লাখ** টকাৰ জীৱন বীমা প্ৰদান কৰা হয় আৰু বৰ্তমানলৈকে এই আঁচনিত ২৭.৩৩ কোটিতকৈও অধিক লোকৰ নাম পঞ্জীয়ন হৈছে।

- প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা (পি এম এছ বি ৱাই)ৰ অধীনত দুৰ্ঘটনাজনিত মৃত্যু বা সম্পূৰ্ণ স্থায়ী অক্ষমতাৰ ক্ষেত্ৰত ২,০০,০০০ টকা আৰু আংশিক অক্ষমতাৰ ক্ষেত্ৰত ১,০০,০০০ টকাৰ বীমা সুৰক্ষা প্ৰদান কৰা হয়। এই আঁচনিত বৰ্তমানলৈকে ৫৭.৯২ কোটি লোকৰ নাম পঞ্জীয়ন কৰা হৈছে।



যোগ্য হিতাধিকাৰীসকলক মাহেকীয়া পেঞ্চন প্ৰদানৰ উদ্দেশ্যে ৰূপায়ণ কৰা অটল পেঞ্চন যোজনা (এ পি ৱাই)ৰ অধীনত **৯ নিযুত** (৯০ লাখ) তকৈও অধিক নাম পঞ্জীয়ন কৰা হৈছে।

- ষ্টেণ্ড-আপ ইণ্ডিয়া আঁচনিৰ অধীনত অনুসূচিত জাতি (এছ চি), অনুসূচিত জনজাতি (এছ টি) আৰু মহিলা উদ্যমীসকলক উৎপাদন, বাণিজ্য, সেৱা আৰু কৃষি-আনুষংগিক খণ্ডত গ্ৰীণফিল্ড প্ৰকল্প স্থাপনৰ বাবে ৬২,৭৯০ কোটি টকা মূল্যৰ ২৭৫,০০০টা ঋণ মঞ্জুৰ কৰা হৈছে।

- এক শক্তিশালী বিত্তীয় অন্তৰ্ভুক্তিকৰণ মঞ্চ হিচাপে 'জন ধন-আধাৰ-ম'বাইল' (জে এ এম) ত্ৰিমূৰ্তি গঠন কৰা হৈছে, যাৰ জৰিয়তে জন ধন একাউণ্টসমূহক ম'বাইল নম্বৰ আৰু আধাৰ পৰিচয়ৰ সৈতে সংযোগ কৰা হৈছে।

- **প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিঃ-** এই আঁচনিৰ আৰম্ভণিৰ পৰা ২০২৬ চনৰ ১৫ এপ্ৰিললৈকে ৭৪.৯০ কোটি পদপথ ব্যৱসায়িক ঋণ বিতৰণ কৰা হৈছে।

## জল জীৱন মিছন

**১২৬.১** নিযুত গ্ৰাম্য পৰিয়ালক ২০২৬ চনৰ ১৩ মে' পৰ্যন্ত অতিৰিক্ত টেপৰ পানীৰ সংযোগ প্ৰদান কৰা হৈছে।

২০১৯ চনত এই মিছন আৰম্ভ হোৱাৰ সময়ত মাত্ৰ ৩২.৩ নিযুত (অৰ্থাৎ ১৬.৭%) গ্ৰাম্য পৰিয়ালৰহে টেপৰ পানীৰ সংযোগ আছিল।

**১৫.৮৫** কোটি পৰিয়ালে ২০২৬ চনৰ ১৩ মে'ৰ তথ্য অনুসৰি দেশৰ মুঠ ১৯.৩৬ কোটি গ্ৰাম্য পৰিয়ালৰ ভিতৰত নিজৰ ঘৰত টেপৰ পানীৰ সংযোগ লাভ কৰিছে।

- ২০২৬ চনৰ ১০ মাৰ্চত কেন্দ্ৰীয় কেবিনেটে জল জীৱন মিছন (জে জে এম)ৰ ম্যাদ ২০২৮ চনৰ ডিচেম্বৰ মাহলৈ বৃদ্ধি কৰাৰ ক্ষেত্ৰত অনুমোদন জনায়।



> "মই পৰিশ্ৰম কৰি কেতিয়াও ভাগৰি নপৰোঁ; বৰঞ্চ মোৰ প্ৰচেষ্টাই দৰিদ্ৰ লোকসকলৰ মুখলৈ অনা হাঁহিয়ে মোক এক গভীৰ সন্তুষ্টিৰে ভৰাই তোলে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

# কৃষক কল্যাণ: এক নতুন যুগৰ সূচনা

*ভাৰতৰ 'অন্নদাতা', যিসকল দশক ধৰি অৱহেলিত হৈ আছিল, তেওঁলোক এতিয়া ভাৰতৰ উন্নয়ন যাত্ৰাৰ এক অবিচ্ছেদ্য অংশীদাৰ হৈ পৰিছে। কৃষকসকলৰ প্ৰতি থকা মনোভাৱৰ এই পৰিৱৰ্তনৰেই প্ৰমাণ যে কৃষি মন্ত্ৰালয়ক এতিয়া 'কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়' বুলি পুনৰ নামকৰণ কৰা হৈছে। এই দৃষ্টিভংগীৰে পৰিচালিত হৈ বিগত ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে কৃষকসকলৰ প্ৰতিটো প্ৰয়োজনীয়তা খেতিৰ পূৰ্ববৰ্তী, খেতিৰ সময়ছোৱা আৰু খেতিৰ পৰৱৰ্তী পৰ্যায় সামৰি ব্যাপকভাৱে সমাধান কৰিছে; ই এক সংগঠিত প্ৰচেষ্টা যিয়ে ভাৰতৰ কৃষকসকলক এক নতুন দিশ প্ৰদান কৰিছে...*

## খাদ্য শস্য উৎপাদনৰ অভূতপূৰ্ব বৃদ্ধি

**৩৫৭.৭৩** নিযুত মেট্ৰিক টনতকৈও অধিক খাদ্য শস্য ২০২৪-২০২৫ কৃষি বৰ্ষত ভাৰতে উৎপাদন কৰিবলৈ সক্ষম হৈছে।

**১৫০** নিযুত টন উৎপাদন পৰিমাণৰ সৈতে ভাৰত বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ চাউল উৎপাদনকাৰী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে।



- আমাৰ দেশ মীন উৎপাদনৰ ক্ষেত্ৰতো বিশ্বৰ দ্বিতীয় বৃহত্তম দেশ হৈ পৰিছে। এই সাফল্যই 'নীল অৰ্থনীতি' খণ্ডত দেশৰ সফলতাৰ কথাকে প্ৰতিপন্ন কৰে।



- গাখীৰ উৎপাদনৰ ক্ষেত্ৰতো ভাৰত বিশ্বৰ অন্যতম সফল দেশ হিচাপে স্বীকৃতি লাভ কৰিছে। এই সফলতা সমবায় আন্দোলনৰ শক্তিৰ এক প্ৰত্যক্ষ ফলাফল।



## প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি

এই আঁচনিৰ অধীনত কৃষকসকলৰ আধাৰ সংযোগীকৃত বেংক একাউণ্টত প্ৰত্যক্ষ লাভ হস্তান্তৰ (ডি বি টি)ৰ জৰিয়তে তিনিটা সমান কিস্তিত বছৰি ৬,০০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই আঁচনি আৰম্ভ হোৱাৰ পৰা বৰ্তমানলৈকে ২২টা কিস্তিত ৪.২৭ লাখ কোটিতকৈও অধিক টকা বিতৰণ কৰা হৈছে।



## এমএছপি বৃদ্ধি প্ৰক্ৰিয়া অব্যাহত ৰাখিছে চৰকাৰে

- ২০১৮-১৯ বৰ্ষৰ পৰা চৰকাৰে সকলো শস্যৰ বাবে ন্যূনতম সমৰ্থন মূল্য (এম এছ পি) বৃদ্ধি কৰি আহিছে। এই মূল্য কৃষকৰ উৎপাদন খৰচৰ অন্ততঃ ১.৫ গুণ বেছিকৈ নিৰ্ধাৰণ কৰা হয়, যাৰ ফলত কৃষকসকলে তেওঁলোকৰ উৎপাদন খৰচৰ ওপৰত অন্ততঃ ৫০% লাভ অৰ্জন কৰাটো নিশ্চিত হয়।

## কৃষি উন্নয়নৰ বাবে পুঁজি

২০২৬-২৭ বৰ্ষত কৃষি খণ্ডৰ বাবে বাজেটত ১,৩২,৫৬১ কোটি টকা আবণ্টন দিয়া হৈছে। ইয়াৰে প্ৰায় ৯,৯৬৭ কোটি টকা কৃষি-শিক্ষা আৰু গৱেষণাৰ বাবে আবণ্টন কৰা হৈছে। এই পদক্ষেপে কৃষি উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ সংকল্পক পুনৰ প্ৰমাণিত কৰিছে।

## প্ৰধানমন্ত্ৰী কিষাণ মানধন যোজনা

এই যোজনাৰ অধীনত পঞ্জীয়ন কৰা **৬০** বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিসকলক মাহিলী ৩,০০০ টকাকৈ পেঞ্চন প্ৰদান কৰা হ'ব। এই আঁচনিত পঞ্জীয়ন কৰাৰ বয়স অনুসৰি মাহিলী বৰঙনিৰ পৰিমাণ ৫৫ টকাৰ পৰা ২০০ টকা পৰ্যন্ত হ'ব।

২০২৬ চনৰ ৬ ফেব্ৰুৱাৰী পৰ্যন্ত প্ৰধানমন্ত্ৰী কিষাণ মানধন যোজনাৰ অধীনত **২৪.৯৬** কোটি কৃষক পঞ্জীয়নভুক্ত হৈছে।



"

বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে কৃষকৰ খৰচ হ্ৰাস কৰিবলৈ আৰু তেওঁলোকৰ ব্যয়ৰ বোজা ভগাই ল'বলৈ সম্পূৰ্ণ আন্তৰিকতাৰে কাম কৰি আছে। 'প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি' হৈছে বিশ্বৰ সৰ্ববৃহৎ আঁচনি, যাৰ অধীনত আৰ্থিক সাহায্য পোনপটীয়াকৈ কৃষকসকলৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হয়।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## ৰেহাই মূল্যত সাৰ লাভ কৰি থাকিব কৃষকসকলে

ক'ভিড-১৯ মহামাৰী আৰু তাৰ পৰৱৰ্তী সময়ৰ যুদ্ধ-বিগ্ৰহৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰত সাৰৰ দাম কেইবা গুণো বৃদ্ধি পাইছিল। বিদেশৰ বজাৰৰ পৰা সাৰ সংগ্ৰহ কৰাটোও অত্যন্ত কঠিন হৈ পৰিছিল; তথাপিও কেন্দ্ৰীয় চৰকাৰে এই সংকট দূৰ কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিছিল।

আন্তঃৰাষ্ট্ৰীয় বজাৰত **৩,০০০** টকা মূল্যৰ ইউৰিয়াৰ বেগ কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক ৩০০ টকাতকৈও কম মূল্যত যোগান ধৰি আহিছে।



- কৃষকসকলৰ ওপৰত যাতে কোনো আৰ্থিক বোজা নপৰে, তাৰ বাবে চৰকাৰে নিজৰ ৰাজভঁৰালৰ পৰা এই পদক্ষেপত ১২ লাখ কোটিতকৈও অধিক টকা ব্যয় কৰিছে।
- বিগত ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে দেশৰ কৃষকসকলৰ চৌপাশে এক শক্তিশালী সুৰক্ষা কৱচ গঢ়ি তুলিছে। এম এছ পি, সুলভ ঋণ, শস্য বীমা আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ দৰে আঁচনিয়ে কৃষক সমাজৰ বাবে এক বৃহৎ সহায়ক স্তম্ভ হিচাপে কাম কৰি আহিছে।
- কৃষিক আধুনিক প্ৰযুক্তিৰ সৈতে একত্ৰিত কৰা, কৃষকসকলক অভিনৱ জলসিঞ্চন পদ্ধতিৰ সৈতে সংযোগ কৰা আৰু তেওঁলোকৰ শস্যৰ উচিত লাভ নিশ্চিত কৰাৰ উদ্দেশ্যে চৰকাৰে 'প্ৰতি টোপালত অধিক শস্য' নীতি প্ৰণয়ন কৰিছিল। এই পদক্ষেপৰ জৰিয়তে ড্ৰিপ আৰু স্প্ৰিংকলাৰ পদ্ধতিৰ দৰে ক্ষুদ্ৰ জলসিঞ্চন প্ৰযুক্তিসমূহ কৃষকসকলৰ বাবে সুলভ কৰি তোলা হয়।
- কেন্দ্ৰীয় চৰকাৰে 'কুসুম আঁচনি' মুকলি কৰিছে। আজি বৃহৎ সংখ্যক কৃষকে কেৱল জলসিঞ্চনৰ বাবে সৌৰ পাম্প ব্যৱহাৰ কৰাই নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে বিদ্যুৎ উৎপাদন কৰি অতিৰিক্ত আয়ও উপাৰ্জন কৰিবলৈ সক্ষম হৈছে।



# মধ্যবিত্তৰ আশা-আকাংক্ষাক নতুন ডেউকা প্ৰদান

*এক দ্ৰুত পৰিৱৰ্তনশীল ভাৰতত, সেয়া উন্নয়ন বা প্ৰশাসনৰ ক্ষেত্ৰতেই হওক, অথবা সাহস বা সংকল্পৰ ক্ষমতাৰ ক্ষেত্ৰতেই হওক, মধ্যবিত্ত শ্ৰেণীটো জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে এক প্ৰধান শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে। দেশৰ জনসংখ্যাৰ এক-তৃতীয়াংশৰে গঠিত এই মধ্যবিত্ত শ্ৰেণীটোৱে এক সমৃদ্ধিশালী আৰু উন্নত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত এক অপৰিসীম শক্তি বহন কৰে, যিটো শ্ৰেণীৰ আশা-আকাংক্ষাক বিগত ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে নতুন উৰণ প্ৰদান কৰিছে।*

## আয়কৰ ৰেহাই

নতুন কৰ ব্যৱস্থাৰ অধীনত **১২** লাখ টকা পৰ্যন্ত বাৰ্ষিক আয়ৰ ওপৰত কোনো আয়কৰ দিব নালাগে।

**৭৫,০০০** টকাৰ মানক কৰ্তন কৰাৰ লগতে দৰমহা পোৱা কৰদাতাসকলৰ বাবে ফলপ্ৰসূ কৰ ৰেহাইৰ সৰ্বোচ্চ সীমা ১২.৭৫ লাখ টকা কৰা হৈছে।



- সকলো কৰদাতাক উপকৃত কৰাৰ উদ্দেশ্যে ২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটত আয়কৰৰ শ্লেব আৰু হাৰৰ ব্যাপক সংশোধন কৰা হৈছে।
- শ্লেবৰ হাৰ হ্ৰাস আৰু ৰেহাইৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীক বুজন পৰিমাণৰ কৰ ৰেহাই দিয়া হৈছে, যাৰ ফলত ঘৰুৱা ব্যৱহাৰৰ খৰচ আৰু বিনিয়োগ বৃদ্ধি পাইছে।
- আয়কৰ ৰিটাৰ্ণ দাখিল কৰা লোকৰ সংখ্যা ২০২২ বিত্তীয় বৰ্ষৰ ৬.৯ কোটিৰ পৰা বৃদ্ধি পাই ২০২৫ বিত্তীয় বৰ্ষত ৯.২ কোটি হৈছে।

## উড়ান আঁচনি



**১.৬৪** কোটিতকৈও অধিক নাগৰিকে ৩.৪৫ লাখ বিমান সেৱাৰ জৰিয়তে উড়ান আঁচনিৰ সুবিধা গ্ৰহণ কৰিছে।

চৰকাৰে এই আঁচনিখন অধিক সম্প্ৰসাৰিত কৰিছে। এই উদ্দেশ্যে প্ৰায় ২৯,০০০ কোটি টকাৰ আবণ্টন মঞ্জুৰ কৰা হৈছে।

৬৬৫টা বিমান পথৰ জৰিয়তে **৯৫**টা বিমান বন্দৰ, হেলিপোৰ্ট আৰু ৱাটাৰ এৰোড্ৰম সংযোগ কৰা হৈছে।

- অনাগত বছৰবোৰত এই আঁচনিৰ অধীনত সৰু সৰু চহৰসমূহত ১০০টা নতুন বিমান বন্দৰ আৰু ২০০টা নতুন হেলিপেড নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে।
- ২০১৪ চনৰ পূৰ্বে দেশত মাত্ৰ ৭৪টা বিমান বন্দৰ আছিল। আজি সমগ্ৰ দেশতে ১৬০টাৰো অধিক বিমান বন্দৰ আছে।

## বন্দে ভাৰত সেৱা

বন্দে ভাৰত সেৱা আৰম্ভ হোৱাৰ পৰা ২০২৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত ১ লাখ যাত্ৰাৰ জৰিয়তে **৯.১** কোটি যাত্ৰীয়ে ভ্ৰমণ কৰিছে।


**১৬২** খন বন্দে ভাৰত সেৱা বৰ্তমানলৈকে আৰম্ভ কৰা হৈছে, যাৰ ফলত কেইবাটাও ক'ৰিডৰত ভ্ৰমণৰ সময় ৪৫ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে।

- **৯০** খন ৰে'লৰ সেৱা ৮টা ডবাৰ সৈতে চলি আছে।
- **৩৮** খন ৰে'লৰ সেৱা ২০টা ডবাৰ সৈতে চলি আছে।
- **৩৪** খন ৰে'লৰ সেৱা ১৬টা ডবাৰ সৈতে চলি আছে।

দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সেৱাত উচৰ্গিত ভাৰতীয় ৰে'লৱেই ১০০ শতাংশ বিদ্যুতিকীকৰণৰ লক্ষ্যত উপনীত হ'বলৈ দ্ৰুতগতিত অগ্ৰসৰ হৈছে।



## উমংগ এপ: এক প্লেটফৰ্ম, ভিন্ন সেৱা




**১১.০২** কোটি লোকে উমংগ এপত পঞ্জীয়ন কৰিছে।

**৭৬৬.৩৫** কোটি লেনদেন ইয়াৰ জৰিয়তে সম্পন্ন হৈছে।

**২,৫১৭** টা সেৱা এই প্লেটফৰ্মত অন্তৰ্ভুক্ত কৰা হৈছে।

২০১৭ চনত মুকলি কৰা এই এপটোৱে মধ্যবিত্ত শ্ৰেণীৰ বাবে দীঘলীয়া শাৰীৰ অৱসান ঘটাই ৰাজহুৱা সেৱাসমূহৰ ওপৰত অধিক নিয়ন্ত্ৰণ আৰু ক্ষিপ্ৰ প্ৰৱেশাধিকাৰ নিশ্চিত কৰিছে।

## ডিজিল'কাৰ

DigiLocker

**৬৩.৮৮** কোটিতকৈও অধিক পঞ্জীয়নভুক্ত ব্যৱহাৰকাৰী আছে।

**৯৫০** কোটিতকৈও অধিক নথিপত্ৰ জাৰি কৰা হৈছে।

## ম'বাইল ডাটাৰ খৰচ হ্ৰাস

২০১৪ চনৰ তুলনাত ২০২৫-২৬ বৰ্ষত ম'বাইল ডাটাৰ খৰচ **৯৭%** হ্ৰাস পাইছে।

## ৰিয়েল ইষ্টেট নিয়ন্ত্ৰণ

- গৃহ ক্ৰেতাসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আৰু গৃহ নিৰ্মাণ খণ্ডত স্বচ্ছতা আনিবলৈ সংসদে ২০১৬ চনত 'ৰিয়েল ইষ্টেট (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইন' গৃহীত কৰে।
- ৰেৰাই এতিয়ালৈকে ১.৫৭ লাখ গোচৰ নিষ্পত্তি কৰিছে; ৩৫খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৰেৰা কৰ্তৃপক্ষ সক্ৰিয় হৈ আছে।
- সমগ্ৰ দেশজুৰি ১.৬১ লাখতকৈও অধিক ৰিয়েল ইষ্টেট প্ৰকল্প আৰু ১.১৩লাখ ৰিয়েল ইষ্টেট এজেণ্ট ৰেৰাৰ অধীনত পঞ্জীয়নভুক্ত হৈছে।



## প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰ)

২০১৫ চনৰ ২৫ জুনৰ পৰা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে 'প্ৰধানমন্ত্ৰী আৱাস যোজনা-চহৰ' (পি এম এ ৱাই-ইউ)ৰ অধীনত কেন্দ্ৰীয় সাহায্য প্ৰদান কৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰচেষ্টাক সমৰ্থন কৰি আহিছে। এই পদক্ষেপৰ উদ্দেশ্য হৈছে সমগ্ৰ দেশৰ চহৰাঞ্চলৰ হিতাধিকাৰীসকলৰ মাজৰ যোগ্য যুৱক-যুৱতী আৰু কৰ্মৰত পেচাদাৰীসকলক মৌলিক নাগৰিক সুবিধাযুক্ত পকী ঘৰ প্ৰদান কৰা।




এতিয়ালৈকে সমগ্ৰ দেশত মুঠ **১২৫.১৫** লাখ ঘৰ মঞ্জুৰ কৰা হৈছে, যাৰ ভিতৰত 'পি এম এ ৱাই-ইউ ২.০ৰ অধীনত মঞ্জুৰ কৰা ১৩.৬৭ লাখ ঘৰো অন্তৰ্ভুক্ত আছে।

মঞ্জুৰিপ্ৰাপ্ত ঘৰসমূহৰ ভিতৰত ১১৬.৫৭ লাখ ঘৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে; ইয়াৰে ৯৭.৩০ লাখ ঘৰ ২০২৬ চনৰ ২ মাৰ্চ পৰ্যন্ত হিতাধিকাৰীসকলক হস্তান্তৰ কৰা হৈছে।

## ডাকঘৰ পাছপ'ৰ্ট সেৱা কেন্দ্ৰ

**৪৫২** টা ডাকঘৰ পাছপ'ৰ্ট সেৱা কেন্দ্ৰ ২৩টা চাৰ্কেলৰ অধীনত সমগ্ৰ দেশত কাৰ্যক্ষম হৈ আছে।




## পি এম-সূৰ্য ঘৰ বিনামুলীয়া বিজুলী যোজনা

**৩৬.৮৮**

লাখ পৰিয়ালে ২০২৬ চনৰ ৩০ এপ্ৰিল পৰ্যন্ত 'পিএম-সূৰ্য ঘৰ বিনামুলীয়া বিজুলী যোজনা'ৰ অধীনত সৌৰ শক্তি প্ৰণালী স্থাপন কৰিছে।



এই আঁচনিৰ অধীনত **১৯,৪৮০** কোটি টকাৰ ৰাজসাহায্য মুকলি কৰিছে।

আঁচনিখনৰ অধীনত স্থাপিত সৌৰ ক্ষমতা ১০.৭৭ গিগাবাটত উপনীত হৈছে।

## দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি

বিগত ১২ বছৰত দেশৰ অৰ্থনৈতিক ভেটি উল্লেখনীয়ভাৱে শক্তিশালী হৈছে। বিভিন্ন গোলকীয় সংকট স্বত্বেও ভাৰত বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি হিচাপে অক্ষুণ্ণ আছে। ভাৰতে মুদ্ৰাস্ফীতিৰ হাৰ কমাই ৰখাৰ নিজৰ অভিলেখ আৰু অধিক উন্নত কৰিছে। ইয়াৰ প্ৰত্যক্ষ লাভ দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালসমূহে লাভ কৰিছে।

> "যিহেতু মধ্যবিত্ত পৰিয়ালে ৰাষ্ট্ৰলৈ যথেষ্ট অৰিহণা যোগায়, সেয়েহে তেওঁলোকৰ জীৱনৰ মানদণ্ড সম্পৰ্কে তেওঁলোকৰ আকাংক্ষা পূৰণৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলোৱাটো ৰাষ্ট্ৰৰ দায়িত্ব। মই কল্পনা কৰিছো যে ২০৪৭ চনৰ ভিতৰত-যেতিয়া 'উন্নত ভাৰত' ৰ সপোন বাস্তৱায়িত হ'ব - ইয়াৰ এক নিৰ্দিষ্ট বৈশিষ্ট্য হ'ব সাধাৰণ মানুহৰ জীৱনত চৰকাৰী হস্তক্ষেপ হ্ৰাস কৰা।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

# ভাৰত ঃ স্বাস্থ্য আৰু সমৃদ্ধিৰ দিশে

*আপুনি জানেনে যে গড় আয়ুস এবছৰ বৃদ্ধি পালে দেশৰ জি ডি পি ৪ শতাংশ বৃদ্ধি পায়? সেইবাবেই, স্বাধীন ভাৰতৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে ২০১৪ চনৰ পৰা বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে স্বাস্থ্য খণ্ডক কেৱল অগ্ৰাধিকাৰ দিয়াই নহয়, ইয়াক নীতিগত আৰু ৰাজনৈতিক কাৰ্যসূচীৰ একেবাৰে শীৰ্ষত স্থান দিছে। সুলভ স্বাস্থ্যসেৱা প্ৰদানৰ জৰিয়তে এক সুস্থ ভৱিষ্যত নিশ্চিত কৰি ভাৰত চৰকাৰে বিগত ১২ বছৰত উন্নত ফলাফল লাভৰ দিশে উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। আজি ভাৰতে বিশ্বৰ আটাইতকৈ ডাঙৰ স্বাস্থ্যসেৱা কাৰ্যসূচী 'আয়ুষ্মান ভাৰত' পৰিচালনা কৰি আছে।*

## ১২ বছৰত আমূল পৰিৱৰ্তন স্বাস্থ্য শিক্ষা খণ্ডত

**২৩** খনলৈ বৃদ্ধি দেশত থকা এইমছৰ সংখ্যা।

**৩২৩** খন দন্ত চিকিৎসা মহাবিদ্যালয়ৰ লগতে ৯৪২খন আয়ুষ প্ৰতিষ্ঠান

দেশত এম বি বি এছ আসনৰ সংখ্যা **১,২৮,৯৭৫**খন হৈছে, যিটো ২০১৪ চনৰ ৫১,৩৮৪খন আসনৰ তুলনাত এক উল্লেখযোগ্য বৃদ্ধি।

বিগত ১২ বছৰত **১৭২%** হাৰত বৃদ্ধি চিকিৎসা বিজ্ঞানৰ আসনৰ সংখ্যা।

দেশত **৮১৮**খনলৈ বৃদ্ধি এলোপেথিক চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা (যিটো ২০১৪ চনত ৩৮৭খন আছিল)।

দেশত **৮৫,০২০** খনলৈ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰৰ আসনৰ সংখ্যা বৃদ্ধি পাইছে, যিটো ২০১৪ চনত ৩১,১৮৫খন আছিল।



## টিকাকৰণ

নৱজাতক, শিশু আৰু কিশোৰ-কিশোৰীসকলক **১২**টা বিভিন্ন ধৰণৰ ৰোগৰ পৰা সুৰক্ষা দিবলৈ প্ৰতিষেধক প্ৰদান কৰা হয়।

- ২০১৫ চনত আৰম্ভ কৰা 'মিছন ইন্দ্ৰধনুশ' কাৰ্যসূচীৰ উদ্দেশ্য হৈছে যিবোৰ শিশু আৰু গৰ্ভৱতী মহিলাই এতিয়ালৈকে টিকাকৰণৰ সুবিধা পোৱা নাই বা আংশিকভাৱে লাভ কৰিছে, তেওঁলোকক সামৰি লোৱা।
- প্ৰতি বছৰে ২৯ নিযুত গৰ্ভৱতী মহিলা আৰু ২৫.৪ নিযুত নৱজাত শিশুক বিনামূলীয়া টিকাকৰণ প্ৰদান কৰা হয়।
- জৰায়ুৰ কৰ্কট ৰোগৰ (cervical cancer) পৰা সুৰক্ষা প্ৰদান কৰিবলৈ ২০২৬ চনত এইচ পি ভি ভেকচিনৰ শুভাৰম্ভ কৰা হৈছে।
- পূৰ্ণ টিকাকৰণৰ হাৰ ২০১৫ চনত ৬২% আছিল, যিখন ২০২৬ চনৰ জানুৱাৰী মাহলৈকে ৯৮.৪% লৈ বৃদ্ধি পাইছে।
- ক'ভিড-১৯ মহামাৰীৰ সময়ত ভাৰতে ক'ভিড-১৯ ভেকচিনৰ ২০০ কোটিতকৈও অধিক ড'জ প্ৰদান কৰিছিল।



## উন্নত ফলাফল



- ১৯৯০ চনৰ পৰা প্ৰসূতিৰ মৃত্যুৰ হাৰ (এম এম আৰ) ৮৬ শতাংশ হ্ৰাস পাইছে, যিটো সংখ্যা ৪৮ শতাংশৰ বিশ্ব গড় হাৰতকৈ বহু বেছি।
- পাঁচ বছৰৰ অনুৰ্ধ্ব শিশুৰ মৃত্যুৰ হাৰ ৭৮ শতাংশ হ্ৰাস পাইছে, যিটো বিশ্বৰ গড় ৬১ শতাংশতকৈ অধিক।
- নৱজাতকৰ মৃত্যুৰ হাৰ ৭০ শতাংশ হ্ৰাস পাইছে, আনহাতে গোলকীয় স্তৰত এই হ্ৰাসৰ হাৰ হৈছে ৫৪ শতাংশ।
- বিগত দশকত শিশুৰ মৃত্যুৰ হাৰ ৩৭ শতাংশতকৈও অধিক হ্ৰাস পাইছে; ২০১৩ চনত প্ৰতি ১,০০০ জীৱিত শিশু জন্মৰ বিপৰীতে থকা ৪০জন শিশু মৃত্যু হোৱাৰ পৰা ২০২৩ চনত ২৫জনলৈ হ্ৰাস পাইছে।

### প্ৰতিষ্ঠানিক প্ৰসৱ

| | গ্ৰামাঞ্চল | | চহৰাঞ্চল | |
|---|---|---|---|---|
| | ২০১৭-১৮ বৰ্ষত | ২০২৫ বৰ্ষত | ২০১৭-১৮ বৰ্ষত | ২০২৫ বৰ্ষত |
| প্ৰতিষ্ঠানিক প্ৰসৱ | ৯০.৫% | ৯৫.৬% | ৯৬.১% | ৯৭.৮% |

## প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (পি এম-জে এ ৱাই)

- ২০১৮ চনৰ ২৩ ছেপ্টেম্বৰত এই আঁচনি শুভাৰম্ভ কৰা হৈছিল। এইখন বিশ্বৰ সৰ্ববৃহৎ ৰাজহুৱা স্বাস্থ্যসেৱা আঁচনি।
- আৰ্থ-সামাজিকভাৱে অনগ্ৰসৰ পৰিয়াল আৰু ৭০ বছৰৰ ঊৰ্ধৰ সকলো নাগৰিকৰ চিকিৎসাৰ বাবে বছৰি ৫ লাখ টকা পৰ্যন্ত স্বাস্থ্য বীমা প্ৰদান কৰা হয়।

**১২** কোটিতকৈও অধিক লোকে চিকিৎসা লাভ কৰিছে।

**৩৬,০৩৮** খন চিকিৎসালয় এই আঁচনিৰ অধীনত পঞ্জীয়নভুক্ত হৈছে।

**৪৩.৯৩** কোটিতকৈও অধিক আয়ুষ্মান কাৰ্ড জাৰী কৰা হৈছে।




## আয়ুষ্মান আৰোগ্য মন্দিৰ

২০২৬ চনৰ ২৭ ফেব্ৰুৱাৰী পৰ্যন্ত **১,৮৪,২৩৫**টা আয়ুষ্মান আৰোগ্য মন্দিৰ কাৰ্যক্ষম হৈ আছে।

**৪২.৬** কোটিতকৈও অধিক লোকে অনলাইনযোগে চিকিৎসকৰ পৰামৰ্শ লাভ কৰিছে (২০২৫ চনৰ ৩১ ডিচেম্বৰ পৰ্যন্ত)।





## চিকিৎসা পৰ্যটন

- ২০২৫ বৰ্ষত ৫০৭,২৪৪ গৰাকী বিদেশী নাগৰিকে বিশেষভাৱে চিকিৎসাৰ বাবে ভাৰতলৈ আহিছিল।
- ২০৩০ বৰ্ষৰ ভিতৰত চিকিৎসা পৰ্যটনৰ বজাৰখন ১,৬২০ কোটি মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাব বুলি পূৰ্বানুমান কৰা হৈছে।
- ই-মেডিকেল ভিছা আৰু ই-মেডিকেল এটেনডেণ্ট ভিছাৰ সুবিধা ১৭২খন দেশলৈ সম্প্ৰসাৰণ কৰা হৈছে।

### চিকিৎসা পৰ্যটন সূচকাংক ২০২০-২১ অনুসৰি...

- বিশ্বৰ শীৰ্ষ ৪৬টা চিকিৎসা পৰ্যটনস্থলীৰ ভিতৰত ভাৰতৰ স্থান দশম।
- বিশ্বৰ শীৰ্ষ ২০খন ৱেলনেচ পৰ্যটন বজাৰৰ ভিতৰত স্থান দ্বাদশ।
- এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শীৰ্ষ ১০টা স্বাস্থ্যসেৱা স্থানৰ ভিতৰত স্থান পঞ্চম।

## সুলভ আৰু গুণগত মানদণ্ডৰ ঔষধ

'প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধি পৰিয়োজনা' (পি এম বি জে পি)ৰ অধীনত জনঔষধি কেন্দ্ৰসমূহৰ জৰিয়তে **১৯,২০০**বিধ গুণগত মানৰ জেনেৰিক ঔষধ সুলভ মূল্যত উপলব্ধ কৰা হৈছে।

- এই কেন্দ্ৰসমূহত ২,১০০বিধতকৈও অধিক ঔষধ আৰু ৩১৫বিধ চাৰ্জিকেল সামগ্ৰী উপলব্ধ আছে, যিবোৰ বজাৰ মূল্যতকৈ ৫০ৰ পৰা ৯০ শতাংশ কম দৰত বিক্ৰী কৰা হয়।

সুলভ মূল্যত ঔষধ লাভ কৰাৰ বাবে সাধাৰণ ৰাইজৰ প্ৰায় **৪০,০০০** কোটি টকা ৰাহি হৈছে।




## আৰ্থিক বোজা হ্ৰাস

- চিকিৎসাৰ নামত নিজৰ পকেটৰ পৰা হোৱা খৰচ ২০১৪-১৫ বৰ্ষৰ ৬২.৬%ৰ পৰা হ্ৰাস পাই ২০২০-২১ বৰ্ষত ৩৯.৪% হৈছে। এই সাফল্যৰ ক্ষেত্ৰত 'আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা'ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।



## ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি, ২০১৭

- ২০১৭ চনৰ ১৫ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে 'ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি, ২০১৭'ত অনুমোদন জনায়। ইয়াৰ উদ্দেশ্য হৈছে এক ব্যাপক স্বাস্থ্যসেৱা নীতিৰ জৰিয়তে সকলোৰে বাবে স্বাস্থ্যসেৱা সুনিশ্চিত কৰা আৰু কোনো ধৰণৰ আৰ্থিক অসুবিধা নোহোৱাকৈ উচ্চ মানদণ্ডৰ স্বাস্থ্যসেৱা প্ৰদান কৰা।

### গুৰুত্বপূৰ্ণ সাফল্যসমূহ

- ২০১৪ চনত ভাৰতক 'পলিঅ' মুক্ত' ঘোষণা কৰা হৈছিল।
- ২০১৫ চনত নৱজাতকৰ ধনুষ্টংকাৰ নিৰ্মূল কৰা হয়।
- ২০২৪ চনত বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতক 'ট্ৰেকমা' মুক্ত বুলি ঘোষণা কৰে।
- অতি সোনকালে 'কলা-জ্বৰ' নিৰ্মূল কৰাৰ দিশতো অগ্ৰসৰ হৈছে ভাৰত।





প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ

# সবলীকৰণৰ অবিৰত যাত্ৰা

### প্ৰতিক্ষণত উন্নয়ন, প্ৰতিটো খোজতে নতুন সম্ভাৱনা

প্ৰগতি আৰু গৌৰৱৰ পথত অগ্ৰসৰ হোৱাৰ পূৰ্বে, সমাজৰ যিবোৰ শ্ৰেণী দীৰ্ঘদিন ধৰি অৱহেলিত আৰু উপেক্ষিত হৈ আছিল, তেওঁলোকৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াটো অতি জৰুৰী আছিল। অৱশ্যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শ্ৰেণীসমূহক কেৱল স্বীকাৰ কৰিয়েই ক্ষান্ত থকা নাছিল; তেওঁ তেওঁলোকক মৰ্যাদাও প্ৰদান কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ সকলো নীতি আৰু আঁচনিত সমাজৰ পিছপৰা শ্ৰেণীক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। “য’ত নাৰীক সন্মান কৰা হয়, তাত দেৱতাসকলে আনন্দ কৰে; কিন্তু য’ত তেওঁলোকক সন্মান কৰা নহয়, তাত সকলো কৰ্মই পণ্ড হয়।” এই প্ৰাচীন বাক্যশাৰীয়েই নাৰী নেতৃত্বাধীন উন্নয়নৰ মূলমন্ত্ৰ হৈ পৰিছে; ইয়াৰ ফলস্বৰূপে, বিগত ১২ বছৰত ‘নাৰী শক্তি’য়ে প্ৰতিটো ক্ষেত্ৰতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। একেদৰে, যুৱ প্ৰজন্মৰ বাবে সমৰ্পিত ‘উন্নত ভাৰত’ৰ মূল মন্ত্ৰ- “এয়াই সময়, এইয়াই সঠিক সময়, এইয়া ভাৰতৰ অমূল্য সময়”- এই আহ্বান হৈছে ভাৰতৰ যুৱ প্ৰজন্মৰ আশা-আকাংক্ষাক যে নতুন উৰণ দিবলৈ সম্পূৰ্ণ সাজু, তাৰেই এক শক্তিশালী প্ৰমাণ। আজি যুৱ শক্তিৰ সম্ভাৱনীয়তাই এক নতুন পৰিচয় লাভ কৰাৰ পৰিপ্ৰেক্ষিতত, নতুন ভাৰতৰ ‘অমৃত প্ৰজন্ম’ ভাৰতৰ জ্ঞান, বিজ্ঞান আৰু চিৰন্তন সাফল্যৰ প্ৰতীক হিচাপে আত্মপ্ৰকাশ কৰিছে। বিগত ১২ বছৰক এটা যুগ, দৰিদ্ৰ, মহিলা, যুৱক আৰু কৃষকৰ সবলীকৰণৰ বাবে উৎসৰ্গিত এক সুকীয়া যুগ বুলি ক’লে কোনো অতিৰঞ্জিত কৰা নহ’ব। এক সংবেদনশীল মানসিকতা আৰু সৰ্বাংগীণ দৃষ্টিভংগীৰে, নতুন ভাৰতৰ নতুন নেতৃত্বই বিগত ১২ বছৰত সমাজৰ প্ৰতিটো শ্ৰেণী আৰু প্ৰতিটো অঞ্চলক উন্নয়নৰ অংশীদাৰ কৰি তুলিছে আৰু ইয়াৰ লগতেই এখন ‘স্বৰ্ণিম ভাৰত’ৰ দিশে যাত্ৰা আৰম্ভ হৈছে।

# ভাৰত ঃ স্বাস্থ্য আৰু সমৃদ্ধিৰ দিশত

*“নাৰী তুমি নাৰায়ণী, তোমাৰেই সামৰ্থ্য আছে, তুমিয়েই ৰাষ্ট্ৰশক্তি” এই সংকল্পৰেই, নতুন ভাৰতে উৎকৃষ্টতাৰ নিত্য নতুন অধ্যায়ৰ চিত্ৰনাট্য লিখিছে। যিকোনো ৰাষ্ট্ৰৰ সমৃদ্ধি তাৰ নাৰী শক্তিৰ অবিহনে কল্পনা কৰিব নোৱাৰি। ফলস্বৰূপে, কেৱল নাৰীৰ উত্থান নহয়, বৰং নাৰী শক্তিৰ নেতৃত্বত বিকাশৰ দৃষ্টি বিগত ১২ বছৰ ধৰি ৰাষ্ট্ৰীয় নীতিৰ গুৰুত্বপূৰ্ণ আধাৰ হৈ আহিছে। শিক্ষা, স্বাস্থ্য, অৰ্থনৈতিক সমৃদ্ধি, আৰু নেতৃত্বৰ সুযোগৰ ক্ষেত্ৰত মহিলাসকলক সবলীকৰণ কৰাৰ বহুতো পদক্ষেপ এই দিশত মাইলৰ খুঁটি হিচাপে প্ৰমাণিত হৈছে। এতিয়া লোকসভা আৰু ৰাজ্যিক বিধানসভাত ৩৩ শতাংশ মহিলাৰ সংৰক্ষণৰ বাবেও কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ...*

## নাৰী সবলীকৰণৰ দিশত পদক্ষেপ

**২০২৩** চনত নতুন সংসদ ভৱনৰ ভিতৰত ‘নাৰী শক্তি বন্দন অধিনিয়ম’ প্ৰণয়নেৰে এক গুৰুত্বপূৰ্ণ প্ৰথম পদক্ষেপ গ্ৰহণ কৰা হৈছিল।

আজি, ভাৰতৰ ১৪ লাখৰো অধিক মহিলাই স্থানীয় চৰকাৰী সংস্থাসমূহত সফলতাৰে সেৰা আগবঢ়াই আছে। প্ৰায় ২১খন ৰাজ্যত পঞ্চায়তত তেওঁলোকৰ অংশগ্ৰহণ প্ৰায় ৫০ শতাংশ হৈছেগৈ।



- যোৱা ১২ বছৰত ‘পিএম আৱাস যোজনা’ৰ অধীনত ৩ কোটিৰো অধিক মহিলা গৃহস্বত্বাধিকাৰী হৈছে।
- পিএম আৱাস যোজনাৰ অধীনত আবণ্টিত ৭০%তকৈ অধিক ঘৰ মহিলাৰ নামত এককভাৱে বা যৌথভাৱে পঞ্জীয়ন কৰা হৈছে।



- ‘ষ্টেণ্ড আপ ইণ্ডিয়া’ আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ ৭৫% মহিলাক প্ৰদান কৰা হৈছে। তদুপৰি ‘জন ধন’ বেংক একাউণ্টত মহিলাৰ ৫৫% অংশীদাৰিত্ব আছে।

**৭০%** ‘মুদ্ৰা যোজনা’ৰ অধীনত অনুমোদিত ঋণ মহিলাক দিয়া হৈছে।

- মহিলাৰ প্ৰসূতিকালীন ছুটী ২৬ সপ্তাহলৈ বৃদ্ধি কৰা হৈছে।
- যোৱা ১২ বছৰত ১০ কোটি মহিলাই আত্মসহায়ক গোটত যোগদান কৰিছে।
- গ্ৰাম্য অৰ্থনীতি ত্বৰান্বিত কৰিবলৈ, চৰকাৰে ৬ কোটি মহিলাক ‘লাখপতি দিদি’লৈ ৰূপান্তৰিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰে ৩ কোটিৰো অধিক গ্ৰাম্য মহিলাই ইতিমধ্যে ‘লাখপতি দিদি’ৰ মৰ্যাদা লাভ কৰিছে।
- ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ হোৱা ‘সুস্থ নাৰী, সবল পৰিয়াল’ অভিযানৰ অধীনত প্ৰায় ৭ কোটি মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছিল।
- ২০১৫ চনত চৰকাৰে মিছন ইন্দ্ৰধনুষ কাৰ্যসূচী আৰম্ভ কৰে, যাতে টীকাকৰণ নোহোৱা শিশু আৰু গৰ্ভৱতী মহিলাৰ কাষ চাপিব পাৰে।



- মিছন শক্তি পৰ্টেল: ২০২৫ চনৰ জানুৱাৰী মাহত মিছন শক্তি পৰ্টেল (https://missionshakti.wcd.gov.in/) মুকলি কৰাৰ পিছত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে ২৩ মাৰ্চ, ২০২৬ৰ ভিতৰত ২,৪২৮জন সুৰক্ষা বিষয়াৰ সবিশেষ পৰ্টেলত আপডেট কৰে।




## নাৰী সবলীকৰণ

**৪৮%**ৰো অধিক ষ্টাৰ্টআপত অন্ততঃ এগৰাকী মহিলা পৰিচালক থাকে।

- ভাৰতৰ মহিলা ক্ৰিকেট দলে প্ৰথমবাৰৰ বাবে বিশ্বকাপ জয় কৰিবলৈ সক্ষম হৈছে। একেদৰে অন্ধ মহিলা ক্ৰিকেট দলেও বিশ্বকাপ জয় কৰিছে।
- ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ পৰা উত্তীৰ্ণ হৈছে মহিলা কেডেটৰ প্ৰথমটো গোট।

মহিলা শ্ৰমিক জনসংখ্যাৰ অনুপাত




পিএইচডি কাৰ্যসূচীত মহিলা গৱেষকৰ নামভৰ্তি দুগুণতকৈও অধিক বৃদ্ধি পাইছে, ১৩৫.৬% (২০১৪-১৫ চনৰ পৰা ২০২২-২৩ চনলৈ) অসাধাৰণ বৃদ্ধি পঞ্জীয়ন হৈছে - যাৰ ফলত অতিৰিক্ত ৬৪,৭২৪গৰাকী মহিলা গৱেষক যোগ হৈছে।

গণিত আৰু বিজ্ঞানত, বিশেষকৈ STEM শিক্ষাত অধ্যয়ন কৰা ছোৱালীৰ সংখ্যা হৈছেগৈ প্ৰায়



প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ

## সৰ্ব-মংগলৰ জ্যোতি উজ্জ্বলা আঁচনি

**১০.৫৭** কোটিৰো অধিক গেছ সংযোগ প্ৰদান কৰা হৈছে ২০২৬ চনৰ ১ মাৰ্চলৈকে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত।

মহিলাসকলে এতিয়া দৈনিক ২ৰ পৰা ৩ ঘণ্টা সময় ৰাহি কৰে, যিটো সময় আগতে পৰম্পৰাগত চৌকা জ্বলাবলৈ খৰি সংগ্ৰহ কৰাত ব্যয় কৰা হৈছিল। মহিলাসকলে এতিয়া এই সময়খিনি আয় সৃষ্টিকাৰী কামত বা পৰিয়ালৰ যত্নৰ বাবে ব্যৱহাৰ কৰে।



## বেটি বচাও বেটি পঢ়াও আঁচনি

২০১৫ চনৰ ২২ জানুৱাৰীত হাৰিয়ানাৰ পানীপটত আৰম্ভ হোৱা বেটি বাচাও বেটি পঢ়াও (বিবিবিপি) আঁচনিৰ এক দশক সম্পূৰ্ণ হৈছে।

জন্মৰ সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ লিংগ অনুপাতৰ উন্নতি ঘটে



| ২০১৪-১৫ | ২০২৪-২৫ |
|---|---|
| ৯১৮ | ৯২৯ |

মাধ্যমিক বিদ্যালয় পৰ্যায়ত ছোৱালীৰ মুঠ নামভৰ্তিৰ হাৰ বৃদ্ধি পালে

| বছৰ | হাৰ |
|---|---|
| ২০১৪-১৫ | ৭৫.৫১% |
| ২০২৪-২৫ | ৮০.২% |



## প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান

**৮,৮১২** পঞ্জীকৃত স্বেচ্ছাসেৱী

**২২,৩৪৯** পিএমএছএমএ সেৱাসমূহ প্ৰদান কৰা সুবিধাৰ সংখ্যা

## প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা

এই আঁচনিখনে সামাজিক আৰু অৰ্থনৈতিকভাৱে বঞ্চিত গৰ্ভৱতী আৰু দুগ্ধপান কৰোৱা মাতৃসকলক প্ৰথম সন্তানৰ বাবে ৫,০০০ টকা (লগতে জননী সুৰক্ষা যোজনাৰ উদ্‌গনি, গড়ে ৬,০০০ টকা) আৰু দ্বিতীয় সন্তানৰ বাবে ৬,০০০ টকা (যদি ছোৱালী হয়) প্ৰসূতিৰ সুবিধা প্ৰদান কৰে।



**৪.২৮** কোটি মহিলাই লাভ কৰিছে সুবিধা।

**৪.৯২** কোটি মহিলা পঞ্জীয়ন কৰা হৈছে।

মুঠ **২০,১৫০** কোটি টকা ব্যয় কৰা হৈছে।

## সুকন্যা সমৃদ্ধি যোজনাঃ কন্যা শিশুৰ সবলীকৰণ

- চৰকাৰৰ ‘বেটি বচাও, বেটি পঢ়াও’ অভিযানৰ অধীনত ২০১৫ চনৰ ২২ জানুৱাৰীত সুকন্যা সমৃদ্ধি যোজনা ৮.২% সুতৰ হাৰেৰে আৰম্ভ কৰা হৈছিল।
- ইয়াৰ আৰম্ভণিৰ পৰাই ৪.৬ কোটিতকৈ অধিক একাউণ্ট খোলা হৈছে, আৰু মুঠ জমা ধনৰাশি ৩.৩৩ লাখ কোটি টকাতকৈ অধিক।

“আজি এখন বিকশিত ভাৰতৰ দিশত আমাৰ যাত্ৰাত নাৰীৰ ভূমিকা আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। মই আনন্দিত যে ২০১৪ চনত দেশৰ জনসাধাৰণে মোক সেৱা আগবঢ়োৱাৰ সুযোগ দিছিল, আৰু তেতিয়াৰ পৰা এতিয়ালৈকে আমাৰ চৰকাৰে মহিলাৰ জীৱনচক্ৰৰ প্ৰতিটো পৰ্যায়ৰ বাবে আঁচনি প্ৰস্তুত কৰিছে আৰু সেইবোৰ সফলতাৰে ৰূপায়ণো কৰিছে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*


## ভাৰতৰ ধ্বজা উৰ্ধত তুলি ধৰা কাণ্ডাৰীসকল

এই সময়; এইটোৱেই সঠিক সময়; এইটো ভাৰতৰ বহুমূলীয়া মুহূৰ্ত... বিকশিত ভাৰতৰ যুৱক-যুৱতীসকলৰ প্ৰতি উৎসৰ্গিত এই মন্ত্ৰই ভাৰতৰ আশাত নতুন ডেউকা প্ৰদান কৰিবলৈ যুৱ প্ৰজন্ম সাজু হোৱাৰ মনোভাৱক প্ৰতিফলিত কৰে। এয়াই সেই যুগ যি সময়ত ভাৰত বিশ্বৰ সবাতোকৈ যুৱ দেশ হিচাপে থিয় দিছে। সেয়ে, বিগত ১২ বছৰত, কেন্দ্ৰীয় চৰকাৰৰ সুদূৰদৰ্শী দৃষ্টিভংগীৰ জৰিয়তে যুৱ শক্তিৰ সম্ভাৱনাই এক নতুন পৰিচয় লাভ কৰি ভাৰতৰ জ্ঞান, বিজ্ঞান, আৰু কালজয়ী সাফল্যৰ প্ৰতীক হৈ পৰিছে - নতুন ভাৰতৰ "অমৃত প্ৰজন্ম"।

### ষ্টাৰ্টআপ

**২.২৩** লাখৰো অধিক ষ্টাৰ্টআপ স্থাপন কৰা হৈছে, যাৰ ফলত ২৩.৩৬ লাখতকৈ অধিক চাকৰিৰ সৃষ্টি হৈছে। পুঁজি, ঋণ সাহায্য, আৰু ৰাজহুৱা ক্ৰয়ৰ ক্ষেত্ৰত শক্তিশালী বৃদ্ধি পোৱা গৈছে।

- ২০১৪ চনত ভাৰতত মাত্ৰ ৪টা ইউনিকৰ্ণ আছিল; আজি দেশখনত ১২৭টা সক্ৰিয় ইউনিকৰ্ণ আছে।



**৫৫,২০০** টা ষ্টাৰ্টআপ ২০২৫-২৬ বিত্তীয় বৰ্ষত চৰকাৰে স্বীকৃতি দিছে, এই পদক্ষেপ আৰম্ভ হোৱাৰ পৰা এয়া এটা বছৰতে সৰ্বাধিক স্বীকৃতি প্ৰদান কৰা হৈছে।

### প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা (পিএমএমৱাই)

**৪০.০৭** লাখ কোটি টকাৰো অধিক ১১ বছৰৰ ভিতৰত পিএমএমৱাইৰ অধীনত ৫৭৭.৯ মিলিয়ন ঋণৰ মাজেৰে প্ৰদান কৰা হয়। ইয়াৰ ফলত অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগ (এমএছই)ৰ ঋণ পৰিৱেশ তন্ত্ৰ যথেষ্ট শক্তিশালী হৈছে।



- মুদ্ৰা আঁচনিখনে অনা-কৰ্পৰেট আৰু অকৃষি আয়-উৎপাদনকাৰী কাৰ্য্যকলাপৰ বাবে ২০ লাখ টকা পৰ্যন্ত জামিনবিহীন প্ৰতিষ্ঠানিক ঋণলৈ নীৰৱচ্ছিন্ন প্ৰৱেশৰ সুবিধা প্ৰদান কৰে।



### শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি

২০১৪ চনৰ পৰা বৰ্তমানলৈকে::

- আইআইটিৰ সংখ্যা ১৬ৰ পৰা ২৩লৈ বৃদ্ধি।
- আইআইএমৰ সংখ্যা ১৩ৰ পৰা ২১লৈ বৃদ্ধি পাইছে।




এইমছৰ সংখ্যা ৭ৰ পৰা **২৩**লৈ বৃদ্ধি পাইছে।


- চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৩৮৭ৰ পৰা ৮১৮লৈ বৃদ্ধি পাইছে।
- জাঞ্জিবাৰ আৰু আবুধাবিত আইআইটিৰ আন্তঃৰাষ্ট্ৰীয় পৰিসৰ স্থাপন কৰা হৈছে।

### প্ৰধানমন্ত্ৰী দক্ষতা বিকাশ যোজনা

**১.৬৪** কোটি প্ৰাৰ্থী প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা (পিএমকেভিৱাই)ৰ অধীনত ৩৫টাতকৈও অধিক খণ্ডত প্ৰশিক্ষণ দিয়া হৈছে।

**৩,১৫,০১৪**

প্ৰাৰ্থীক নিৰ্মাণ, দূৰসংযোগ, আৰু স্বাস্থ্যসেৱা খণ্ডৰ ভূমিকাৰ বাবে প্ৰশিক্ষণ দিয়া হৈছে, লগতে কেৰিয়াৰ আৰু শিক্ষা পৰামৰ্শদাতা পদৰ বাবেও প্ৰশিক্ষণ দিয়া হৈছে।



## যুৱক-যুৱতীক সবলীকৰণ কৰিবলৈ ১২ বছৰৰো অধিক সমৰ্পিত কাৰ্য

**১২**
লাখৰো অধিক চাকৰি ৰোজগাৰ মেলাৰ জৰিয়তে নিশ্চিত।



**১০,০০০** ৰো অধিক অটল টিংকাৰিং লেব স্কুলসমূহত প্ৰতিষ্ঠা কৰা হৈছে, য'ত ১১ লাখৰো অধিক ছাত্ৰ-ছাত্ৰী জড়িত হৈছে।




- তিনিটা দশকৰ পাছত কাৰ্যকৰী হ'ল নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০।
- ভাৰতত বিশ্বৰ সৰ্বাধিক যুৱ জনসংখ্যা আছে, ইয়াৰ প্ৰায় ৬৫% লোকৰ বয়স ৩৫ বছৰৰ তলৰ।
- ২০২৬ চনৰ ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজন কৰা হৈছিল ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ (এনৱাইএফ) ২০২৬।
- পিএম-শ্ৰী (পিএম স্কুলছ ফৰ ৰাইজিং ইণ্ডিয়া) - এনইপিৰ সৈতে সংযুক্ত আদৰ্শ প্ৰতিষ্ঠান হিচাপে কাম কৰিবলৈ বিদ্যালয়সমূহক আধুনিকীকৰণৰ লক্ষ্যৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি।
- ২০২৫ চনৰ ১৫ আগষ্টৰ পৰা প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনা ৰূপায়ণ কৰা হয়। এই আঁচনিখনে প্ৰায় ৩.৫ কোটি যুৱক-যুৱতীক নতুনকৈ কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিব।

> ভাৰতৰ যুৱক-যুৱতীসকলে বিশ্বজুৰি নিজৰ নাম উজলাইছে। আমাৰ যুৱ শক্তি গতিশীলতা, উদ্ভাৱন আৰু দৃঢ়তাৰ সৈতে জড়িত। আমাৰ যুৱক-যুৱতীসকলে অতুলনীয় শক্তি আৰু দৃঢ়তাৰে ভাৰতৰ বিকাশক আগুৱাই লৈ গৈছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## খেলো ইণ্ডিয়া

**২৭,৫০০** ৰো অধিক খেলুৱৈয়ে বৰ্তমান খেলো ইণ্ডিয়া কেন্দ্ৰত প্ৰশিক্ষণ লৈ আছে।






## অগ্নিপথ আঁচনি

- চৰকাৰে ২০২২ চনৰ ১৫ জুনত অগ্নিপথ আঁচনি আৰম্ভ কৰে। এই আঁচনিৰ অধীনত পুৰুষ আৰু মহিলা উভয় প্ৰাৰ্থীক সশস্ত্ৰ বাহিনীৰ তিনিটা শাখাত, এজন বিষয়াৰ তলৰ পদবীত, চাৰি বছৰৰ বাবে 'অগ্নিবীৰ' হিচাপে নিযুক্তি দিয়া হয়।

**১৭.৫** ৰ পৰা ২১ বছৰীয়ালৈ যুৱক-যুৱতীসকলক চাৰি বছৰৰ সামৰিক সেৱাৰ বাবে অগ্নিবীৰ হিচাপে নিযুক্তি দিয়াটোৱেই এই কাৰ্যসূচীৰ উদ্দেশ্য।

**৪৬,০০০** কৰ্মীয়ে ২০২৩ চনত তেওঁলোকৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰে যি প্ৰথম বেচত নামভৰ্তি কৰিছিল। তেওঁলোকে অনুশাসন, নেতৃত্ব, আৰু কাৰিকৰী দক্ষতাৰ প্ৰশিক্ষণৰ লগতে 'সেৱা নিধি' পেকেজ আৰু সেৱাৰ পিছৰ নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ লাভ কৰে।



# অৱহেলিতক অগ্ৰাধিকাৰ - সুশাসনৰ পৰিচয়


*আজি সমগ্ৰ দেশতে সমতাৰ মনোভাবেৰে কাম চলি আছে, যাৰ ফলত বিগত ১২ বছৰত হিতাধিকাৰীৰ এটা বৃহৎ বৰ্গৰ উত্থান ঘটিছে। ২০১৪ চনৰ আগতে সমাজৰ এক উল্লেখযোগ্য শ্ৰেণী মৌলিক সুবিধাৰ পৰা বঞ্চিত হৈছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভণিৰে পৰাই প্ৰান্তীয় অধিকাৰক অগ্ৰাধিকাৰ দিয়াৰ নীতি গ্ৰহণ কৰি কাৰ্যকাল আৰম্ভ কৰিছিল। দশক দশক ধৰি বিভিন্ন আঁচনি আৰু সা-সুবিধাৰ পৰা বঞ্চিত হোৱা লোকসকলৰ ওচৰলৈ প্ৰথমবাৰৰ বাবে এখন চৰকাৰে সক্ৰিয়ভাৱে হাত আগবঢ়াইছিল। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায়ে কোৱাৰ দৰে, "যাৰ ওচৰ কোনো গৈ নাপায়, মোদীয়ে তেওঁলোকক পূজে।" মৰ্যাদাৰ জীৱন লাভ কৰি এই ব্যক্তিসকলে এতিয়া ৰাষ্ট্ৰৰ বিকাশত সক্ৰিয়ভাৱে অৰিহণা যোগাইছে।*

## জনজাতীয় ঐতিহ্যৰ প্ৰসাৰ



**৭২৮** খন একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ক জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে অনুমোদন জনায়; ইয়াৰে ৪২৮টা বিদ্যালয় ভৱনৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে, ২৪৯টা বৰ্তমান নিৰ্মাণৰ কাম চলি আছে, আৰু ৪৬টা প্ৰাক নিৰ্মাণ পৰ্যায়ত আছে।

- ২০২১ চনত জনজাতীয় স্বাধীনতা সংগ্ৰামী বীৰছা মুণ্ডাৰ জন্ম বাৰ্ষিকী উপলক্ষে ১৫ নৱেম্বৰক 'জনজাতীয় গৌৰৱ দিৱস' ঘোষণা কৰা হয়।



**১১** টা জনজাতীয় স্বাধীনতা সংগ্ৰামী সংগ্ৰহালয়ৰ অনুমোদন জনোৱা হৈছে। আজিলৈকে তিনিখন ৰাজ্যত এনে চাৰিটা সংগ্ৰহালয় স্থাপন কৰা হৈছে: এটা ঝাৰখণ্ডত, এটা ছত্তীশগড়ত, আৰু দুটা মধ্যপ্ৰদেশত, আনহাতে বাকী সাতটা সংগ্ৰহালয়ৰ কাম বৰ্তমান চলি আছে।

## অৱহেলিত লোকসকললৈ মুনাফা আৰু সুবিধাসমূহ সম্প্ৰসাৰণ কৰা

- ২০২৪ চনৰ ১৩ মাৰ্চত প্ৰধানমন্ত্ৰী মোদীয়ে 'প্ৰধানমন্ত্ৰী সামাজিক উত্থান তথা ৰোজগাৰ আধাৰিত জনকল্যাণ' (পিএম-সূৰয) ৰাষ্ট্ৰীয় পৰ্টেল উন্মোচন কৰে। এই পৰ্টেলটো সমাজৰ প্ৰান্তীয় শ্ৰেণীৰ বাবে ঋণ সাহায্যক অগ্ৰাধিকাৰ দিয়াৰ চৰকাৰৰ প্ৰতিশ্ৰুতিৰ প্ৰতীক।



**১.১৫** কোটি ষ্ট্ৰীট ভেণ্ডৰ পুনৰ্গঠন কৰা পিএম স্বনিধি আঁচনিৰ দ্বাৰা উপকৃত হ'ব। ইতিমধ্যে ৭৪.৯০ লাখ হিতাধিকাৰীক ঋণ প্ৰদান কৰা হৈছে, আৰু ঋণ প্ৰদানৰ সময়সীমা ২০৩০ চনৰ ৩১ মাৰ্চলৈকে বৃদ্ধি কৰা হৈছে।

- শক্তিশালী নীতিগত হস্তক্ষেপৰ জৰিয়তে ৬০ কোটিতকৈ অধিক লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰাৰ লগতে ২৫ কোটি লোকক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উন্নীত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰা হৈছে।
- ৩১.৬৫ কোটিৰো অধিক ই-শ্ৰম কাৰ্ড প্ৰদান কৰা হৈছে। ইয়াৰ দ্বাৰা বৰ্তমান ১৪খন সমাজ কল্যাণমূলক আঁচনি সামৰি লোৱা হৈছে।
- শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে ২০২৫ চনৰ ২৪ ফেব্ৰুৱাৰীত ই-শ্ৰম মোবাইল এপ্লিকেচন মুকলি কৰে।
- ২০১৮ চনৰ ১০২ সংখ্যক সাংবিধানিক সংশোধনী আইনখনে পিছপৰা শ্ৰেণীৰ ৰাষ্ট্ৰীয় আয়োগক সাংবিধানিক মৰ্যাদা প্ৰদান কৰে।
- ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭৫ লাখৰো অধিক অনুসূচিত জাতি হিতাধিকাৰীক ৭,৯৮১.৪৭ কোটি টকা প্ৰদান কৰা হয়, যাৰ ফলত প্ৰধান বৃত্তি আঁচনিসমূহৰ যথেষ্ট বৃদ্ধি হৈছে।
- কেন্দ্ৰীয় বাজেট ২০২৬-২৭ত বিশেষভাৱে সক্ষম লোকৰ বাবে 'দিব্যাংগ দক্ষতা যোজনা' আৰু 'দিব্যাংগ সহায় যোজনা' ঘোষণা কৰা হয়।




## প্ৰধান মন্ত্ৰী সহজ বিজুলি হৰ ঘৰ যোজনা

সমগ্ৰ দেশৰ ২.৮৬ কোটি পৰিয়ালত বিদ্যুৎ সংযোগ কৰা হৈছে। সকলো ৰাজ্যই ৩১ মাৰ্চ, ২০১৯ৰ পূৰ্বে সকলো চিনাক্তকৃত ইচ্ছুক, অবিদ্যুৎ প্ৰদান কৰা পৰিয়ালৰ ১০০% বিদ্যুৎকৰণ সাধন কৰে।

## শ্ৰম সংহিতা

চাৰিটা লেবাৰ কোড কাৰ্যকৰী সন্দৰ্ভত ঘোষণা সংহিতাসমূহ - মজুৰি সংহিতা, ২০১৯, উদ্যোগ সম্পৰ্ক সংহিতা, ২০২০, সামাজিক সুৰক্ষা সংহিতা, ২০২০, আৰু বৃত্তিগত সুৰক্ষা, স্বাস্থ্য আৰু কৰ্ম পৰিস্থিতি সংহিতা, ২০২০-২০২৫ চনৰ ২১ নৱেম্বৰৰ পৰা কাৰ্যকৰী হ'ব।





## প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা যোজনাৰ সাফল্য

প্ৰায় ৩০ লাখ শিপিনী আৰু শিল্পীয়ে পঞ্জীয়ন কৰিছে।

**৪,৭৮,০২০**

লোকক ৪১,১৮৮ কোটি টকাৰ ঋণ অনুমোদন জনোৱা হৈছে

**২৬,৩৬,৮৬৫**

শিল্পীৰ বাবে দক্ষতা পৰীক্ষণ সম্পূৰ্ণ কৰা হৈছে

**২৩,৬৯,২৪৯**

ই-ভাউচাৰ জাৰি কৰা হৈছে।

বিকশিত ভাৰত - ৰোজগাৰ আৰু আজীৱিকা মিছন (গ্ৰামীণ) (ভিবি-জি আৰএএম জি আইন, ২০২৫)ৰ বাবে নিশ্চয়তা

এই আইনৰ অধীনত প্ৰতিটো গ্ৰাম্য পৰিয়ালক প্ৰতি বিত্তীয় বৰ্ষত কমেও ১২৫ দিনৰ মজুৰি নিয়োগৰ নিশ্চয়তা দিয়া হৈছে - যিটো পূৰ্বৰ ১০০ দিনৰ নিশ্চয়তাতকৈ বৃদ্ধি।



"মোৰ বাবে যি দুখীয়া, বঞ্চিত, যাৰবাবে চৰকাৰী দপ্তৰৰ দুৱাৰ পৰ্যন্ত বন্ধ আছিল, তেওঁলোক মোৰ অগ্ৰাধিকাৰ। কেৱল মোদীয়ে তেওঁলোকক প্ৰথমে বিবেচনা কৰাই নহয়, মোদীয়ে তেওঁলোকক পূজাও কৰে। মোৰ বাবে দেশৰ প্ৰতিজন দুখীয়া মানুহ ভিআইপি। দেশৰ প্ৰতিগৰাকী মাতৃ, ভগ্নী আৰু কন্যা মোৰ বাবে ভিআইপি। দেশৰ প্ৰতিজন কৃষক মোৰ বাবে ভিআইপি। দেশৰ প্ৰতিজন যুৱক মোৰ বাবে ভিআইপি।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

# আত্মনিৰ্ভৰ ভাৰতৰ ভেটি

আত্মনিৰ্ভৰশীল কৃষি আত্মনিৰ্ভৰ ভাৰতৰ মৌলিক স্তম্ভ। শ্ৰী অন্ন (মিলেট)ক বিশ্বজনীন পৰিচয় দিয়াই হওক, কৃষকসকলে উৎপাদন ব্যয়ৰ ডেৰগুণ লাভ কৰাটো নিশ্চিত কৰিবলৈ ন্যূনতম সমৰ্থন মূল্য (এমএছপি) বৃদ্ধি কৰাই হওক, বা কৃষকৰ আয় দুগুণ কৰাৰ দিশত কাম কৰাই হওক, এইবোৰ কেৱল প্ৰতিশ্ৰুতি নহয়, চৰকাৰৰ দৃঢ় সংকল্প। বিগত ১২ বছৰত কৃষিক উদ্যোগৰ দৰে বিকাশৰ লক্ষ্যৰে নীতি আৰু পদক্ষেপে কৃষকৰ অৰ্থনৈতিক সবলীকৰণৰ বাট মুকলি কৰি দিছে। ভাৰতে আমদানিৰ ওপৰত নিৰ্ভৰশীল হৈ থকা খণ্ডসমূহ চিনাক্ত কৰি স্বাৱলম্বিতাৰ দিশত নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰিছে, যাতে কৃষক সৱল হয়, ৰাষ্ট্ৰ সমৃদ্ধিশালী হয়।

## ৰাষ্ট্ৰীয় কৃষি বজাৰ (ই-নাম)

২০২৬ চনৰ মাৰ্চৰ ভিতৰত

**১,৬৫৬**

মণ্ডি (পাইকাৰী বজাৰ) ২৩খন ৰাজ্য আৰু ৪খন কেন্দ্ৰীয় শাসিত অঞ্চলত একত্ৰিত কৰা হৈছে।

ইয়াৰ উপৰিও,

**১.৮০**

কোটিৰো অধিক কৃষক, ২.৭৩ লাখ ব্যৱসায়ী, আৰু ৪,৭২৪টা কৃষক-উৎপাদক সংস্থা (এফপিঅ')ই ই-নাম প্লেটফৰ্মত পঞ্জীয়ন কৰিছে।

- ২০১৬ চনৰ পৰা ২০২৬ চনৰ মাৰ্চৰ ভিতৰত মুঠ বাণিজ্যৰ পৰিমাণ ১৩.২৫ কোটি মেট্ৰিক টন ৰেকৰ্ড কৰা হৈছে, যাৰ সঞ্চিত মূল্য ৪.৮৪ লাখ কোটি টকা।
- বাণিজ্যিক মূল্য ২০২৪ চনত ৩.১৯ লাখ কোটি টকাৰ পৰা ২০২৬ চনত ৪.৮৪ লাখ কোটিলৈ বৃদ্ধি পাইছে, যিয়ে বৃদ্ধি পোৱা পৰিসৰ আৰু বজাৰৰ সংহতি গভীৰতাক প্ৰতিফলিত কৰিছে।
- ২০২৬ চনৰ মাৰ্চ মাহলৈকে শেহতীয়া সময়ছোৱাত ২০৪.৭৬ লাখ মেট্ৰিক টন কৃষি উৎপাদিত সামগ্ৰীৰ ব্যৱসায় কৰা হৈছিল, যিয়ে স্থায়ী কাৰ্য্যকৰী গতি প্ৰদৰ্শন কৰিছে।
- ই-নাম এপৰ জৰিয়তে সুবিধা প্ৰদান কৰা মোবাইল ভিত্তিক মূল্য তথ্য সেৱাৰ অধীনত ২৪৭টা সামগ্ৰী সামৰি লোৱা হৈছে।





শ্ৰী অন্ন - ২০১৮ চনত মিলেট (শ্ৰী অন্ন)ৰ তাৎপৰ্যৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰসংঘত এটা প্ৰস্তাৱ আগবঢ়ায়, য'ত পৰৱৰ্তী সময়ত ২০২৩ চনক আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ হিচাপে ঘোষণা কৰা হয়।

- ২০২৪-২৫ চনত উৎপাদন প্ৰায় ১৮.৫৯ মিলিয়ন টন হয়। এই সাফল্যৰ লগে লগে ভাৰতে মিলেট উৎপাদনত বিশ্বজুৰি শীৰ্ষ স্থান দখল কৰে। এই ক্ষেত্ৰত ৰাজস্থান, মহাৰাষ্ট্ৰ, আৰু কৰ্ণাটকে বৃহৎ অৱদান আগবঢ়ায়।

## প্ৰধানমন্ত্ৰী কিষাণ মানধন যোজনা (পিএম-কেএমৱাই)



এই আঁচনিৰ অধীনত ২০২৬ চনৰ ২ ফেব্ৰুৱাৰীলৈকে ২৪.৯৫ লাখ কৃষকক নামভৰ্তি কৰা হৈছে, যাৰ ফলত ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকসকলক সামাজিক সুৰক্ষাৰ সুবিধা প্ৰদান কৰা হৈছে।

## শস্য বীমা সুৰক্ষা

- ২০২৪-২৫ বৰ্ষৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (পিএমএফবিৱাই)ৰ অধীনত ৪.১৯ কোটি কৃষকৰ বীমা কৰা হয়, যিয়ে ৬.২ কোটি হেক্টৰ মাটিকালি সামৰি লৈছিল।
- ২০১৬-১৭ চনৰ পৰা ২০২৬ চনৰ মাৰ্চলৈকে ১.৯০ লাখ কোটি টকাতকৈ অধিক দাবী প্ৰদান কৰা হৈছে। এই সময়ছোৱাত শস্য বীমাৰ বাবে ৮৬ কোটিতকৈ অধিক আবেদন লাভ কৰা হয়।
- ২০২২-২৩ চনৰ তুলনাত কভাৰেজ ৩২ শতাংশ বৃদ্ধি পায়, যাৰ ফলত জলবায়ু আৰু বজাৰ সম্পৰ্কীয় বিপদৰ বিৰুদ্ধে সুৰক্ষা আৰু অধিক শক্তিশালী হৈছে।

প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ

## উল্লেখযোগ্য আঁচনি আৰম্ভ



- ৰাষ্ট্ৰৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধি আৰু কৃষকৰ কল্যাণ নিশ্চিত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ চনৰ ১১ অক্টোবৰত দুখন উল্লেখযোগ্য নতুন আঁচনি আৰম্ভ কৰে।
- প্ৰথমটো হৈছে প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা, আৰু দ্বিতীয়টো হৈছে মাহ আত্মনিৰ্ভৰশীল অভিযান।

**২৪,০০০**

কোটি টকাৰ বাজেট প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনাৰ বাবে আবণ্টন দিয়াৰ বিপৰীতে মাহ জাতীয় শস্যৰ আত্মনিৰ্ভৰতাৰ মিছনৰ বাবে ১৪৪০ কোটি টকাৰ বাজেট নিৰ্ধাৰণ কৰা হৈছে।

- এই আঁচনিসমূহৰ বাবে চৰকাৰে ৩৫,০০০ কোটি টকাৰো অধিক ব্যয় কৰিবলৈ সাজু হৈছে। এই দুটা পদক্ষেপে সমগ্ৰ ভাৰতবৰ্ষৰ কোটি কোটি কৃষকৰ ভাগ্যৰ পৰিৱৰ্তন সাধন কৰিবলৈ সাজু হৈছে।




### কিষাণ ক্ৰেডিট কাৰ্ড

**১০**

লাখ কোটি টকাৰো অধিক ৩১ ডিচেম্বৰ, ২০২৫ৰ ভিতৰত কিষাণ ক্ৰেডিট কাৰ্ড (কেচিচি) আঁচনিৰ জৰিয়তে ৭.৫৭ কোটি কৃষকক প্ৰদান কৰা হয়।

- কৃষকসকলে কৃষি আৰু পশুপালনৰ সৈতে জড়িত তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ডৰ জৰিয়তে কম সুতৰ হাৰত সহজে ঋণ লাভ কৰিবলৈ সক্ষম হয়।

**১.৫৫**

কোটি ৰুপে' কেচিচি কাৰ্ড ২০২৬ চনৰ ৩১ জানুৱাৰীলৈকে সমবায় সমিতিৰ সদস্যসকলক প্ৰদান কৰা হৈছে।





## ১২ বছৰৰ কৃতিত্ব

- যোৱা ১২ বছৰত ভাৰতৰ কৃষি ৰপ্তানি প্ৰায় দুগুণ হৈছে আৰু শস্যৰ উৎপাদন প্ৰায় ৯০ মিলিয়ন মেট্ৰিক টন বৃদ্ধি পাইছে।
- ফলমূল আৰু শাক-পাচলিৰ উৎপাদন ৬৪ মিলিয়ন মেট্ৰিক টনতকৈ অধিক বৃদ্ধি পাইছে। আজি আমি গাখীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্বজুৰি এক নম্বৰ স্থানত আছোঁ।
- বিশ্বৰ দ্বিতীয় বৃহত্তম মাছ উৎপাদনকাৰী দেশ ভাৰত। ভাৰতত মৌ উৎপাদনো ২০১৪ চনৰ তুলনাত দুগুণ বৃদ্ধি পাইছে। যোৱা ১২ বছৰত কণীৰ উৎপাদন দুগুণ বৃদ্ধি পাইছে।
- এই সময়ছোৱাতছটা বৃহৎ সাৰ কাৰখানা স্থাপন কৰা হৈছে। ২৫ কোটিৰো অধিক মৃদা স্বাস্থ্য কাৰ্ড বিতৰণ কৰা হৈছে।
- এক কোটি হেক্টৰ ভূমিত ক্ষুদ্ৰ জলসিঞ্চনৰ সুবিধা সম্প্ৰসাৰিত কৰা হৈছে।
- পিএম ফচল বীমা যোজনাৰ অধীনত কৃষকসকলে প্ৰায় ২ লাখ কোটি টকাৰ দাবী লাভ কৰিছে।

## গ্লোবেল এগ্ৰি মাৰ্কেটত ভাৰত

- কৃষি ৰপ্তানিৰ পৰা আহৰণ কৰা ৰাজহ ২০২০ বিত্তীয় বৰ্ষত ৩৪.৫ বিলিয়ন মাৰ্কিন ডলাৰ আছিল, ২০২৫ বিত্তীয় বৰ্ষত ই ৫১.১ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে।
- ২০২৫ বিত্তীয় বৰ্ষত প্ৰক্ৰিয়াকৃত খাদ্য সামগ্ৰীকে ধৰি কৃষি খাদ্য ৰপ্তানিৰ পৰিমাণ আছিল ৪৯.৪৩ বিলিয়ন মাৰ্কিন ডলাৰ, যিটো দেশৰ মুঠ ৰপ্তানিৰ প্ৰায় ১১.২ শতাংশ।

১২ বছৰত কৃষি আৰু কৃষক কল্যাণৰ বাবে বাজেট ছগুণ বৃদ্ধি




> “স্বাধীনতাৰ ইমান দশকৰ পাছত আজি আমাৰ দেশত এনে এখন চৰকাৰ আছে যিয়ে কৃষকৰ যন্ত্ৰণা আৰু উদ্বেগ বুজি পায়। সেয়েহে ভাৰত চৰকাৰে কৃষকৰ স্বাৰ্থত অবিৰতভাৱে সিদ্ধান্ত গ্ৰহণ কৰি আহিছে। আমি কৃষকৰ বাবে বীজৰ পৰা বজাৰলৈকে নতুন ব্যৱস্থা স্থাপন কৰিছোঁ।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*




## ৰাষ্ট্ৰ নিৰ্মাণ

# এখন বিকশিত ভাৰতৰ সংকল্প হৈছে প্ৰকৃত ‘ৰাষ্ট্ৰীয় নীতি’

ইংৰাজীত এষাৰ কথা আছে: “the size of the cake matters”-অৰ্থাৎ মুঠ সম্পদ বা সুবিধাৰ পৰিমাণ গুৰুত্বপূৰ্ণ। এই দৰ্শনৰ দ্বাৰা পৰিচালিত হৈ কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ অৰ্থনীতিৰ বাবে পাঁচ ট্ৰিলিয়ন ডলাৰৰ আকাৰ লাভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অৰ্থনীতিৰ আকাৰ যিমানেই ডাঙৰ হ’ব সিমানেই স্বাভাৱিকতে ৰাষ্ট্ৰৰ সমৃদ্ধি বেছি হ’ব। এই সমৃদ্ধিয়েই প্ৰতিটো পৰিয়াল আৰু প্ৰতিজন ব্যক্তিৰ আয় আৰু জীৱন ধাৰণৰ মানদণ্ডৰ পৰিৱৰ্তন আনে। এয়াই এতিয়া ভাৰতীয় অৰ্থনীতিৰ যাত্ৰাৰ মূল শিলাস্তম্ভ হৈ পৰিছে। একেদৰে আন্তঃগাঁথনিয়ে যিকোনো ৰাষ্ট্ৰৰ অগ্ৰগতিৰ মূল শিলাস্তম্ভ হিচাপে কাম কৰে। ই কেৱল উৎপাদন আৰু লজিষ্টিকছৰ প্ৰতিযোগিতামূলক ক্ষমতাক শক্তিশালী কৰাই নহয়, সামাজিক সম্প্ৰীতিও শক্তিশালী কৰে আৰু অৰ্থনৈতিক বৃদ্ধিৰ আখ্যানক এক নতুন গতি প্ৰদান কৰে। যেতিয়া এই বৃদ্ধিৰ আখ্যানত বিজ্ঞান আৰু প্ৰযুক্তিক একত্ৰিত কৰা হয়, তেতিয়া তাৰ ফলত হোৱা ‘ব্যৱসায়ৰ সহজতা’ই জনসাধাৰণৰ আস্থা গঢ়ি তোলে আৰু নাগৰিকসকলৰ বাবে ‘জীৱন-যাপনৰ সহজতা’ বৃদ্ধি কৰে। বিগত ১২ বছৰৰ ৰাষ্ট্ৰ-নিৰ্মাণৰ যাত্ৰাত ‘অষ্টলক্ষ্মী’-অৰ্থাৎ উত্তৰ-পূব অঞ্চলেও- বৃদ্ধিৰ এক গুৰুত্বপূৰ্ণ ইঞ্জিন হিচাপে আত্মপ্ৰকাশ কৰিছে। মূলতঃ উন্নয়নৰ এক সামগ্ৰিক দৃষ্টিভংগীয়ে সামাজিক উন্নতি আৰু অৰ্থনৈতিক ভাৰসাম্যৰ দিশত অগ্ৰগতি লাভ কৰিছে, যদিও নীতি সংস্কাৰে ৰাষ্ট্ৰ নিৰ্মাণৰ এক নতুন অধ্যায় লিখিছে, যাৰ ফলত উন্নত ভাৰতৰ সংকল্প বাস্তৱায়িত হোৱাৰ পথ মুকলি হৈছে।

# অৰ্থনীতিৰ অমৃত যাত্ৰা

সামগ্ৰিক উন্নয়নৰ দৃষ্টিভংগীৰে সামাজিক প্ৰগতি আৰু অৰ্থনৈতিক ভাৰসাম্যৰ দিশত পদক্ষেপ লোৱা হৈছিল, আনহাতে নীতি সংস্কাৰে অৰ্থনৈতিক বৃদ্ধিৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছিল। অৰ্থনৈতিক নীতি আৰু বিত্তীয় বিষয়সমূহ সাধাৰণ মানুহৰ লগত এনেদৰে সংযোগ কৰা হৈছিল যে প্ৰতিজন নাগৰিকে নিজকে সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে চাবলৈ আৰম্ভ কৰিছিল। মানুহে অনুভৱ কৰিছিল যে তেওঁলোকৰ চিন্তাৰ প্ৰতিও সঁচাকৈয়ে গুৰুত্ব দিয়া কোনোবা আছে। কৰ সংস্কাৰেই হওক বা অৰ্থনীতিক নতুন দিশ দিয়াৰ পদক্ষেপেই হওক, জিএছটিয়েই হওক, কৰদাতাৰ চনদেই হওক, বা ফেচলেছ ব্যৱস্থাই হওক, গাঁথনিগত সংস্কাৰে অৰ্থনীতিক এক নতুন গতি প্ৰদান কৰিছে। ফলত ভাৰতৰ বিৱৰ্তনশীল আৰু বিকাশশীল অৰ্থনীতিৰ এক নতুন কাহিনী আৰম্ভ হৈছে।



## উন্নত ৰাষ্ট্ৰৰ সৈতে মুক্ত বাণিজ্য চুক্তি

- ভাৰতৰ অৰ্থনীতিয়ে নিৰন্তৰ নতুন উচ্চতা বৃদ্ধি কৰিছে। বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত বিশেষকৈ ৰপ্তানিৰ ক্ষেত্ৰত ই দৈনিক নতুন অভিলেখ গঢ়িছে।
- অৰ্থনৈতিক বৃদ্ধিৰ এই দ্ৰুত গতিৰ আঁৰৰ প্ৰধান অনুঘটক হৈছে শেহতীয়া বছৰবোৰত ভাৰতীয় বজাৰৰ বিশ্বব্যাপী সম্প্ৰসাৰণ, যাৰ সুবিধা হৈছে মুক্ত বাণিজ্য চুক্তি।

২০২৬ চনৰ ২৭ এপ্ৰিলত ভাৰতে নিউজিলেণ্ডৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰে, যি বিগত বছৰবোৰত **৩৮** খন উন্নত দেশৰ সৈতে ভাৰতৰ নৱমখন চুক্তি।

## বৃদ্ধিৰ গতিবেগ শক্তিশালী কৰা

২০২৫ চনত ভাৰতে জাপানক অতিক্ৰম কৰি বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰে।

২০৩০ চনৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদন (জিডিপি) অনুমান কৰা হৈছে




**৭.৩** ট্ৰিলিয়ন মাৰ্কিন ডলাৰ হ'বগৈ।

- বিশ্ব বাণিজ্য আৰু নীতিগত অনিশ্চয়তাৰ মাজতে, প্ৰবল ঘৰুৱা চাহিদাই ২০২৫-২৬ বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰৈমাসিকত ভাৰতৰ বাস্তৱিক জিডিপি ৮.২% বৃদ্ধি কৰাত সহায় কৰে, যিটো ২০২৪-২৫ বিত্তীয় বৰ্ষৰ চতুৰ্থ ত্ৰৈমাসিকত ৭.৪%তকৈ অধিক। বিশ্বৰ সকলো প্ৰধান অৰ্থনীতিৰ ভিতৰত এইটোৱেই সৰ্বোচ্চ।
- ঔদ্যোগিক আৰু সেৱা খণ্ডৰ উত্থানৰ ফলত বাস্তৱ মুঠ মূল্য সংযোজিত (জিভিএ) ৮.১ শতাংশ বৃদ্ধি পাইছে।

## বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি

- বিশ্ব বেংকে অনুমান কৰিছে যে ২০২৬-২৭ চনত ভাৰতৰ অৰ্থনীতি প্ৰায় ৬.৬% বৃদ্ধি পাব, যাৰ ফলত ই বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব।

## বিশ্ব অৰ্থনৈতিক দৃষ্টিভংগী

- আউটলুক ২০২৬ অনুসৰি ভাৰতৰ বৃদ্ধিৰ হাৰ ৬.৫% বুলি অনুমান কৰা হৈছে, যিটো উন্নত দেশৰ ১.৮%, উন্নয়নশীল দেশৰ ৩.৯%, আৰু বিশ্ব অৰ্থনীতিৰ ৩.১%।
- আমেৰিকা: ২.৩%
- জাৰ্মানী: ০.৮%
- ব্ৰিটেইন: ০.৮%
- চীনত: ৪.৪%
- ব্ৰাজিল: ১.৯%

প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ

## আত্মনিৰ্ভৰতাৰ জৰিয়তে ৰপ্তানি বৃদ্ধি

ভাৰতৰ সামগ্ৰী আৰু সেৱাৰ ৰপ্তানিয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষত অভিলেখ সৃষ্টি কৰি ৮৬০.০৯ বিলিয়ন মাৰ্কিন ডলাৰ হয়, যিটো পূৰ্বৰ বছৰৰ তুলনাত ৪.২২% বৃদ্ধি। ২০১৪ চনত ৰপ্তানি ৪৭৯ বিলিয়ন মাৰ্কিন ডলাৰ আছিল।



**৪৮**


বিলিয়ন ডলাৰ মূল্যৰ ইলেক্ট্ৰনিক সামগ্ৰী ২০২৫-২৬ চনত ৰপ্তানি কৰা হৈছিল, যিটো ২০১৪-১৫ চনৰ ৬.৩ বিলিয়ন ডলাৰৰ তুলনাত বৃদ্ধি পায়। ইয়াৰ দ্বাৰা গঢ় বাৰ্ষিক বৃদ্ধিৰ হাৰ হয় ২০.৩%।

- ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ কৃষি, ৰোপণ আৰু সামুদ্ৰিক সামগ্ৰীৰ ৰপ্তানি ৫২.৬ বিলিয়ন ডলাৰ আছিল, যি ২০১৩-১৪ চনত ৩৯.৬ বিলিয়ন ডলাৰ আছিল।


### মোবাইল ফোন ৰপ্তানিৰ ক্ষেত্ৰত ১৬৬গুণ বৃদ্ধি পোৱা গৈছে।

*(লাখ কোটি টকা হিচাপত)*






প্ৰতিৰক্ষা ৰপ্তানিৰ ক্ষেত্ৰত ২০গুণ বৃদ্ধি নথিভুক্ত






## এমএছএমই: অৰ্থনীতি শক্তিশালী কৰিছে



**৭.৪৭**

কোটি+ এমএছএমই উৎপাদন, সেৱা আৰু বাণিজ্যিক কাৰ্যকলাপত নিয়োজিত।

**৩১.১%**

ভাৰতৰ জিডিপিত এই খণ্ডৰ অৱদান।

**৪৮.৫৮%** অৰিহণা দেশৰ মুঠ ৰপ্তানিলৈ এমএছএমএয়ে আগবঢ়ায়।

**৩৫.৪%**

নিৰ্মাণ খণ্ডৰ উৎপাদনত অংশীদাৰিত্ব এমএছএমইৰ পৰা আহে।

**৩২.৮**

কোটি লোকে এমএছএমইৰ জৰিয়তে জীৱিকাৰ সহায় লাভ কৰে।

## শক্তি আৰু স্থিতিস্থাপকতা প্ৰতিফলিত কৰা চিত্ৰ

**৩৫৭.১৪**

লাখ কোটি টকা হৈছে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বৰ্তমানৰ মূল্য অনুসৰি ভাৰতৰ আনুমানিক জিডিপি, যিয়ে ভাৰতীয় অৰ্থনীতিৰ শক্তিক প্ৰতিফলিত কৰে।

**৪৮৪**

বিএছইৰ বজাৰ মূলধন ৪৮৪ লাখ কোটি টকা ভাৰতীয় শ্বেয়াৰ বজাৰৰ ক্ৰমবৰ্ধমান শক্তি প্ৰদৰ্শন কৰে। (১৪ মে', ২০২৬ চনৰ তথ্য)।

- ২০২৬ চনৰ মাৰ্চ মাহলৈকে পিএলআই আঁচনিৰ অধীনত ২০.৪১ লাখ কোটি টকাৰ বিক্ৰী ৰেকৰ্ড কৰা হৈছে।
- লাভ কৰা ১৩৫.৪ বিলিয়ন ডলাৰৰ ৰেমিটেন্সে ভাৰতক ২০২৫-২৬ চনত বিশ্বৰ সৰ্ববৃহৎ ৰেমিটেন্স গ্ৰাহক দেশ হিচাপে গঢ়ি তুলিছে।
- ২০২৫ চনৰ ডিচেম্বৰ মাহত অনুসূচিত বাণিজ্যিক বেংকৰ এনপিএ অনুপাত ১.৮৯% (৪.০৩ লাখ কোটি টকা) আছিল, যিটো ২০১৫ চনৰ মাৰ্চ মাহত ৪.২৮% (৩.২৩ লাখ কোটি টকা) আছিল।
- ২০২৫-২৬ চনত ২২ লাখ কোটি টকাৰ অভিলেখ জিএছটি সংগ্ৰহ লাভ কৰা হয়।
- ২০২৫ চনৰ ছেপ্টেম্বৰ মাহলৈকে আইবিচি প্ৰক্ৰিয়াৰ জৰিয়তে ঋণদাতাৰ বাবে ৩.৯৯ লাখ কোটি টকা আদায় কৰা হৈছিল।



**৭০১**


বিলিয়ন ডলাৰ

২০২৬ চনৰ জানুৱাৰী মাহত ভাৰতৰ বৈদেশিক মুদ্ৰাৰ মজুত ৭০১ বিলিয়ন ডলাৰত উপনীত হৈছিল, যি ২০২৫ চনৰ মাৰ্চ মাহত ৬৬৮.৩ বিলিয়ন ডলাৰ আছিল।

## এতিয়া অতিৰিক্ত খৰচৰ বাবে কিছু টকা সাঁচি ৰাখিব পাৰিম।

**১২.৭৫** লাখ টকাৰ বাৰ্ষিক আয় নতুন কৰ ব্যৱস্থাৰ অধীনত এতিয়া আয়কৰৰ আওতাৰ বাহিৰত ৰখা হৈছে, ফলস্বৰূপে সাধাৰণ লোকৰ হাতত ব্যয় আৰু সঞ্চয়ৰ বাবে অধিক ধন উপলব্ধ থাকিব।






## চৰকাৰৰ ওপৰত জনসাধাৰণৰ আস্থা বৃদ্ধি...

আয়কৰ ৰিটাৰ্ণ দাখিলৰ সংখ্যা দুগুণতকৈ অধিক বৃদ্ধি




**২৮** লাখ কোটি টকাৰো অধিক ২০২৫-২৬ বৰ্ষত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহ হৈছিল।

- নেক্সট জেন জি এছ টিয়ে কৰ ব্যৱস্থাক অধিক সৰল আৰু স্বচ্ছ কৰি কৰদাতাৰ ভিত্তি ১.৫ কোটিলৈ বৃদ্ধি কৰিছে, যাৰ ফলস্বৰূপে ২০২৫ চনৰ এপ্ৰিল মাহত ২.৩৬ লাখ কোটি টকাৰ জি এছ টি সংগ্ৰহ সম্ভৱ হৈছে।

২০২৬ চনৰ এপ্ৰিল মাহত জি এছ টি সংগ্ৰহ **২.৪৩** লাখ কোটি টকালৈ উন্নীত হৈছে।




২০২৬-২৭ বৰ্ষৰ বাবে প্ৰাককলিত কৰ ৰাজহ-জি ডি পি অনুপাত **১০.৯%** ধাৰ্য কৰা হৈছে, যি ২০২৫-২৬ বৰ্ষৰ সংশোধিত প্ৰাককলন ১০.৮%তকৈ সামান্য অধিক।

## নতুন নিয়োগে উন্নয়ন আৰু সমৃদ্ধিক আগবঢ়াই লৈ গৈছে


- ভাৰতৰ নিবনুৱাৰ হাৰ হ্ৰাস পোৱাটোৱে দেশৰ অৰ্থনৈতিক গতি আৰু অন্তৰ্নিহিত শক্তিৰ সুদৃঢ় প্ৰতিফলন আগবঢ়াইছে।
- ২০২৫ চনৰ পি এল এফ এছ সমীক্ষাই শ্ৰমিক অংশগ্ৰহণৰ হাৰ আৰু শ্ৰমিক-জনসংখ্যাৰ অনুপাত দুয়োটাতে উল্লেখযোগ্য উন্নতিৰ সমান্তৰালভাৱে নিবনুৱাৰ হাৰ লক্ষণীয়ভাৱে হ্ৰাস পোৱাৰ ইংগিত দিছে।
- ২০২৫ চনৰ নৱেম্বৰ মাহত ১৫ বছৰ আৰু তাতকৈ অধিক বয়সৰ ব্যক্তিসকলৰ নিবনুৱাৰ হাৰ ৪.৮ শতাংশলৈ হ্ৰাস পাইছে, যি ২০২৫ চনৰ অক্টোবৰ মাহত ৫.৪ শতাংশ আছিল।
- ২০২৫ চনৰ এপ্ৰিল মাহৰ পিছত এয়াই হৈছে সৰ্বনিম্ন নিবনুৱাৰ হাৰ (৫.১ শতাংশ)।



# আধুনিক আন্তঃগাঁথনিয়ে ভাৰতৰ ভেটি অধিক সুদৃঢ় কৰি তুলিছে

*সাহসী সংস্কাৰ আৰু অভূতপূৰ্ব আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তেই 'নতুন ভাৰত' গঢ়ি তোলাৰ লক্ষ্য বাস্তৱ ৰূপ লাভ কৰিছে। আন্তঃগাঁথনি-নেতৃত্বাধীন বিকাশক কেন্দ্ৰবিন্দু কৰি দেশখনে প্ৰতিটো ক্ষেত্ৰতে অসাধাৰণ গতি আৰু বিস্তাৰৰ সৈতে অগ্ৰগতি সাধন কৰি আছে–সেয়া জলপথ, স্থলপথ অথবা আকাশপথ যিয়েই নহওক। সংসদ ভৱন, ভাৰত মণ্ডপম আৰু যশোভূমীৰ দৰে প্ৰতীকধৰ্মী স্থাপত্যৰ লগতে শতাধিক দলঙে ভাৰতৰ উন্নয়নৰ নতুন দিগন্ত উন্মোচন কৰিছে। স্বাধীনতাৰ শতবাৰ্ষিকীৰ দিশে অগ্ৰসৰ হোৱা এই সময়ত ভাৰতে নিজৰ আন্তঃগাঁথনি দ্ৰুতগতিত বিস্তাৰ কৰি আছে, যাৰ ফলত 'বিকশিত ভাৰত'ৰ সপোন বাস্তৱায়নৰ পথ অধিক সুদৃঢ় আৰু প্ৰশস্ত হৈ উঠিছে...*

১২ বছৰৰ ভিতৰত আন্তঃগাঁথনি খণ্ডত চৰকাৰী ব্যয় ছয়গুণ বৃদ্ধি পাইছে




### আধুনিক ভাৰতক অধিক শক্তিশালী কৰি তুলিবলৈ ২০০০ আন্তঃগাঁথনি প্ৰকল্প

**৪১.৫**

লাখ কোটি টকাতকৈ অধিক মূল্যৰ ১৯০০ৰো অধিক আন্তঃগাঁথনি প্ৰকল্প সমগ্ৰ দেশজুৰি সক্ৰিয়ভাৱে ৰূপায়ণ কৰা হৈছে। এই প্ৰতিটো প্ৰকল্পত ১৫০ কোটিতকৈ অধিক টকাৰ বিনিয়োগ কৰা হৈছে।

- ভাৰত চৰকাৰে এক সমৰ্পিত ডিজিটেল প্লেটফৰ্ম PAIMANAৰ জৰিয়তে কেন্দ্ৰীয় খণ্ডৰ এই আন্তঃগাঁথনি প্ৰকল্পসমূহ নিয়মিতভাৱে নিৰীক্ষণ কৰি আছে। ইয়াৰ ফলত সময়োপযোগী পৰ্যালোচনা নিশ্চিত হোৱাৰ লগতে তথ্যভিত্তিক সিদ্ধান্ত গ্ৰহণ অধিক কাৰ্যকৰী হৈছে।
- ২০২৬ চনৰ মাৰ্চ মাহলৈকে সমগ্ৰ দেশত চলি থকা এই আন্তঃগাঁথনি প্ৰকল্পসমূহত প্ৰায় ২০ লাখ কোটি টকা ব্যয় কৰা হৈছে; এই পৰিমাণে প্ৰকল্পসমূহৰ সংশোধিত আনুমানিক ব্যয়ৰ প্ৰায় ৪৮.০২ শতাংশ প্ৰতিনিধিত্ব

**১,৪২৮**

টা প্ৰকল্প পৰিবহণ আৰু লজিষ্টিক খণ্ডৰ সৈতে সম্পৃক্ত, যি সৰ্বাধিক সংখ্যক প্ৰকল্পৰ অন্তৰ্গত; এই ক্ষেত্ৰত ২২.৬৬ লাখ কোটি টকা ব্যয় কৰা হৈছে। ইয়াৰ দ্বাৰা স্পষ্ট হয় যে দেশখনে সংযোগভিত্তিক আন্তঃগাঁথনি উন্নয়নক সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

**৭৭৭**

টা প্ৰকল্পই ৮০%তকৈ অধিক অগ্ৰগতিৰ স্তৰ স্পৰ্শ কৰিছে।

**১,৯৪১**


বৰ্তমান নিৰ্মাণাধীন আন্তঃগাঁথনি প্ৰকল্পসমূহৰ ভিতৰত ৭৮৬টা হৈছে ১০০০ কোটি টকা বা তাতকৈ অধিক ব্যয়সম্পন্ন "মেগা প্ৰজেক্ট"।

### প্ৰকল্পসমূহ এতিয়া আৰু স্থবিৰতা বা অযথা বিলম্বৰ সন্মুখীন নহয়

- 'প্ৰগতি'-সক্ৰিয় শাসন ব্যৱস্থা আৰু সময়মতে ৰূপায়ণ নিশ্চিত কৰাৰ লক্ষ্যৰে গঢ়ি তোলা এক পদক্ষেপ-২০১৫ চনত প্ৰধানমন্ত্ৰী মোদীয়ে আৰম্ভ কৰিছিল; এই পদক্ষেপৰ অধীনত প্ৰযুক্তিনিৰ্ভৰ পদ্ধতিৰে তেওঁৰ নেতৃত্বত প্ৰকল্পসমূহ নিয়মিতভাৱে নিৰীক্ষণ কৰা হয়।
- প্ৰকল্প ৰূপায়ণত পলম যথেষ্ট হ্ৰাস কৰাৰ লগতে ব্যয় বৃদ্ধিৰ প্ৰৱণতাও নিয়ন্ত্ৰণত অনা হৈছে।

**৮৫**

লাখ কোটি টকাতকৈ অধিক মূল্যৰ ৩৮২টা প্ৰকল্প 'প্ৰগতি' প্লেটফৰ্মৰ জৰিয়তে পৰ্যালোচনা কৰা হৈছে। যতেই বা বাধাৰ সৃষ্টি হৈছিল, তাতেই প্ৰধানমন্ত্ৰী মোদীৰ নিৰ্দেশনাত সময় নিৰ্ধাৰিত পদ্ধতিৰে সমাধান নিশ্চিত কৰা হৈছিল।



প্ৰচ্ছদ নিবন্ধ

১২ বছৰ

বিকাশ যাত্ৰাৰ

## ভাৰতত এতিয়া বিশ্বৰ দ্বিতীয় বৃহত্তম পথ নেটৱৰ্ক গঢ়ি উঠিছে




প্ৰৱেশ-নিয়ন্ত্ৰিত ৰাষ্ট্ৰীয় তীব্ৰবেগী কৰিডৰ/এক্সপ্ৰেছৱেৰ দৈৰ্ঘ্য ২০১৪ চনত মাত্ৰ ৯৩ কিলোমিটাৰৰ তুলনাত বৃদ্ধি পাই **৩,০৫২** কিলোমিটাৰত উপনীত হৈছে।

ভাৰতমালা পৰিয়োজনাৰ অধীনত ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহলৈকে **২৬,৪২৫** কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ অনুমোদন দিয়া হৈছে, যাৰ বিপৰীতে ২২,২২৩ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে।

### ৰেলৱে: অধিক পৰিষ্কাৰ, নিৰাপদ আৰু দ্ৰুতগামী

- ৰেলৱেৰ বাজেটীয় সমৰ্থন ৯ গুণ বৃদ্ধি পাইছে; ২০১৪-১৫ চনত ৩২ হাজাৰ কোটি টকাৰ পৰা ২০২৫-২৬ চনত ২.৭৮ লাখ কোটি টকালৈ উন্নীত হৈছে।

**১,৩৩৮**টা ষ্টেচনৰ ‘অমৃত ভাৰত ষ্টেচন আঁচনি’ৰ অধীনত পুনৰ উন্নয়ন কৰা হৈছে, যাৰ ভিতৰত ২০০ৰো অধিক ষ্টেচনৰ কাম সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ২০২৫-২৬ বৰ্ষত ১১৯টা ষ্টেচন উদ্বোধন কৰিছে।

**১৩৯**

টা টাৰ্মিনেল প্ৰধানমন্ত্ৰী গতি শক্তিৰ অধীনত কমিচন কৰা হৈছে; লগতে ৩০০ অতিৰিক্ত স্থানত নতুন টাৰ্মিনেল উন্নয়নৰ বাবে অনুমোদন প্ৰদান কৰা হৈছে।

**১৬২** খন বন্দে ভাৰত ৰেল সেৱা

৪৫০০ ৰেল চেটৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছে, ২০৩০ চনৰ ভিতৰত ৮০০খন ৰেল কাৰ্যক্ষম কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে।

- ২০২৬ চনৰ জানুৱাৰী মাহত গুৱাহাটী-হাওৰা পথত বন্দে ভাৰত শ্লীপাৰ সেৱা আৰম্ভ কৰা হৈছে; লগতে বন্দে ভাৰত শ্লীপাৰ ৰেলৰ ২৬০টা ৰেল চেট আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে।
- ৫১ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৈৰবী-ছাইৰাং ৰেলপথ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ ফলত মিজোৰাম এতিয়া দেশৰ ৰেল নেটৱৰ্কৰ সৈতে সংযুক্ত হৈছে।
- ২০২৬ চনৰ ২২ জানুৱাৰীত ৪২খন ৱাগনেৰে গঠিত আৰু ২,৭৬৮ মেট্ৰিক টন চাউল কঢ়িয়াই অনা প্ৰথমখন সম্পূৰ্ণ মালবাহী ৰেল অনন্তনাগত উপস্থিত হয়।
- ৭টা নতুন দ্ৰুতবেগী ৰেল কৰিডৰ নিৰ্মাণ কৰা হব। ইয়াৰ জৰিয়তে প্ৰায় ৪,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক বিস্তৃত নেটৱৰ্ক গঢ়ি তোলা হব। এই ক্ষেত্ৰত ১৬ লাখ কোটি টকাৰ বিনিয়োগৰ আশা কৰা হৈছে।

## সামুদ্ৰিক আন্তঃগাঁথনি অধিক শক্তিশালী কৰা হৈছে

### ৰাষ্ট্ৰীয় জলপথৰ ব্যাপক সম্প্ৰসাৰণ

২০১৪ চনত ৫খনৰ পৰা বৃদ্ধি পাই ২০২৬ চনত ১১১খনলৈ উপনীত হৈছে।

ভাৰতীয় পতাকাবাহী জাহাজৰ সংখ্যা ২০১৪ চনত ১,২৫০খনৰ পৰা বৃদ্ধি পাই ২০২৬ চনত ১,৫৯৩খনলৈ উন্নীত হৈছে।

### মুখ্য বন্দৰসমূহৰ ক্ষমতা প্ৰায় দুগুণ বৃদ্ধি

২০১৪ চনত ৮৭৩ এম এম টি পি এ (বছৰি মিলিয়ন মেট্ৰিক টন)ৰ পৰা ২০২৬ চনত ১,৭২৬ এম এম টি পি এলৈ বৃদ্ধি পাইছে।



“আজি সমগ্ৰ দেশতে মেগা-প্ৰজেক্টৰ কাম দ্ৰুত গতিত আগবাঢ়ি আছে। উত্তৰ দিশলৈ চালে জম্মু-কাশ্মীৰত নিৰ্মাণ কৰা হৈছে চেনাব দলং-বিশ্বৰ অন্যতম উচ্চ ৰেল দলং। যদি আপুনি পশ্চিম দিশলৈ যায়, তেন্তে মুম্বাইত নিৰ্মাণ কৰা হৈছে অটল সেতু-দেশৰ আটাইতকৈ দীঘল সাগৰীয় দলং। আৰু যদি আপুনি পূব দিশলৈ যাত্ৰা কৰে, তেন্তে অসমৰ বগীবিল দলং উন্নত আন্তঃগাঁথনিৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে দৃষ্টিগোচৰ হ’ব। দক্ষিণত পাম্বান দলং-বিশ্বৰ অন্যতম বিশেষ উলম্ব লিফ্‌ট দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। দেশৰ প্ৰথমখন বুলেট ট্ৰেইন প্ৰকল্পৰ কাম দ্ৰুতগতিত আগবাঢ়ি আছে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ



## মেট্ৰ’ ৰেল নেটৱৰ্ক

**১,১৫৫**

কিলোমিটাৰ-এয়া ২০২৬ চনৰ হিচাপত ভাৰতৰ মেট্ৰ’ নেটৱৰ্কৰ দৈৰ্ঘ্য, যিটো ২০১৪ চনৰ ২৪৮ কিলোমিটাৰৰ তুলনাত উল্লেখযোগ্যভাৱে সম্প্ৰসাৰিত হৈছে।

- কেন্দ্ৰীয় বাজেট ২০২৬-২৭ত আন্তঃগাঁথনি বিপদ নিশ্চয়তা পুঁজি আৰু নগৰ অৰ্থনৈতিক মণ্ডলৰ দৰে নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে, যাৰ লক্ষ্য হৈছে আন্তঃগাঁথনি-নেতৃত্বাধীন বৃদ্ধি আৰু সুষম নগৰ উন্নয়ন অধিক শক্তিশালী কৰা।

- চৰকাৰী সম্পত্তিৰ মুদ্ৰাকৰণৰ ফলত ১.৫ লাখ কোটি টকাতকৈ অধিক ৰাজহ আহৰণ কৰা হৈছে, যাৰ ফলত পুঁজিৰ পুনঃব্যৱহাৰ নতুন প্ৰকল্পসমূহলৈ অধিক সহজ আৰু গতিশীল হৈ উঠিছে। এই পদক্ষেপে বিশ্বব্যাপী বিনিয়োগকাৰীসকলকো সফলতাৰে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

### আন্তঃগাঁথনিত ব্যক্তিগত অংশগ্ৰহণৰ উল্লেখযোগ্য বৃদ্ধি

- বিশ্ব বেংকৰ তথ্য অনুসৰি, ভাৰতে দক্ষিণ এছিয়াত আন্তঃগাঁথনিত ব্যক্তিগত অংশগ্ৰহণ (পি পি আই) বিনিয়োগৰ সৰ্ববৃহৎ গ্ৰাহক হিচাপে আত্মপ্ৰকাশ কৰিছে, যিয়ে অঞ্চলটোৰ মুঠ বিনিয়োগৰ ৯০ শতাংশতকৈ অধিক অংশ লাভ কৰিছে।



### আন্তঃগাঁথনি ব্যয়ে চাকৰি সৃষ্টিত বিশেষ সহায় আগবঢ়ায়

- আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই এম এফ)ৰ মতে, আন্তঃগাঁথনিত বিনিয়োগ কৰা প্ৰতি ১০ লাখ ডলাৰ (প্ৰায় ৮.৩ কোটি টকা)ৰ বিপৰীতে ৭ৰ পৰা ৩০টা নতুন চাকৰিৰ সৃষ্টি হয়। ইয়াৰ ফলত তীখা, চিমেণ্ট আৰু পৰিবহণৰ দৰে খণ্ডসমূহে প্ৰত্যক্ষভাৱে লাভান্বিত হয়, যত নতুন নিয়োগৰ সুযোগ দ্ৰুতগতিত বৃদ্ধি পাইছে।

- এটা বছৰত আন্তঃগাঁথনি খণ্ডত ১২ লাখ কোটি টকাতকৈ অধিক ব্যয়ৰ ফলত লাখ লাখ লোকৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ’ব বুলি আশা কৰা হৈছে। অনুমান অনুসৰি, ২০৩০ চনৰ ভিতৰত কেৱল নিৰ্মাণ খণ্ডতেই ১০ কোটি লোকৰ বাবে চাকৰিৰ সুযোগ সৃষ্টি হ’ব।

### গ্ৰাম্য সংযোগৰ উল্লেখযোগ্য সম্প্ৰসাৰণ...

**প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা**




আৰম্ভণিৰ পৰা ২০২৫ চনৰ ডিচেম্বৰ মাহলৈকে **৮.২৫** লাখ কিলোমিটাৰ গ্ৰাম্য পথৰ অনুমোদন প্ৰদান কৰা হৈছে।

২০২৫ চনৰ ডিচেম্বৰৰ ভিতৰত **৭.৮৭** লাখ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে।

### প্ৰধানমন্ত্ৰী গতি শক্তিয়ে ইনফ্ৰা প্ৰজেক্টসমূহক নতুন গতি প্ৰদান কৰিছে

প্ৰধানমন্ত্ৰী গতি শক্তি ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেনৰ জৰিয়তে নেটৱৰ্ক প্লেনিং গ্ৰুপে ৩৫২টা আন্তঃগাঁথনি প্ৰকল্পৰ **১৬.১০** লাখ কোটি টকাৰ মূল্যায়ন সম্পন্ন কৰিছে।

২০১টা প্ৰকল্প অনুমোদন লাভ কৰিছে, যাৰ ভিতৰত ১৬৭টা প্ৰকল্পৰ ৰূপায়ণৰ কাম বৰ্তমান চলি আছে।



# বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা

## স্বচ্ছতা আৰু ৰূপান্তৰৰ এক নতুন যুগ


*শাস্ত্ৰত উল্লেখ আছেঃ* ***জ্ঞানম্ বিজ্ঞান সহিতম্ যত্ জ্ঞাত্বা মোক্ষ্যসে অশুভাত্।।*** *বিজ্ঞান হৈছে সমাধান, বিকাশ আৰু উদ্ভাৱনৰ এক সুদৃঢ় ভেটি। এই নীতি-আদৰ্শৰ পৰা অনুপ্ৰাণিত হৈ আজিৰ ‘নতুন ভাৰত’ আগবাঢ়ি গৈছে– “জয় জৱান, জয় কিষাণ, জয় বিজ্ঞান” আৰু এতিয়া “জয় অনুসন্ধান” শ্লোগানেৰে সমবেতভাৱে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই ভাৰতৰ অগ্ৰগতিৰ এক শক্তিশালী চালিকা শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে, যিয়ে নতুন ভাৰতৰ বিকাশগাথাক নতুন দিশ প্ৰদান কৰিছে...*

### গ্ল’বেল ছায়েন্স এণ্ড টেকন’লজি ইনডেক্সত ভাৰতৰ উল্লেখযোগ্য উত্থান

**গ্ল’বেল ইনোভেচন ইনডেক্স (জি আই আই) ২০২৫**
বিশ্বৰ শীৰ্ষ উদ্ভাৱনী অৰ্থনীতিসমূহৰ ভিতৰত ভাৰতে ৩৮ নম্বৰ স্থান দখল কৰিছে।

**ডব্লিউ আই পি অ’ৰ প্ৰতিবেদন ২০২৩**
বৌদ্ধিক সম্পত্তি দাখিলৰ ক্ষেত্ৰত ভাৰতে বিশ্বজুৰি ৬ নম্বৰ স্থান অধিকাৰ কৰিছে।

**নেটৱৰ্ক প্ৰস্তুতি সূচকাংক ২০২৪**






- নেটৱৰ্ক ৰেডিনেছ ইনডেক্স হৈছে বিশ্বৰ ১৩৩খন অৰ্থনীতিত তথ্য আৰু যোগাযোগ প্ৰযুক্তি (আই চি টি)ৰ ব্যৱহাৰ আৰু ইয়াৰ প্ৰভাৱ মূল্যায়ন কৰা অন্যতম আগশাৰীৰ বিশ্বব্যাপী সূচকাংক।
- গৱেষণামূলক প্ৰকাশনৰ ক্ষেত্ৰতো ভাৰতে বিশ্বজুৰি ৩য় স্থান লাভ কৰিছে।


## যোৱা দশকত হোৱা উল্লেখযোগ্য পৰিৱৰ্তন

- গৱেষণা আৰু উন্নয়ন (আৰ এণ্ড ডি) খণ্ডত ব্যয় দুগুণ বৃদ্ধি পাইছে।
- প্ৰদান কৰা পেটেণ্টৰ সংখ্যাই ১,০০,০০০ৰ সীমা অতিক্ৰম কৰিছে; ২০১৪ চনত এই সংখ্যা আছিল মাত্ৰ ৫,৯৭৮। পেটেণ্ট প্ৰদানৰ পৰিমাণ ১৭ গুণ বৃদ্ধি পাইছে।
- ২,০০,০০০ৰো অধিক ষ্টাৰ্টআপৰ সৈতে ভাৰত এতিয়া বিশ্বৰ তৃতীয় বৃহত্তম ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

**৬,০০০+** ৰো অধিক ‘ডিপ টেক’ ষ্টাৰ্টআপ স্বচ্ছ শক্তি আৰু উন্নত সামগ্ৰীৰ দৰে খণ্ডত সক্ৰিয়ভাৱে কাম কৰি আছে।

- ভাৰতৰ অৰ্ধপৰিবাহী খণ্ডইও দ্ৰুত অগ্ৰগতিৰ সূচনা কৰিছে। ছেমিকণ্ডাক্টৰ মিছন ২.০ মুকলি কৰাৰ প্ৰস্তুতি চলি আছে।

**জৈৱ অৰ্থনীতি**




**ৰাষ্ট্ৰীয় কোৱাণ্টাম অভিযান**
৪৩টা প্ৰতিষ্ঠান আৰু
১৭টা প্ৰকল্প দলৰ
১৫২জন গৱেষকক
সামৰি ৪টা বিষয়ভিত্তিক
কেন্দ্ৰ (থেমাটিক হাব)
স্থাপন কৰা হৈছে।

- ভাৰতৰ হাতত বিশ্বৰ প্ৰথম আৰু সফল ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আছে। ২,১৮,০০০ গ্ৰাম পঞ্চায়ত অপটিকেল ফাইবাৰৰ জৰিয়তে সংযোগ কৰা হৈছে। এই সুবিধাই নাগৰিকসকলৰ জীৱন অধিক সহজ আৰু সুলভ কৰি তুলিছে।
- যোৱা কিছু বছৰত ভাৰতৰ মহাকাশ কাৰ্যসূচী চন্দ্ৰ আৰু মংগল গ্ৰহলৈকে বিস্তৃত হৈছে, লগতে এই উন্নত প্ৰযুক্তিৰ সুবিধা কৃষক আৰু মাছমৰীয়াসকলৰ মাজতো সফলতাৰে সম্প্ৰসাৰিত হৈছে।
- মহিলাসকলে বাৰ্ষিক পেটেণ্ট দাখিলৰ সংখ্যা ৫,০০০ৰ সীমা অতিক্ৰম কৰিছে।
- ইঞ্চপায়াৰ মানকে ‘ষ্টেম’ (এছ টি ই এম) শিক্ষাক অধিক প্ৰসাৰিত কৰিছে। ২০২৫-২৬ চনত বিদ্যালয়সমূহৰ পৰা মুঠ ১১.৪৭ মিলিয়ন ধাৰণা আৰু উদ্ভাৱন সংগ্ৰহ কৰা হৈছিল; উল্লেখযোগ্যভাৱে, নামভৰ্তিৰ ৫২% আছিল ছোৱালী।
- ‘ষ্টেম’ শিক্ষাত মহিলাৰ অংশগ্ৰহণ ৪৩%লৈ বৃদ্ধি পাইছে, যিয়ে বিশ্বৰ গড় হাৰকো অতিক্ৰম কৰিছে।
- ১০,০০০ টিংকাৰিং লেব স্থাপন কৰা হৈছে, যত বৰ্তমান এক কোটিৰো অধিক শিশুৱে পৰীক্ষা-নিৰীক্ষা চলাই আছে। ভাৰতে এতিয়া ২৫,০০০ নতুন অটল টিংকাৰিং লেব স্থাপনৰ দিশত অগ্ৰসৰ হৈছে।
- বিগত কেইবছৰমানত ৭খন নতুন আই আই টি আৰু ১৬খন আই আই আই টি স্থাপন কৰা হৈছে।
- নতুন শিক্ষা নীতিৰ অধীনত এতিয়া যুৱক-যুৱতীসকলে নিজৰ স্থানীয় ভাষাত ষ্টেম পাঠ্যক্ৰম-যেনে বিজ্ঞান আৰু অভিযান্ত্ৰিক শিক্ষা-অধিগ্ৰহণ কৰিব পাৰিব।
- আজি সকলো ক্ষেত্ৰতে এ আইৰ ব্যৱহাৰ বৃদ্ধি পাইছে-খুচুৰা বিক্ৰীৰ পৰা আৰম্ভ কৰি লজিষ্টিকলৈকে, আৰু গ্ৰাহক সেৱাৰ পৰা আৰম্ভ কৰি শিশুৰ ঘৰুৱা শিক্ষালৈকে। এই ধাৰাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ভাৰত এ আই মিছনত ১০,০০০ কোটি টকাতকৈ অধিক বিনিয়োগ কৰা হৈছে।

প্ৰচ্ছদ নিবন্ধ
১২ বছৰ
বিকাশ যাত্ৰাৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যিদৰে ডিজিটেল প্ৰযুক্তিক আকোৱালি লৈছে, তেনে উদাহৰণ আন কোনো নেতাৰ ক্ষেত্ৰত সচৰাচৰ দেখা নাযায়। ৰাজনীতি আৰু নীতি নিৰ্ধাৰণ-উভয় ক্ষেত্ৰতে এই প্ৰযুক্তিৰ সফল আৰু ব্যাপক ব্যৱহাৰৰ যথেষ্ট প্ৰমাণ পোৱা গৈছে।

## ভাৰতৰ ডিজিটেল আৰোহণ


মাত্ৰ ২২ মাহৰ ভিতৰতে দেশৰ ৯৯.৬% জিলাত ৫জি সেৱা সম্প্ৰসাৰিত কৰা হৈছে।

বৰ্তমান দেশৰ **৯৯.৯%** জিলাত ৫জি সেৱা উপলব্ধ।

- ভাৰতত নতুন প্ৰযুক্তি গ্ৰহণ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত ৫জিয়ে অপৰিসীম সুযোগৰ দুৱাৰ মুকলি কৰিছে।
- ইণ্টাৰনেট তথ্যৰ ব্যয় ৯৭.০৭% হ্ৰাস পোৱাত সাধাৰণ জনতাৰ বাবে ইণ্টাৰনেট সেৱা অধিক সুলভ আৰু সহজলভ্য হৈ পৰিছে।
- ভাৰত ৬জি প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে; লক্ষ্য হৈছে ৬জিৰ সৈতে জড়িত বিশ্বব্যাপী পেটেণ্টত প্ৰায় ১০% অৰিহণা যোগোৱা। আজিলৈকে ভাৰতে ইতিমধ্যে প্ৰায় ৪,০০০ পেটেণ্ট প্ৰদান কৰিছে।

ভাৰতনেট আঁচনিৰ অধীনত **৭.২২** লাখ কিলোমিটাৰ অপটিকেল ফাইবাৰ কেবল স্থাপন কৰা হৈছে, যাৰ ফলত সমগ্ৰ দেশতে ইণ্টাৰনেট সংযোগ ব্যৱস্থা অধিক শক্তিশালী হৈছে।

ভাৰতত ইণ্টাৰনেট সংযোগৰ সংখ্য




এইটোৱেই হৈছে ১জিবি ডাটাৰ বাবে বৰ্তমানৰ খৰচ




- ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহলৈকে মোবাইল গ্ৰাহকৰ সংখ্যা ১২৭.৩৩ কোটিলৈ বৃদ্ধি পাইছে। ডিজিটেল ইক'চিষ্টেমৰ বিকাশৰ ফলত ধন প্ৰেৰণ আৰু ক্ৰয়-বিক্ৰয়ৰ লেনদেন অধিক সহজ, দ্ৰুত আৰু সুৰক্ষিত হৈ পৰিছে।
- "মোবাইল ত্ৰিশক্তি" (মোবাইল ট্ৰিনিটি)ৰ জৰিয়তে চৰকাৰী আঁচনিৰ সুবিধাসমূহ পোনপটীয়াকৈ উদ্দেশ্যপ্ৰণোদিত হিতাধিকাৰীসকলৰ ওচৰলৈ উপনীত হৈছে। ইয়াৰ ফলত ডুপ্লিকেচন আৰু প্ৰৱঞ্চনাৰ ঘটনা যথেষ্ট হ্ৰাস পাইছে।





### প্ৰযুক্তিয়ে চুৰি হোৱা মোবাইল ফোন উদ্ধাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে

সঞ্চাৰ সাথী পদক্ষেপৰ জৰিয়তে **১০** লাখ হেৰুৱা বা চুৰি হোৱা মোবাইল ফোন উদ্ধাৰ কৰা হৈছে।

টেলিকম সম্পদৰ অপব্যৱহাৰ ৰোধ কৰাৰ লক্ষ্যৰে এই প্ৰযুক্তিভিত্তিক সমাধান প্ৰস্তুত কৰা হৈছে।

ইয়াৰ জৰিয়তে ব্যৱহাৰকাৰীয়ে সন্দেহজনক বা প্ৰৱঞ্চনামূলক কল/বাৰ্তা ৰিপৰ্ট কৰিব পাৰে, চুৰি হোৱা মোবাইল ফোনৰ তথ্য জনাব পাৰে, আৰু মোবাইল হেণ্ডছেট এটা প্ৰকৃত নে নকল সেই বিষয়েও পৰীক্ষা কৰিব পাৰে।

**২** কোটিৰো অধিক এপ ডাউনলোডৰ ৰেকৰ্ড স্থাপন হৈছে।

২০২৫ চনৰ মে' মাহত আৰম্ভ হোৱাৰ পৰাই বিত্তীয় জালিয়াতিৰ বিপদ সূচক (এফ আৰ আই)ৰ সহায়ত **২,৩০০** কোটি টকাৰ প্ৰৱঞ্চনামূলক লেনদেন প্ৰতিৰোধ কৰা হৈছে।

> যেতিয়া বিজ্ঞানৰ পৰিসৰ বিস্তৃত হয়, যেতিয়া উদ্ভাৱন সৰ্বাংগীণ ৰূপ লাভ কৰে, আৰু যেতিয়া প্ৰযুক্তিয়ে ৰূপান্তৰৰ গতি ত্বৰান্বিত কৰে, তেতিয়া কীৰ্তিচিহ্নস্বৰূপ সাফল্যৰ ভেটি অধিক শক্তিশালী আৰু সুদৃঢ়ভাৱে প্ৰতিষ্ঠিত হয়। বিগত ১০-১১ বছৰত ভাৰতৰ যাত্ৰাই এই দৃষ্টিভংগীৰ এক উজ্জ্বল প্ৰমাণ হিচাপে আত্মপ্ৰকাশ কৰিছে। ভাৰত এতিয়া কেৱল প্ৰযুক্তিৰ গ্ৰাহক নহয়; বৰং ই প্ৰযুক্তিনিৰ্ভৰ ৰূপান্তৰৰ পথপ্ৰদৰ্শক হিচাপে বিশ্বমঞ্চত নিজৰ স্বকীয় পৰিচয় গঢ়ি তুলিছে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

# সংস্কাৰে উদ্যোগসমূহৰ বাবে অধিক সহজ আৰু সুগম পথ প্ৰশস্ত কৰিছে

*ভাৰত চৰকাৰক ব্যৱসায় আৰু বিনিয়োগৰ বাবে অধিক আকৰ্ষণীয় গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে চলি থকা প্ৰচেষ্টাৰ অংশ হিচাপে, ভাৰত চৰকাৰে ব্যৱসায়িক সংস্কাৰ কাৰ্য্য পৰিকল্পনা প্ৰণয়নৰ জৰিয়তে ধাৰাবাহিকভাৱে ব্যাপক সংস্কাৰমূলক পদক্ষেপ ৰূপায়ণ কৰি আছে। এই সংস্কাৰসমূহৰ ফলত দেশৰ ভিতৰত ব্যৱসায় স্থাপন কৰিবলৈ প্ৰয়োজন হোৱা সময় আৰু ব্যয়–উভয়েই উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে এই অনুকূল পৰিৱেশৰ সহায়ত সমগ্ৰ দেশজুৰি নতুন বিনিয়োগ, নতুন ব্যৱসায় আৰু নতুন নিয়োগৰ সুযোগ অধিক শক্তিশালীভাৱে বিস্তাৰ কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে।*

**ভাৰত চৰকাৰে ব্যৱসায়িক সংস্কাৰ কাৰ্য্য পৰিকল্পনা (বি আৰ এ পি)ৰ অধীনত ব্যৱসায় কৰাত অধিক সহজতা নিশ্চিত কৰাৰ উদ্দেশ্যে কেইবাটাও বৃহৎ সংস্কাৰ সফলতাৰে ৰূপায়ণ কৰি আছে।**

- বি আৰ এ পিৰ সপ্তম সংস্কৰণৰ অধীনত ৯,৭০০ৰো অধিক সংস্কাৰ সফলতাৰে ৰূপায়ণ কৰা হৈছে।
- শ্ৰম, পৰিৱেশ, ভূমি আৰু কৰ সম্পৰ্কীয় নিয়মসমূহ অধিক সৰল আৰু ব্যৱহাৰকাৰী-অনুকূল কৰি তোলা হৈছে।
- পৰিৱেশ নিষ্কাশন আৰু পঞ্জীয়নৰ প্ৰক্ৰিয়াসমূহ সুশৃংখলিত কৰাৰ লগতে ডিজিটেলাইজ কৰা হৈছে।
- ভূমি ব্যৱহাৰ সলনি কৰাৰ পদ্ধতি অধিক সৰলীকৃত কৰা হৈছে।
- ঔদ্যোগিক উদ্দেশ্যৰ বাবে ভূমি উপলব্ধতাৰ সৈতে জড়িত তথ্যসমূহ জি আই এছ প্লেটফৰ্ম আৰু ইণ্ডিয়া ঔদ্যোগিক ভূমি বেংকৰ সৈতে একত্ৰিত কৰা হৈছে।
- অট্টালিকা নিৰ্মাণৰ নিয়মসমূহত অনা পৰিৱৰ্তনে ভূমিৰ অপচয় হ্ৰাস কৰাত বিশেষ সহায় কৰিছে।
- তৃতীয় পক্ষৰ সংস্থাসমূহ, বিশেষকৈ ব্যক্তিগত সত্তাসমূহক, এতিয়া বিল্ডিং অনুমোদন প্ৰক্ৰিয়াত সহায় আগবঢ়াবলৈ নিয়োজিত কৰা হৈছে।
- দখল আৰু সম্পূৰ্ণতাৰ প্ৰমাণপত্ৰ লাভৰ প্ৰক্ৰিয়া এতিয়া অধিক সহজ আৰু অনলাইন-ভিত্তিক ব্যৱস্থাত পৰিণত হৈছে।
- বিভিন্ন আইনৰ অধীনত সংঘটিত সৰু সৰু উলংঘাসমূহক অপৰাধমুক্ত কৰা হৈছে, অৰ্থাৎ ফৌজদাৰী অপৰাধৰ শ্ৰেণীৰ পৰা আঁতৰোৱা হৈছে।
- নীৰৱচ্ছিন্ন আৰু ডিজিটেলাইজড চৰকাৰৰ পৰা ব্যৱসায়লৈ (জি২বি) অনুমোদন ব্যৱস্থা নিশ্চিত কৰাৰ লক্ষ্যৰে ৩২টা কেন্দ্ৰীয় মন্ত্ৰালয়/বিভাগ আৰু ৩৩খন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলক ৰাষ্ট্ৰীয় একক খিৰিকী ব্যৱস্থা (এন এছ ডব্লিউ এছ)ৰ সৈতে একত্ৰিত কৰা হৈছে।
- এন এছ ডব্লিউ এছৰ জৰিয়তে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৩,০০০ৰো অধিক অত্যাৱশ্যকীয় চৰকাৰৰ পৰা ব্যৱসায়লৈ (জি২বি) অনুমোদন লাভৰ প্ৰক্ৰিয়া অধিক সহজ কৰি তোলা হৈছে; ইয়াৰ উপৰিও কেন্দ্ৰীয় বিভাগসমূহৰ পৰা ৩০০ৰো অধিক অনুমোদন এই মঞ্চৰ জৰিয়তেও উপলব্ধ কৰা হৈছে।



## নিয়ন্ত্ৰণ অনুসৰণ বোজা (আৰ চি বি) পদক্ষেপ

*ভাৰত চৰকাৰে ২০২০ চনত নিয়ন্ত্ৰণ অনুসৰণ বোজা (আৰ চি বি) পদক্ষেপ আৰম্ভ কৰিছিল। এই পদক্ষেপৰ অধীনত কেন্দ্ৰীয় চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে ২০২৫ চনৰ ভিতৰত ব্যৱসায়ী আৰু নাগৰিকসকলৰ ওপৰত বোজা সৃষ্টি কৰা ৪৭,০০০ অনুসৰণ চিনাক্ত কৰি হ্ৰাস কৰিছে।*

আৰচিবি+ পদক্ষেপৰ অধীনত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে সাধাৰণতে কাৰ্যকৰী কৰা ২৩খন আইনত চিনাক্ত কৰা ৬,২৬২টা অনুসৰণৰ ভিতৰত ৪,৮৪৬টা অনুসৰণ সফলতাৰে হ্ৰাস কৰা হৈছে।




**১৬,১০৯** টা অনুসৰণ সৰলীকৃত কৰা হৈছে।

**১,৫০০** ৰো অধিক অচল আইন বাতিল কৰা হৈছে।

**৪,৬২৩** টা অনুসৰণ অপৰাধমুক্ত কৰা হৈছে।

**৪,২৭০** টা অপ্ৰয়োজনীয় আৰু ডুপ্লিকেটিভ অনুসৰণ আঁতৰোৱা হৈছে।

**২২,২৮৭** টা অনুসৰণ ডিজিটেলাইজ কৰা হৈছে।

সংস্কাৰৰ এই পদক্ষেপ জন বিশ্বাস শ্চবিধান সংশোধনীগ্ন আইন, ২০২৩ৰ জৰিয়তে আৰম্ভ হৈছিল। এই আইনখনে ৪২খন কেন্দ্ৰীয় আইন সংশোধন কৰিছিল।

**১৮৩** টা বিধান অপৰাধমুক্ত কৰা হৈছিল; শাস্তি হিচাপে কাৰাদণ্ডৰ পৰিৱৰ্তে আৰ্থিক শাস্তি আৰু অন্যান্য প্ৰশাসনিক বলবৎকাৰী ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল।



## জন বিশ্বাস আইনৰ জৰিয়তে ব্যৱসায় কৰাত সহজসাধ্যতা


### জন বিশ্বাস (বিধান সংশোধনী) বিধেয়ক, ২০২৬

২৩টা মন্ত্ৰালয়ক সামৰি লোৱা ৭৯খন কেন্দ্ৰীয় আইনৰ **৭৮৪**টা বিধান সংশোধন কৰা হয়।



- ৩১৭ টা বিধান জৰিমনাৰ ব্যৱস্থাৰ পৰা দেৱানী শাস্তিলৈ ৰূপান্তৰ কৰা হয়।
- ১৫৮টা বিধানত জৰিমনাৰ ব্যৱস্থা সম্পূৰ্ণৰূপে আঁতৰাই দিয়া হৈছিল।
- ১১৩টা বিধানত কাৰাদণ্ড আৰু জৰিমনা-উভয় শাস্তিৰ ব্যৱস্থা আঁতৰাই দেৱানী শাস্তি প্ৰৱৰ্তন কৰা হয়।
- ৫৭টা বিধানত কাৰাদণ্ড আৰু জৰিমনা-উভয় ব্যৱস্থাই সম্পূৰ্ণৰূপে বাতিল কৰা হৈছিল।
- ৬৩টা বিধানত প্ৰথম অপৰাধৰ ক্ষেত্ৰত সতৰ্কবাণী বা জাননী প্ৰদানৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল।
- ১৭টা বিধানত কাৰাদণ্ডৰ সময়সীমা হ্ৰাস কৰা হৈছিল, আনহাতে ২৯টা বিধানত কাৰাদণ্ডৰ ব্যৱস্থা সম্পূৰ্ণৰূপে আঁতৰাই পেলোৱা হয়।
- ১৭টা বিধানত পাৰস্পৰিক চুক্তি (কম্পাউণ্ডিং)ৰ জৰিয়তে গোচৰ নিষ্পত্তিৰ সুবিধা প্ৰৱৰ্তন কৰা হৈছিল।
- আন ৯টা বিধানত কাৰাদণ্ডৰ পৰিৱৰ্তে দেৱানী শাস্তিৰ ব্যৱস্থা কৰা হৈছিল, কাৰাদণ্ডৰ প্ৰকৃতি অধিক যুক্তিসংগত কৰা হৈছিল অথবা অপৰাধৰ পৰিসৰ অধিক সংকুচিত কৰা হৈছিল।

### বিশ্ব বেংকৰ 'ইজ অৱ ডুইং বিজনেছ ৰেংকিং ২০২০'




এম এছ এম ইৰ সংজ্ঞা সংশোধন কৰা হৈছে। এম এছ এম ই ঋণক বাহ্যিক মানদণ্ডৰ সৈতে সংযুক্ত কৰা হৈছে। ক্ষুদ্ৰ আৰু লঘু উদ্যোগসমূহৰ বাবে এতিয়া ১০ লাখ টকা পৰ্যন্ত জামিনবিহীন ঋণৰ সুবিধা উপলব্ধ। এম এছ এম ই সমূহৰ কাৰ্য্যকৰী মূলধনৰ প্ৰয়োজনীয়তাৰ বাবে ঋণৰ সীমা-৫ কোটি টকালৈকে-তেওঁলোকৰ আনুমানিক বাৰ্ষিক লেনদেনৰ ন্যূনতম ২০% হিচাপে নিৰ্ধাৰণ কৰা হৈছে।



> বিগত দশকত ভাৰতে নিজৰ শাসন সংস্কৃতিত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সাক্ষী হৈছে। যেতিয়া সময়মতে সিদ্ধান্ত গ্ৰহণ কৰা হয়, সমন্বয় অধিক ফলপ্ৰসূ হয়, আৰু জবাবদিহিতা সুদৃঢ়ভাৱে প্ৰতিষ্ঠা হয়, তেতিয়া চৰকাৰী কাৰ্য্যকলাপৰ গতি স্বাভাৱিকভাৱেই অধিক ত্বৰান্বিত হয়। ইয়াৰ ইতিবাচক প্ৰভাৱ নাগৰিকৰ জীৱনত পোনপটীয়াকৈ প্ৰতিফলিত হয়।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

# এক যুগান্তকাৰী ৰূপান্তৰ

*'ইজ অৱ লিভিং'-নিজৰ জীৱন সহজ আৰু মৰ্যাদাপূৰ্ণভাৱে জীয়াই থকাৰ সুবিধা-প্ৰতিজন ব্যক্তিৰ মৌলিক অধিকাৰ। 'নতুন ভাৰত'ৰ শীৰ্ষ নেতৃত্বৰ দৃষ্টিভংগীয়ে কেৱল 'সুবিধাজনক কেইজনমান'ৰ প্ৰতি নহয়, বৰং গ্ৰাম্য জনসাধাৰণ, দৰিদ্ৰ, জনজাতীয় সম্প্ৰদায় আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱন অধিক সহজ আৰু সুৰক্ষিত কৰি তোলাৰ প্ৰতিশ্ৰুতিকো প্ৰতিফলিত কৰে। বিগত ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে কেৱল ৰাষ্ট্ৰখনৰ সপোন বৃহৎ পৰিসৰত কল্পনা কৰাই নহয়, মানুহক দৰিদ্ৰতাৰ পৰা মধ্যবিত্ত শ্ৰেণীলৈ উত্তৰণত সহায় কৰা আৰু ৰাজহুৱা সুবিধাসমূহৰ বিস্তাৰ নিশ্চিত কৰাৰ লক্ষ্যৰে ৰচনা কৰা কাৰ্যসূচীসমূহৰ 'চেচুৰেচন' (ইউনিভাৰ্চেল কভাৰেজ) নিশ্চিত কৰাৰ বাবেও দ্ৰুতগতিত কাম কৰি আহিছে। ফলস্বৰূপে 'ইজ অৱ লিভিং' এতিয়া কেৱল এটা বাক্যাংশ নহয়; ই চৰকাৰৰ পথপ্ৰদৰ্শক মন্ত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে...*

- পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে সৰলীকৃত কৰ ব্যৱস্থা, নাগৰিকৰ ওপৰত বোজা হ্ৰাস, আৰু ব্যৱসায় কৰাত সহজতা বৃদ্ধিৰ দিশত এক নিৰ্ণায়ক পদক্ষেপ হিচাপে আত্মপ্ৰকাশ কৰিছে।
- ইজ অৱ লিভিঙৰ প্ৰসাৰ ঘটাই চৰকাৰে দিল্লী-এন চি আৰ অঞ্চলকে ধৰি সমগ্ৰ দেশতে ঘাইপথ, ৰেলপথ, বন্দৰ আৰু তীব্ৰবেগী বিমান সংযোগৰ পৰিসৰ উল্লেখযোগ্যভাৱে বৃদ্ধি কৰিছে।
- 'ইজ অৱ লিভিং ইনডেক্স ২০২৫'ত পুনে, নৱী মুম্বাই, বৃহত্তৰ মুম্বাই, তিৰুপতি আৰু চণ্ডীগড় শীৰ্ষ ৫খন চহৰৰ ভিতৰত স্থান লাভ কৰিছে।
- আয়কৰ আইন, ১৯৬১ৰ ব্যাপক পুনৰ্গঠনৰ পিছত চৰকাৰে নতুন আয়কৰ আইন, ২০২৫ কাৰ্যকৰী কৰিছে। কৰ আইন অধিক সৰল আৰু সুশৃংখলিত কৰি ইয়াক অধিক সুলভ, স্বচ্ছ আৰু নাগৰিক-বান্ধৱ ৰূপত গঢ়ি তোলা হ'ব।
- পৰ্যটকৰ বাবে নিৰাপদ আৰু সুবিধাজনক ভ্ৰমণ নিশ্চিত কৰাৰ লক্ষ্যৰে টোল-ফ্ৰী নম্বৰ ১৮০০১১১৩৬৩ আৰু ১৩৬৩ নিবেদিত হেল্পলাইন হিচাপে মুকলি কৰা হৈছে। এই সেৱাসমূহ ১০টা আন্তঃৰাষ্ট্ৰীয় ভাষাকে ধৰি ১২টা ভাষাত ২৪ ঘণ্টাই উপলব্ধ।
- শ্ৰমিক কল্যাণক অধিক শক্তিশালী কৰা আৰু শ্ৰমিকসকলৰ জীৱন অধিক সৰল কৰাৰ উদ্দেশ্যে পূৰ্বৰ আইনসমূহৰ ঠাইত চাৰিখন শ্ৰম সংহিতা কাৰ্যকৰী কৰা হৈছে।



**১২.৬১** কোটি

অতিৰিক্ত গ্ৰাম্য পৰিয়ালক ২০২৬ চনৰ ১৩ মে'লৈকে টেপ সংযোগ প্ৰদান কৰা হৈছে। বৰ্তমান ১৫.৮৫ কোটি পৰিয়ালে নিজ গৃহতেই খোৱাপানীৰ সুবিধা লাভ কৰিছে।

২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত ঘৰৰ পৰাই ১.৯০ কোটি ডিজিটেল লাইফ চাৰ্টিফিকেট জমা দিয়া হৈছিল। ডিজিটেল লাইফ চাৰ্টিফিকেটে জ্যেষ্ঠ নাগৰিকসকলৰ জীৱন অধিক সহজ আৰু সুবিধাজনক কৰি তুলিছে।



**৫৮.১৮**

কোটি জন ধন একাউণ্ট মুকলি কৰা হৈছে, যাৰ ফলত সাধাৰণ নাগৰিকসকলৰ বাবে বেংকিং সেৱাৰ সহজলভ্যতা আৰু চৰকাৰী ৰাজসাহায্য লাভৰ সুবিধা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে।

**১২** লাখ টকা পৰ্যন্ত বাৰ্ষিক আয়ৰ ওপৰত নতুন কৰ ব্যৱস্থাৰ অধীনত কোনো আয়কৰ প্ৰযোজ্য নহয়।




দৰমহাপ্ৰাপ্ত কৰদাতাসকলৰ বাবে **৭৫,০০০** টকাৰ মানক কৰ্তনৰ সুবিধা প্ৰদান কৰা হৈছে।




— আই টি আৰ দাখিল কৰা কৰদাতাৰ সংখ্যা।




২০২৫-২৬ চনত ইউ পি আইৰ জৰিয়তে ৩১৪ লাখ কোটি টকাৰো অধিক লেনদেন প্ৰক্ৰিয়াকৰণ কৰা হৈছিল। ইয়াৰ ফলত যোৱা ১০ বছৰত ১২ হাজাৰগুণ বৃদ্ধি লক্ষ্য কৰা গৈছে।

গ্ল'বেল শ্বেয়াৰ: ভাৰতীয় ইউ পি আই ৰিয়েল টাইম পেমেণ্ট, বিশ্বৰ তুলনাত **৪৯%**

৭০০ৰো অধিক বেংকে এই নেটৱৰ্কত যোগদান কৰিছে। আজি প্ৰায় ৫৪ কোটি লোকে ইউ পি আই ব্যৱহাৰ কৰি আছে।

“

সহজ-সৰল জীৱন-যাপন প্ৰতিজন নাগৰিকৰ অধিকাৰ। আমাৰ শাসন ব্যৱস্থা এনে হোৱা উচিত, যাতে জাতিটোৰ নাগৰিকসকলৰ ‘জীৱন-যাপনৰ সহজতা’ আৰু ‘জীৱনৰ মানদণ্ড’ দিনে দিনে অধিক উন্নত হয়; এইটোৱেই আমাৰ মূল মানদণ্ড। মই সম্পূৰ্ণ দৃঢ়তাৰে কব বিচাৰোঁ যে ভাৰতত বাস কৰাৰ বাবে এইটোৱেই হৈছে এক উৎকৃষ্ট সময়। আজিৰ ভাৰতত ব্যৱসায় কৰাটো অধিক সহজ হৈ পৰিছে, আৰু জনসাধাৰণৰ দৈনন্দিন জীৱনো অধিক সৰল আৰু সুবিধাজনক হৈ উঠিছে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



## জীৱন অধিক সৰল আৰু সুবিধাজনক কৰি তোলা পদক্ষেপসমূহ



প্ৰতিদিনে প্ৰায় **১.১৫** মিলিয়ন লোকে মেট্ৰ’ সেৱাৰ সুবিধা লাভ কৰি আছে।


**১১৫৫** কিলোমিটাৰ দৈৰ্ঘ্যৰ মেট্ৰ’ নেটৱৰ্ক বৰ্তমান ২৬খন চহৰত বিস্তৃত হৈ পৰিছে।

স্বচ্ছ ভাৰত অভিযানৰ অধীনত ১২০ মিলিয়ন শৌচাগাৰ নিৰ্মাণ কৰা হৈছে।

- প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৪ কোটিৰো অধিক গৃহ বিতৰণ কৰা হৈছে, যাৰ ফলত চহৰ আৰু গ্ৰাম্য-উভয় অঞ্চলতে সৰ্বসাধাৰণৰ বাবে গৃহ নিৰ্মাণ অধিক সুলভ হৈ পৰিছে।
- উজ্জ্বলা যোজনাৰ অধীনত ১০৫.৬ মিলিয়ন গেছ সংযোগ প্ৰদান কৰা হৈছে; ইয়াৰ ফলত ধোঁৱাজনিত বিৰূপ স্বাস্থ্য প্ৰভাৱ হ্ৰাস পোৱাৰ লগতে সময়ো যথেষ্ট ৰাহি হৈছে-বিশেষকৈ পূৰ্বতে খৰি সংগ্ৰহ বা গৰুৰ গোবৰৰ কেক প্ৰস্তুত কৰাত ব্যয় হোৱা সময়।
- ইতিমধ্যে ৯.৩ কোটি যাত্ৰীয়ে বিমানবন্দৰত ‘ডিজিযাত্ৰা’ৰ সুবিধা লাভ কৰিছে; এই সুবিধা বৰ্তমান ৩৮টা বিমানবন্দৰত কাৰ্যকৰী কৰা হৈছে।
- বৰ্তমান সমগ্ৰ দেশতে (২০২৫ চনৰ ডিচেম্বৰ মাহলৈকে) ৫৮৭,০০০ নাগৰিক সেৱা কেন্দ্ৰই (চি এছ চি) সেৱা আগবঢ়াই আছে; এই কেন্দ্ৰসমূহৰ জৰিয়তে ৮০০ৰো অধিক বিভিন্ন ধৰণৰ সেৱা উপলব্ধ কৰা হৈছে।
- ২০২৫ চনৰ ডিচেম্বৰ মাহত ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা ১.০২৮৬ বিলিয়নত উপনীত হৈছে-যি ২০১৪ চনৰ মাত্ৰ ২৫ কোটিৰ তুলনাত ৩০০%তকৈ অধিক বৃদ্ধিৰ প্ৰতিফলন। ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যাৰ ক্ষেত্ৰত ভাৰত এতিয়া বিশ্বৰ শীৰ্ষ তিনিখন দেশৰ ভিতৰত স্থান লাভ কৰিছে।
- প্ৰতিজন বেতাঁৰ ডাটা গ্ৰাহকৰ গড় ডাটা ব্যৱহাৰ প্ৰতিমাহে ২৫ জিবি, আনহাতে উচ্চ আয়ৰ দেশসমূহত এই সংখ্যা ১৭.৯ জিবি। ২০১৪ চনত প্ৰতি জিবি ডাটাৰ খৰচ ৩০৮ টকাৰ পৰা আজি মাত্ৰ ৭.৮৭ টকালৈ হ্ৰাস পাইছে। তথ্যৰ সুলভ উপলব্ধতাই ডিজিটেল সেৱাৰ জৰিয়তে নাগৰিকৰ জীৱন অধিক সহজ আৰু সুবিধাজনক কৰি তুলিছে।

**১.৬৪** কোটিৰো অধিক যাত্ৰীয়ে ইউ ডি এন আঁচনিৰ সুবিধা লাভ কৰিছে।

**৬৬৫** টা পথে ৯৫টা বিমানবন্দৰ, হেলিপৰ্ট আৰু জল বিমানবন্দৰক সংযোগ কৰিছে।



বিমানবন্দৰৰ সংখ্যা



# অষ্টলক্ষ্মী ঃ নতুন ভাৰতৰ বাবে শান্তি আৰু সমৃদ্ধিৰ শক্তিকেন্দ্ৰ

উত্তৰ-পূবৰ আঠখন ৰাজ্যক প্ৰতিনিধিত্ব কৰা অষ্টলক্ষ্মী আজি আত্মবিশ্বাসেৰে উজ্জীৱিত। এই ৰাজ্যসমূহে নতুন উন্নয়ন যাত্ৰাত দৃঢ়ভাৱে আগবাঢ়ি ৰাষ্ট্ৰখনৰ সামগ্ৰিক বিকাশৰ নেতৃত্ব দিবলৈ সাজু হৈ উঠিছে। এসময়ত হিংসা আৰু অৱৰোধৰ বাবে পৰিচিত ৫ কোটিতকৈ অধিক জনসংখ্যাৰ এই অঞ্চলটোৱে এতিয়া প্ৰগতি আৰু সামগ্ৰিক উন্নয়নৰ এক নতুন অধ্যায়ৰ সাক্ষী হৈছে। যোৱা ১২ বছৰত উন্নয়নৰ এই নতুন ঢৌৱে স্পষ্টভাৱে প্ৰতিপন্ন কৰিছে যে উত্তৰ-পূব এতিয়া কেৱল দূৰৱৰ্তী সীমান্ত অঞ্চল নহয়; বৰঞ্চ ই শান্তি, নিৰাপত্তা আৰু সমৃদ্ধিৰ এক শক্তিশালী দুৱাৰমুখ-এনে এক অঞ্চল, যি দিল্লীৰ পৰাও দূৰত নহয় আৰু হৃদয়ৰ পৰাও দূৰত নহয়...

## উত্তৰ-পূবৰ ওপৰত বিশেষ গুৰুত্ব: দিল্লীৰ সৈতে সংযোগ বৃদ্ধি

- যোৱা ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূব ভাৰতৰ সৈতে প্ৰত্যক্ষ যোগাযোগ যথেষ্ট সৰল কৰিছে। প্ৰধানমন্ত্ৰী, তেওঁৰ কেবিনেট মন্ত্ৰী, উচ্চপদস্থ বিষয়াসকলে নিয়মীয়াকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ ভ্ৰমণ কৰি আহিছে।
- চৰকাৰে নিৰ্দেশ দিছে যে, প্ৰতি ১৫ দিনৰ মূৰে মূৰে এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে উত্তৰ-পূবৰ কোনো এখন ৰাজ্য ভ্ৰমণ কৰিব লাগিব।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৮৩ বাৰ উত্তৰ-পূব ভ্ৰমণ কৰাৰ বিপৰীতে ২০১৫ চনৰ জানুৱাৰীৰ পৰা ২০২৫ চনৰ ডিচেম্বৰৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰীসকলে সামূহিকভাৱে ৮৮০ বাৰ এই অঞ্চল ভ্ৰমণ কৰিছে।



## ১০% বাজেট সহায়তা

এই কাঠামোৰ অধীনত ৫৫টা মন্ত্ৰালয় আৰু বিভাগে নিজ নিজ বাজেটৰ কমেও ১০% উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে আবণ্টন দিয়ে। এই সমন্বিত প্ৰচেষ্টাৰ ফলত উত্তৰ-পূব অঞ্চলত দ্ৰুত উন্নয়ন আৰু বিকাশৰ এক নতুন ধাৰা প্ৰতিফলিত হৈছে।




## বাজেট ব্যয়ৰ ঐতিহাসিক সম্প্ৰসাৰণ

২০১৪-১৫: ২৪,৮১৯ কোটি টকা


২০২৪-২৫: ১,০০,২৭১ কোটি টকা



*বিগত ১২ বছৰত উত্তৰ-পূৰ্বাঞ্চলে উল্লেখযোগ্য পৰিমাণৰ আৰ্থিক সম্পদ লাভ কৰিছে।*

মুঠ বাজেট আবণ্টনঃ **৬.৯৭** লাখ কোটি টকা

প্ৰকৃত ব্যয়ঃ **৭.১২** লাখ কোটি টকা





## উত্তৰ-পূব অঞ্চলত অবিৰত উন্নয়নমূলক কাৰ্য্যসূচী দ্ৰুতগতিত আগবাঢ়ি আছে

উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰালয় (ড'নাৰ)ৰ অধীনত পৰিচালিত আঁচনিসমূহৰ জৰিয়তে প্ৰায়ঃ

উত্তৰ-পূব অঞ্চলৰ বাবে **৩,৭৩৫**টা প্ৰকল্প অনুমোদন কৰা হৈছে।

**৪৯,৯০৭** কোটি টকা -এই প্ৰকল্পসমূহৰ মুঠ আনুমানিক ব্যয়।

## উন্নয়নী প্ৰকল্পসমূহত বিশাল বিনিয়োগ, বৰ্ধিত সংযোগ...

- বগিবিল দলংঃ ২০১৮ চনত উদ্বোধন কৰা হৈছিল (ঘোষণা কৰা হৈছিল ১৬ বছৰৰ আগতে)।
- যোৱা ১২টা বছৰত ৮টা নতুন গ্ৰীণফিল্ড বিমানবন্দৰো নিৰ্মাণ কৰা হৈছে। কাৰ্যক্ষম বিমানবন্দৰৰ সংখ্যা ২০১৪ চনৰ ৯টাৰ পৰা ২০২৬ চনত ১৭ টালৈ বৃদ্ধি পাইছে।
- উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য ২০১৪ চনত ১০,৯০৫ কিলোমিটাৰ আছিল; ২০২৫ চনৰ ১ এপ্ৰিল পৰ্যন্ত এই দৈৰ্ঘ্য ১৬,২০৭ কিলোমিটাৰত উপনীত হৈছিল। বৰ্তমান ৮৭,০০০ কোটি টকাতকৈয়ো অধিক ব্যয়সাপেক্ষ ৩,৬৩৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ১৭৭টা পথ প্ৰকল্পৰ কাম বিভিন্ন পৰ্যায়ত চলি আছে।
- এন ই এছ আই ডি এছ আঁচনিৰ অধীনত ৭২টা প্ৰকল্প সম্পূৰ্ণ হৈছে, যাৰ ফলত ৯৯৭.৫৫ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে। বৰ্তমান ৯১১টা প্ৰকল্পৰ কাম চলি আছে।



### প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা

**৮৯,৫০৩**
কিলোমিটাৰ পথ (১৭,৬৬৬টা সুকীয়া পথকে ধৰি) আৰু ২,৩৯৬খন দলং নিৰ্মাণ প্ৰকল্পলৈ অনুমোদন জনোৱা হৈছে।

**৮১,৪৪৮**
কিলোমিটাৰ পথ (১৬,৫৪৭টা সুকীয়া পথ) আৰু ২,১২৬খন দলঙৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে।

**৫৩,৩৫৩.৪৯** কোটি টকা ব্যয় কৰা হৈছে।

"উত্তৰ-পূৰ্বাঞ্চল দেশৰ কেৱল এক গুৰুত্বপূৰ্ণ অংশই নহয়; ই হৈছে ভাৰতৰ 'অষ্টলক্ষ্মী' (ধনৰ আঠগৰাকী অধিস্থাত্ৰী দেৱী)ক প্ৰতিনিধিত্ব কৰে। গতিকে আমি 'এক্ট ইষ্ট' নীতিক লৈ কাম কৰি থকাৰ সময়তে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে 'এক্ট ফাষ্ট'ৰো সংকল্প গ্ৰহণ কৰিছোঁ।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

### স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে

**২০২২**
মণিপুৰত উপস্থিত হয়হি প্ৰথমখন মালবাহী ৰে'লগাড়ী।

**২০২৩**
মেঘালয়ত উপস্থিত হয়হি প্ৰথমখন মালবাহী ৰে'লগাড়ী।

**২০২৫**
মিজোৰামত উপস্থিত হয়হি প্ৰথমখন মালবাহী ৰে'লগাড়ী।






প্ৰচ্ছদ নিবন্ধ

১২ বছৰ

বিকাশ যাত্ৰাৰ

# ৰাষ্ট্ৰ প্ৰথম

## এখন শক্তিশালী, সমৃদ্ধিশালী, আৰু সুৰক্ষিত ভাৰত

**ৰাষ্ট্ৰ ৰক্ষা সমং পুণ্যং, ৰাষ্ট্ৰৰক্ষাসমং ব্ৰতম্**
**ৰাষ্ট্ৰ ৰক্ষা সমং যজ্ঞো, দৃষ্টো নৈৱ চ নৈৱ চ**

ৰাষ্ট্ৰৰ সুৰক্ষাৰ সমতুল্য পুণ্য, ৰাষ্ট্ৰৰ সুৰক্ষাৰ সমতুল্য ব্ৰত, ৰাষ্ট্ৰৰ সুৰক্ষাৰ সমতুল্য যজ্ঞ, আন একো নাই।


অৰ্থ: নিজৰ ৰাষ্ট্ৰৰ সুৰক্ষা সমতুল্য কোনো পুণ্য, কোনো ব্ৰত আৰু কোনো ত্যাগ নাই। সাতখন চুবুৰীয়া ৰাষ্ট্ৰৰ মাজেৰে ১৫,০০০ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যত বিস্তৃত স্থল সীমান্ত আৰু ৭,৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সামুদ্ৰিক সীমাৰে ভাৰতে আজি 'ৰাষ্ট্ৰ প্ৰথম'ৰ নীতিৰ দ্বাৰা পৰিচালিত নিজৰ ফলপ্ৰসূ বৈদেশিক নীতি সাৰোগত কৰিছে, একে সময়তে প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দিশত আগবাঢ়িছে। কেন্দ্ৰীয় চৰকাৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে 'শূন্য সহনশীলতা' নীতিৰ প্ৰতি কেৱল সংকল্পবদ্ধ হোৱাই নহয়, গভীৰভাৱে দায়বদ্ধ হৈয়ো আছে। পুলৱামাত চি আৰ পি এফৰ কনভয়ত চলোৱা কাপুৰুষতাপূৰ্ণ আক্ৰমণৰ পিছৰ পৰিণতিৰ দৰেই উৰিৰ সামৰিক শিবিৰত চলা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতো বিশ্ব এই অটল সংকল্পৰ সাক্ষী হৈছিল। মাত্ৰ যোৱাটো বছৰ-২০২৫ চনৰ ৬ আৰু ৭ মে'ৰ মাজৰ নিশাকেইটাত 'অপাৰেশ্যন সিন্দূৰ'য়ে বিশ্ববাসীলৈ এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছিল যে ভাৰতে যুদ্ধ বিচৰা নাই, কিন্তু কোনো কাৰণতে সন্ত্ৰাসবাদকো সহ্য কৰা নহ'ব। বুদ্ধৰ ভূমি ভাৰতে নিৰন্তৰ এই বাৰ্তাকে প্ৰেৰণ কৰি আহিছে যে ই যুদ্ধত নহয়, বুদ্ধৰ ওপৰতহে বিশ্বাস ৰাখে; অৰ্থাৎ শান্তিত। যিকোনো ৰাষ্ট্ৰৰ বাবে শক্তিশালী সামৰিক শক্তিৰ অধিকাৰী হোৱাটো অতি প্ৰয়োজনীয় যদিও যুদ্ধ বা সামৰিক শক্তিৰ কোনোটোৱেই প্ৰকৃত বিশ্ব শক্তি হোৱাৰ একমাত্ৰ পূৰ্বচৰ্ত নহয়। যোৱা বাৰবছৰত যোগৰ বিশ্বজোৰা প্ৰচাৰৰ জৰিয়তেই হওক অথবা অনন্য আন্তঃৰাষ্ট্ৰীয় ভাৱমূৰ্তিৰ ব্ৰেণ্ডিঙৰ জৰিয়তেই হওক কিম্বা সংকটৰ সময়ত সমগ্ৰ বিশ্বতে নিজৰ নাগৰিক আৰু জনতা উভয়ৰে বাবে সহায়ৰ হাত হৈ আত্মপ্ৰকাশ কৰাই হওক, ক'ভিড-১৯ৰ দৰে গোলকীয় দুৰ্যোগক বিশ্বৰ বাবে আদৰ্শ দাঙি ধৰাৰ সুযোগলৈ ৰূপান্তৰিত কৰাই হওক, বা প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত এক নতুন বিপ্লৱৰ নেতৃত্ব দিয়াই হওক- ভাৰতে অবিৰতভাৱে নিজৰ বাবে এক দুৰ্জেয় ছফ্‌ট পাৱাৰ হিচাপে এক নতুন পৰিচিতি গঢ়ি তুলিছে।

# বিকাশ, বিশ্বাস আৰু আত্মনিৰ্ভৰশীলতাৰ এক নতুন উৰণ

*আজি ভাৰতে আত্মনিৰ্ভৰশীলতা, উদ্ভাৱন, আৰু সৰ্বাংগীণ উন্নয়নৰ নতুন উচ্চতা লাভ কৰিছে। ডিজিটেল বিপ্লৱ, আন্তঃগাঁথনি সম্প্ৰসাৰণ, মহিলা সৱলীকৰণ, যুৱ নেতৃত্বই বিশ্বৰ মঞ্চত দেশখনৰ বাবে এক শক্তিশালী স্থান নিশ্চিত কৰিছে। 'সামৰ্থ্যবান ভাৰত' এতিয়া কেৱল সপোনেই নহয়; ই লাখ লাখ ভাৰতীয়ৰ সামূহিক প্ৰচেষ্টা আৰু সংকল্পৰ এক জীৱন্ত প্ৰমাণ হৈ উঠিছে–বিকাশ আৰু বিশ্বাসৰ এক নতুন আখ্যান লিখিছে।*


## সামৰ্থ্যবান ভাৰতৰ মূল তথ্য...

- ২০১৮ চনৰ পৰা ভাৰত বিশ্বৰ দ্বিতীয় বৃহত্তম তীখা উৎপাদক দেশ হিচাপে পৰিগণিত হৈ আহিছে। ২০১৪ চনত বিশ্বৰ উৎপাদনত ভাৰতৰ অংশীদাৰিত্ব আছিল ৫.২%, যিটো ২০২৪ চনত ৭.৯% লৈ বৃদ্ধি পাইছিল।
- 'বিশ্বৰ ফাৰ্মাচী': আজি ভাৰতে আয়তনৰ হিচাপত বিশ্বৰ তৃতীয় বৃহত্তম ঔষধ উৎপাদক দেশ হিচাপে স্থান লাভ কৰিছে আৰু মূল্যৰ ফালৰ পৰা হৈছে ১১ নং বৃহত্তম দেশ। ২০২৪-২৫ চনত এই খণ্ডটোৱে বাৰ্ষিক ৪.৭২ লাখ কোটি টকাৰ কাৰবাৰ কৰিছিল।
- এতিয়া প্ৰায় ৬৫% প্ৰতিৰক্ষা সঁজুলি ঘৰুৱাভাৱে নিৰ্মাণ কৰা হৈছে, আনহাতে পূৰ্বতে প্ৰায় ৬৫-৭০%ই আমদানি কৰা হৈছিল।
- আজি ভাৰতে বিশ্বৰ মুঠ জেনেৰিক ঔষধৰ এক পঞ্চমাংশ যোগান ধৰে আৰু ইউনিচেফৰ প্ৰয়োজনীয় প্ৰতিষেধকৰ আধাতকৈয়ো অধিক যোগান ধৰে।
- 'শক্তি', চিকিৎসা পৰ্যটন আৰু উচ্চমানৰ ঔষধ ৰপ্তানিৰ দৰে পদক্ষেপৰ জৰিয়তে ভাৰত ৩০০ বিলিয়ন ডলাৰৰ বায়'ফাৰ্মা মহাশক্তি হিচাপে আত্মপ্ৰকাশ কৰাৰ পথত আগবাঢ়িছে।
- যোৱা কেইবছৰমানৰ ভিতৰত ভাৰতে ৩৮খন দেশৰ সৈতে ৯খন চুক্তি স্বাক্ষৰ কৰি মুক্ত বাণিজ্য চুক্তি (এফ টি এ) নেটৱৰ্কৰ সম্প্ৰসাৰণ কৰিছে।
- প্ৰথমবাৰৰ বাবে ভাৰতে 'স্পেচ চীষ্টেম এণ্ড অপাৰেশ্যন'ৰ আই এছ অ' আন্তঃৰাষ্ট্ৰীয় উপসমিতিৰ বৈঠক আয়োজন কৰিছে।




### মহাকাশ খণ্ডত ভাৰত


পঞ্জীয়নভুক্ত ষ্টাৰ্টআপসমূহ




বিদেশী উপগ্ৰহ

ইছৰ'ৱে উৎক্ষেপণ কৰা ৪৩৪টা বিদেশী উপগ্ৰহৰ ভিতৰত ২০১৪ চনৰ পৰা ৩৯৯টা উপগ্ৰহ উৎক্ষেপণ কৰা হৈছে। এই উৎক্ষেপণে ভাৰতৰ বাবে প্ৰায় ৩২৩ মিলিয়ন ইউৰো আৰু ২৩৩ মিলিয়ন মাৰ্কিন ডলাৰৰ ৰাজহ আহৰণ কৰিছে।

ভাৰতৰ মহাকাশ অৰ্থনীতিৰ মূল্য প্ৰায় ৮.৪ বিলিয়ন ডলাৰ হৈছেগৈ।




### দ্ৰুততম হাৰত বৃদ্ধি পোৱা অৰ্থনীতি

বিশ্ব বেংকৰ প্ৰক্ষেপণ: ২০২৬-২৭ বিত্তীয়বৰ্ষত ভাৰতৰ অৰ্থনীতি প্ৰায় ৬.৬% হাৰত বৃদ্ধি পাব বুলি ধাৰণা কৰা হৈছে।

'বিশ্ব অৰ্থনৈতিক দৃষ্টিভংগী ২০২৬' অনুসৰি ভাৰতৰ বিকাশৰ হাৰ ৬.৫% বুলি প্ৰকল্প কৰা হৈছে, আনহাতে উন্নত দেশসমূহৰ বাবে ১.৮%, উন্নয়নশীল দেশসমূহৰ বাবে ৩.৯% আৰু সামগ্ৰিকভাৱে বিশ্ব অৰ্থনীতিৰ বাবে ৩.১% বুলি অনুমান কৰা হৈছে।

## ভাৰত: গ্ল'বেল ইলেক্ট্ৰনিক্স মেনুফেকচাৰিঙৰ এক শক্তিকেন্দ্ৰ

(পৰিসংখ্যা লাখ কোটি টকা হিচাপত)




## শক্তিশালী ভাৰতৰ পৰিচয়

### এ আই-ত এখন সামৰ্থ্যবান ভাৰত

এ আই ইমপেক্ট ছামিট-ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ প্ৰদান কৰে, যিটো একেলগে এ আই প্ৰযুক্তি ব্যৱহাৰ কৰি বিশেষভাৱে সক্ষম লোকসকলৰ বাবে সাংকেতিক ভাষাত অনুলেখনৰ দিহা কৰা হয়।

### সাহসী সিদ্ধান্তৰ এক সামৰ্থ্যবান ভাৰত

দশক দশক ধৰি কাশ্মীৰত "এক সংবিধান, এক আইন" নীতি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বাধা হিচাপে থিয় দিয়া ৩৭০ নং অনুচ্ছেদ বাতিল কৰা হ'ল। ফলস্বৰূপে দেশৰ অন্য ৰাজ্যসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য সকলো আইন কাশ্মীৰতো এতিয়া বলবৎ হৈছে।

### মহিলাৰ নেতৃত্বত এখন সবল ভাৰত



লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ সন্দৰ্ভত তিনি দশকজোৰা অচলাৱস্থাৰ অন্ত পেলাই 'নাৰী শক্তি বন্দন অধিনিয়ম' অধিসূচিত কৰা হয়। যদিও ১৯৯৬ চনৰ পৰা প্ৰচেষ্টা চলিছিল, তথাপিও অৱশেষত নতুন সংসদ ভৱনত 'নাৰী শক্তি বন্দন অধিনিয়ম, ২০২৩' গৃহীত হয়।

### মহাকাশত এক শক্তিশালী ভাৰত

ভাৰত এতিয়া চন্দ্ৰৰ দক্ষিণ মেৰুৰ সমীপত উপনীত হৈছে-চন্দ্ৰৰ এটা অচিনাকি অঞ্চল যিটো অঞ্চললৈ পৃথিৱীৰ আন কোনো দেশেই আগতে কেতিয়াও যাবলৈ সাহস কৰা নাছিল।

### ঔপনিৱেশিক উত্তৰাধিকাৰিত্বসমূহ বিধ্বস্ত কৰা

'পঞ্চামৃত'ৰ আহ্বানৰ জৰিয়তে দেশৰ পৰা ঔপনিৱেশিকতাৰ অৱশিষ্টখিনিকো মচি পেলোৱা হৈছে। আমাৰ ঐতিহ্যৰ প্ৰতি গৌৰৱ জগাই তুলিবলৈ কৰ্তব্য পথত নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তি স্থাপন কৰা, নৌসেনাৰ ধ্বজৰ পুনৰ আৰ্হিকৰণ, স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস উদযাপনৰ সময়ত থলুৱা টোপ ব্যৱহাৰ কৰি আনুষ্ঠানিকভাৱে ২১ টোপৰ চালামী প্ৰদান আদি পদক্ষেপে এই প্ৰতিশ্ৰুতিৰ নিদৰ্শন দাঙি ধৰে।

### দুৰ্যোগৰ বিপদাশংকা প্ৰবন্ধন অভিযান

- অপাৰেশ্যন মৈত্ৰী (নেপাল, ২০১৫)
- অপাৰেশ্যন দেৱী শক্তি (আফগানিস্তান, ২০২১)

### 'মিছন সাগৰ'ৰ অধীনত নৌসেনাই প্ৰদান কৰা মানৱীয় সাহায্য

- অপাৰেশ্যন সমুদ্ৰ সেতু (২০২০)
- অপাৰেশ্যন গংগা (ইউক্ৰেইন, ২০২২)
- অপাৰেশ্যন দোষ্ট (তুৰ্কীয়ে আৰু ছিৰিয়া, ২০২৩)
- অপাৰেশ্যন কাবেৰী (চুডান, এপ্ৰিল ২০২৩)
- অপাৰেশ্যন ব্ৰহ্মা (ম্যানমাৰ, ২০২৫)
- অপাৰেশ্যন সাগৰ বন্ধু (২০২৫)



> "কৌশলগত স্বায়ত্তশাসন আৰু থলুৱা সামৰ্থ্যই হৈছে নিৰ্ণায়কভাৱে ভাবুকি প্ৰতিহত কৰাৰ মূল চাবিকাঠি, আত্মনিৰ্ভৰশীলতাক ৰাষ্ট্ৰীয় শক্তি, মৰ্যাদা, আৰু ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ যাত্ৰাৰ আধাৰ হিচাপে গঢ়ি তোলা।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



# অপাৰেশ্যন সিন্দূৰ

## ৯টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰা হ'ল

লস্কৰ-ই-তৈবা, জৈছে-মহম্মদ আৰু হিজবুল মুজাহিদীনৰ দুৰ্গসমূহক লক্ষ্য কৰি ভাৰতে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত অৱস্থিত ৯টা বৃহৎ সন্ত্ৰাসবাদী লঞ্চ পেড সফলতাৰে ধ্বংস কৰে। এই অভিযানত ১০০ৰো অধিক সন্ত্ৰাসবাদী নিহত হয়।

## সীমা অতিক্ৰমী নিখুঁত আক্ৰমণ

ভাৰতে পাকিস্তানৰ অন্তৰ্ভাগৰ গভীৰতম অংশত আক্ৰমণ চলাই নিয়োজিত হোৱাৰ নিয়মসমূহ পুনৰ সংজ্ঞায়িত কৰিলে-য'ত পঞ্জাৱ প্ৰদেশ আৰু বাহাৱালপুৰো অন্তৰ্ভুক্ত। এই অঞ্চলসমূহক এসময়ত আনকি আমেৰিকাৰ ড্ৰ'নৰ বাবেও 'অফ-লিমিট' বুলি গণ্য কৰা হৈছিল।

## এক নতুন ৰণনৈতিক লক্ষ্মণৰেখা

অপাৰেশ্যন সিন্দূৰ-য়ে নতুন লক্ষ্মণৰেখা অংকন কৰিলে: যদি সন্ত্ৰাসবাদ কোনো ৰাষ্ট্ৰৰ নীতি হয়, তেন্তে ই প্ৰত্যক্ষ আৰু প্ৰচণ্ড প্ৰত্যুত্তৰৰ সন্মুখীন হ'ব।

## ভাৰতৰ আকাশী প্ৰতিৰক্ষা প্ৰণালীৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন

ভাৰতৰ বহুস্তৰীয় বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই- থলুৱা 'আকাশতীৰ প্ৰণালী'কৈ ধৰি-শ শ ড্ৰ'ন আৰু ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। ইয়াৰ দ্বাৰা উন্নত প্ৰতিৰক্ষা প্ৰণালীৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমবৰ্ধমান সামৰ্থ্য প্ৰমাণিত হ'ল।

## পাকিস্তানৰ সামৰিক ঘাটিত বিমান আক্ৰমণ

৯-১০ মে'ত ভাৰতে একক অভিযানত এখন পাৰমাণৱিক অস্ত্ৰধাৰী ৰাষ্ট্ৰৰ ১১টা বিমানঘাটিত আক্ৰমণ কৰা প্ৰথমখন ৰাষ্ট্ৰ হিচাপে পৰিগণিত হয়, যাৰ পৰিণতিত পাকিস্তানৰ বায়ুসেনা বাহিনীৰ আন্তঃগাঁথনিৰ ২০% ধ্বংস হয়।

## ভাৰতে প্ৰেৰণ কৰিলে গোলকীয় বাৰ্তা

নিজৰ জনসাধাৰণক ৰক্ষা কৰিবলৈ যে কাৰো অনুমতিৰ প্ৰয়োজন নাই সেই কথা ভাৰতে বিশ্বৰ আগত প্ৰদৰ্শন কৰিলে। ই এই বাৰ্তাকো আৰু অধিক শক্তিশালী কৰি তুলিলে যে সন্ত্ৰাসবাদী আৰু সিহঁতৰ গোটৰ সূত্ৰধাৰহঁত ক'তো লুকাই থাকি সাৰিব নোৱাৰে, আৰু যদি পাকিস্তানে প্ৰতিশোধৰ স্পৰ্ধা কৰে তেন্তে নিৰ্ণায়ক প্ৰতি-আক্ৰমণ কৰাৰ বাবে ভাৰত সাজু হৈ আছে।




## বিশ্বজুৰি ব্যাপক সমৰ্থন

পূৰ্বৰ সংঘাতৰ দৰে নহয়, এইবাৰ অসংখ্য বিশ্ব নেতাই কেৱল সংযমৰ আবেদন জাৰি কৰাতকৈ ভাৰতলৈ সমৰ্থনহে আগবঢ়াইছিল। এই পৰিৱৰ্তনে ভাৰতৰ বৰ্ধিত গোলকীয় স্থিতি আৰু বাগধাৰা নিৰ্দ্ধাৰণত ইয়াৰ প্ৰভাৱশালী দক্ষতাকে প্ৰতিফলিত কৰিছিল।

# বিশ্ব-মঞ্চত উজলিছে ভাৰত

*বিগত দশকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ বৈদেশিক নীতিয়ে কেৱল নিজৰ পৰম্পৰাগত সীমাৰ বাহিৰলৈ সম্প্ৰসাৰিত হোৱাই নহয়, বিশ্ব-মঞ্চত দেশৰ ভূমিকাকো পুনৰ সংজ্ঞায়িত কৰিছে। পৰিৱৰ্তিত আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ, বহুমেৰুযুক্ত বিশ্বব্যৱস্থা, আৰু উদীয়মান ভূ-ৰাজনৈতিক প্ৰত্যাহ্বানসমূহৰ মাজত ভাৰতে সুষম, সক্ৰিয় আৰু কৌশলগত পন্থা গ্ৰহণ কৰি নিজৰ কূটনৈতিক পৰিচয় শক্তিশালী কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে সম্পৰ্কক প্ৰথমিকতা প্ৰদান কৰাৰ পৰা আৰম্ভ কৰি বিশ্ব-শক্তিৰ সৈতে অংশীদাৰিত্ব গভীৰ কৰালৈকে ভাৰতৰ বৈদেশিক নীতিয়ে ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে একেসময়তে বিশ্ব শান্তি, সুস্থিৰতা আৰু সহযোগিতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে...*

## মুক্ত বাণিজ্য চুক্তি

- ভাৰতে বিশ্ব বাণিজ্যৰ গতিধাৰা পুনৰ সংজ্ঞায়িত কৰি মুক্ত বাণিজ্য চুক্তি (এফ টি এ)ৰ নতুন যুগৰ পথ প্ৰশস্ত কৰিছে।
- যোৱা কেইবছৰমানৰ পৰা ভাৰতে নিজৰ মুক্ত বাণিজ্য চুক্তিৰ পৰিসৰ যথেষ্ট বৃদ্ধি কৰিছে। এই পৰ্যন্ত ৩৮খন দেশৰ সৈতে মুঠ ৯টা এফ টি এ সমাপ্ত কৰা হৈছে। এই পদক্ষেপ চলমান চনত ভাৰত-মৰিচাছ চুক্তিৰ জৰিয়তে আৰম্ভ হৈছিল।

## জি-২০ৰ অধ্যক্ষতা: 'এক পৃথিৱী, এক পৰিয়াল, এক ভৱিষ্যত'ৰ পোষকতা

- ২০২২ চনৰ ৰ ডিচেম্বৰৰ পৰা ২০২৩ চনৰ ৩০ নৱেম্বৰলৈকে ভাৰতে নিৰ্বহণ কৰা জি-২০ৰ অধ্যক্ষতাই বিশ্ব কূটনীতিৰ এক উল্লেখযোগ্য অধ্যায়ৰ আৰম্ভণি ঘটালে।
- ২০২৩ চনৰ ৯-১০ ছেপ্টেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপম-ত অনুষ্ঠিত হোৱা ১৮ সংখ্যক জি-২০ নেতৃত্ব সন্মিলনখন ২০খন সদস্য ৰাষ্ট্ৰ, ৯খন আমন্ত্ৰিত দেশ আৰু ১৪টা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অংশগ্ৰহণৰ সাক্ষী হৈছিল।
- ভাৰতে ৬০খন চহৰত ২০০ৰো অধিক বৈঠকৰ আয়োজন কৰিছিল, য'ত এক লাখতকৈয়ো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল।



## উন্নয়নশীল ৰাষ্ট্ৰৰ বাবে এক বিশ্বাসযোগ্য কণ্ঠস্বৰ

- গ্লাছগোত অনুষ্ঠিত হোৱা চি অ' পি-২৬ শীৰ্ষ সন্মিলন আৰু শৰ্ম এল-শ্বেখত অনুষ্ঠিত চি অ' পি-২৬ শীৰ্ষ সন্মিলনৰ সময়ত ভাৰতে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বাবে এক বিশ্বাসযোগ্য কণ্ঠস্বৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল।

## ভেক্সিন মৈত্ৰী






- ক'ভিড-১৯ৰ সংকটৰ সময়ত ভাৰতে মানৱকেন্দ্ৰিক কূটনীতিৰ প্ৰমাণ হিচাপে 'ভেক্সিন মৈত্ৰী' পদক্ষেপ আৰম্ভ কৰিছিল।
- ২০২১ চনৰ জানুৱাৰী মাহৰ পৰা ভাৰতে ৯৯খন দেশ আৰু ৰাষ্ট্ৰসংঘৰ দুটা সংস্থাক ৩০ কোটি ১২ লাখতকৈয়ো অধিক পালি প্ৰতিষেধক প্ৰদান কৰিছিল।
- এই দ্ৰুত আৰু ব্যাপক সহায়ে ভাৰতৰ ভাবমূৰ্তিক বিশ্ব স্বাস্থ্যৰ বাবে এক নিৰ্ভৰযোগ্য অংশীদাৰ আৰু বিশ্ব দক্ষিণৰ পৰা দয়ালু কণ্ঠস্বৰ হিচাপে শক্তিশালী কৰি তুলিলে।

**৫০** খনতকৈয়ো অধিক দেশক ১.৫১ কোটি পালি প্ৰতিষেধক উপহাৰ দিয়া হৈছিল।

## আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতা




- ২০১৫ চনৰ ৩০ নৱেম্বৰত পেৰিছৰ 'কপ-২১'ত প্ৰধানমন্ত্ৰী মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ফ্ৰাঙ্গোৱা অ'লাণ্ডে আৰম্ভ কৰা আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট (আই এছ এ) হৈছে ভাৰতৰ জলবায়ু পৰিৱৰ্তন সংক্ৰান্তিয় প্ৰধান পদক্ষেপ।

**১২০** খন সদস্য আৰু স্বাক্ষৰকাৰী দেশৰ সৈতে আই এছ এ-য়ে ২০৩০ চনৰ ভিতৰত সৌৰ শক্তিৰ বাবে ১ ট্ৰিলিয়ন ডলাৰতকৈয়ো অধিক বিনিয়োগ সংগ্ৰহ কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে

- গুৰুগ্ৰামত মুখ্য কাৰ্যালয় থকা ই ভাৰতত অৱস্থিত প্ৰথম আন্তঃৰাষ্ট্ৰীয় আন্তঃচৰকাৰী সংস্থা।

### ভাৰত: সংকটৰ সময়ৰ এক নেতা



- ভাৰতে ১৫০ খনতকৈয়ো অধিক দেশক মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য প্ৰদান কৰিছে।

- ২০২১ চনৰ জুলাই মাহত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় সংস্থা আৰু বিদেশী চৰকাৰৰ সৈতে সমন্বয়ৰ বাবে এটা 'ৰেপিড ৰেচপন্স চেল' স্থাপন কৰে।

## চুবুৰীয়াক প্ৰাথমিকতা প্ৰদান

- ভাৰতৰ 'চুবুৰীয়া প্ৰথম' নীতিয়ে আঞ্চলিক সম্পৰ্কৰ প্ৰতি এক সাহসী আৰু দূৰদৰ্শী দৃষ্টিভংগী গঢ়ি তুলিছে।

- এই নীতিয়ে চুবুৰীয়া দেশ যেনে- ভুটান, নেপাল, শ্ৰীলংকা, মালদ্বীপ, ম্যানমাৰ, বাংলাদেশ, আৰু আফগানিস্তানৰ সৈতে শক্তিশালী ভৌতিক, ডিজিটেল আৰু সাংস্কৃতিক সংযোগক প্ৰাথমিকতা প্ৰদান কৰিছে।

## নতুন দূতাবাস আৰু কনছুলেট




২০১৪ চনৰ পৰা ২০২৫ চনৰ ভিতৰত সমগ্ৰ বিশ্বতে ভাৰতে ৪০ টাতকৈয়ো অধিক নতুন দূতাবাস আৰু কনছুলেট মুকলি কৰে।

এতিয়া এইবোৰৰ সংখ্যা **২২০** হ'ল। এই সম্প্ৰসাৰণে ভাৰতৰ বিশ্বব্যাপ্ত উপস্থিতি আৰু প্ৰসাৰক আৰু অধিক শক্তিশালী কৰিছে।

## বিদেশত নিয়োগৰ সুযোগ

- যোৱা দশকত ভাৰতে চৌদি আৰব, ফ্ৰান্স, ইউ এ ই, জাপান, ব্ৰিটেইন, অষ্ট্ৰেলিয়া আৰু জাৰ্মানীকে ধৰি আঠাইশ খনতকৈয়ো অধিক দেশৰ সৈতে গতিশীলতা আৰু প্ৰব্ৰজনৰ অংশীদাৰিত্ব স্থাপন কৰিছে। ইয়াৰ ফলত ভাৰতীয় নাগৰিকসকলৰ বাবে বহিঃদেশত কৰ্মসংস্থাপনৰ সুযোগ মুকলি হৈছে।





## সাহায্য আৰু নিৰাপদে দেশলৈ অনাৰ অভিযান

- যোৱা ১০-১২ বছৰত ভাৰতৰ বৈদেশিক নীতি কেৱল কূটনীতি আৰু আলোচনাৰ দ্বাৰা গঢ় দিয়াই নহয়, যেতিয়াই বিদেশত থকা নাগৰিকসকলৰ সুৰক্ষা বিপদাপন্ন হৈছে তেতিয়াই নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। সাহায্য আৰু নিৰাপদে দেশলৈ ওভোতাই অনাৰ প্ৰচেষ্টা "ৰাষ্ট্ৰ প্ৰথম" নীতিৰ প্ৰধান নিৰ্দৰ্শন হিচাপে আত্মপ্ৰকাশ কৰিছে। মহামাৰীয়েই হওক, সংঘাত সংকটেই হওক, ৰাজনৈতিক উত্তাল পৰিস্থিতিয়েই হওক বা প্ৰাকৃতিক দুৰ্যোগে হওক, ভাৰতে ধাৰাবাহিকভাৱে নিজৰ জনসাধাৰণক নিৰাপদে আৰু দ্ৰুতভাৱে দেশলৈ ওভোতাই অনাৰ দিহা কৰিছে।

## দেশলৈ ওভোতাই অনাৰ বৃহৎ অভিযানসমূহ



- ভাৰত চৰকাৰৰ উদ্যোগত বন্দে ভাৰত মিছন, অপাৰেশ্যন দেৱী শক্তি, অপাৰেশ্যন গংগা, অপাৰেশ্যন কাবেৰী, অপাৰেশ্যন অজয়, আৰু অপাৰেশ্যন ইন্দ্ৰাৱতীকে ধৰি কেইবাটাও অভিযান পৰিচালনা কৰা হৈছে।

## সৰ্বোচ্চ অসামৰিক সন্মানে বঢ়াইছে ভাৰতৰ গৰিমা



- ২০২৬ চনৰ এপ্ৰিল মাহ পৰ্যন্ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ২৯খনতকৈয়ো অধিকখন ভিন্ন দেশে সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰাৰ সুবাদত তেওঁ ইতিহাসৰ সৰ্বাধিক আন্তঃৰাষ্ট্ৰীয় প্ৰশংসা লাভ কৰা ভাৰতীয় নেতা হিচাপে পৰিগণিত হৈছে।

## সন্ত্ৰাসবাদৰ ক্ষেত্ৰত কঠোৰ নীতি



- **সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি প্ৰচণ্ড প্ৰত্যুত্তৰ:** কূটাঘাতকাৰীয়ে য'ৰ পৰাই এনে কাণ্ড নচলাওক কিয় ভাৰতৰ ওপৰত চলা যিকোনো সন্ত্ৰাসবাদী আক্ৰমণে উপযুক্ত আৰু নিৰ্ণায়ক প্ৰত্যুত্তৰ লাভ কৰিব।
- **পাৰমাণৱিক অস্ত্ৰৰ ভাবুকীৰ প্ৰতি শূন্য সহনশীলতাঃ** ভাৰতক পাৰমাণৱিক ভাবুকিৰ দ্বাৰা কাহানিও ভয় খুৱাব নোৱাৰিব আৰু সন্ত্ৰাসবাদীৰ আত্মগোপন স্থলীসমূহত ভাৰতৰ নিখুঁত আক্ৰমণ অব্যাহত থাকিব।
- **সন্ত্ৰাসবাদী উপাদানসমূহৰ মাজত কোনো পাৰ্থক্য অৱকাশ নাথাকিব:** সন্ত্ৰাসবাদী আক্ৰমণৰ মাষ্টাৰমাইণ্ড আৰু পৃষ্ঠপোষকহঁতৰ মাজত কোনো পাৰ্থক্যৰ অৱকাশ নাথাকিব; দুয়োকে জবাবদিহি কৰা হ'ব।
- **যিকোনো আলোচনাত সন্ত্ৰাসবাদক প্ৰাথমিকতা দিয়া হ'ব:** যদি পাকিস্তানৰ সৈতে কোনো আলোচনা হ'ব লাগে, তেন্তে ই কেৱল সন্ত্ৰাসবাদ বা পাকিস্তানে দখল কৰা কাশ্মীৰৰ বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰিহে হ'ব। সাৰ্বভৌমত্বৰ প্ৰসংগত কোনো আপোচ নহ'ব: 'সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে আগবাঢ়িব নোৱাৰে; সন্ত্ৰাসবাদ আৰু বাণিজ্যয়ো সহাৱস্থান কৰিব নোৱাৰে; আৰু পানী আৰু তেজ একেলগে প্ৰবাহিত হ'ব নোৱাৰে।' সন্ত্ৰাসবাদী ভাবুকিৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক স্থবিৰ হৈ পৰিছে।



# সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা

*ভাৰতে দৃঢ়তাৰে কৈছে যে "ভাল সন্ত্ৰাসবাদ" বা "বেয়া সন্ত্ৰাসবাদ" বুলি কোনো পাৰ্থক্য নাই। ই হৈছে মানৱতা, স্বাধীনতা, সভ্যতাৰ ওপৰত হোৱা আক্ৰমণ। ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতিত সংকল্পবদ্ধ হৈ আছে। উৰিৰ ছাৰ্জিকেল ষ্ট্ৰাইক, বালাকোট বিমান আক্ৰমণ, আৰু অপাৰেশ্যন সিন্দূৰৰ জৰিয়তে বিশ্বই এই প্ৰতিশ্ৰুতি প্ৰত্যক্ষভাৱে প্ৰত্যক্ষ কৰিছে। নিখুঁত, কঠোৰ আৰু নিৰ্ণায়ক আক্ৰমণ চলাই বিশ্ববাসীলৈ এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰা হ'ল- ভাৰতে যুদ্ধ বিচৰা নাই, কিন্তু সন্ত্ৰাসবাদক কোনো পৰিস্থিতিতে সহ্য কৰা নহ'ব।*

## অপাৰেশ্যন সিন্দূৰ

- ২০২৫ চনৰ এপ্ৰিল মাহত পহলগামত সাধাৰণ নাগৰিকৰ ওপৰত চলা নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে 'অপাৰেশ্যন সিন্দূৰ' আৰম্ভ কৰে।
- পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত অৱস্থিত ৯টা সন্ত্ৰাসবাদী শিবিৰত নিখুঁত প্ৰতিশোধমূলক আক্ৰমণ চলোৱা হয়।
- ভাৰতীয় সেনাই আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম নকৰাকৈ ভাবুকি নিষ্ক্ৰিয় কৰিবলৈ ড্ৰোন আক্ৰমণ, টোপ বৰ্ষণ, আৰু বহুস্তৰীয় আকাশী প্ৰতিৰক্ষা প্ৰণালী ব্যৱহাৰ কৰিছিল।
- এই অভিযান ভাৰতীয় সেনা, বায়ুসেনা, আৰু নৌসেনাৰ মাজত সমন্বয়ৰ এক আদৰ্শগত প্ৰদৰ্শন হিচাপে পৰিগণিত হৈছে।
- ভাৰতীয় বায়ুসেনাই পাকিস্তানৰ অভ্যন্তৰত সন্ত্ৰাসবাদী আন্তঃগাঁথনিৰ বিৰুদ্ধে নিখুঁত আক্ৰমণ চলাইছিল, নুৰ খান বিমান ঘাটি আৰু ৰহিম ইয়াৰ খান বিমান ঘাটিৰ দৰে মূল লক্ষ্যসমূহক লক্ষ্য কৰি আকাশী অভিযান চলাইছিল।
- নৌসেনাই নিজৰ কেৰিয়াৰ বেটল গ্ৰুপ (চি বি জি) নিয়োগ কৰে, যিটো মিগ-২৯কে যুঁজাৰু বিমান আৰু আকাশমাৰ্গৰ আগতীয়া সতৰ্কবাণী প্ৰদানকাৰী হেলিকপ্টাৰেৰে সজ্জিত।
- ইয়াৰ কৌশলগত সফলতাৰ সমান্তৰালভাৱে এই অভিযানে এক শক্তিশালী কৌশলগত বাৰ্তা প্ৰদান কৰিছিল- স্থল, আকাশ আৰু সাগৰীয় ক্ষেত্ৰত সমন্বিত সামৰিক কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থ্য প্ৰদৰ্শন কৰিছিল।
- জেকোবাবাদৰ শ্বাহবাজ বিমান ঘাটিত আক্ৰমণৰ পূৰ্বে আৰু পিছত ধৰা পৰা উপগ্ৰহৰ চিত্ৰই ধ্বংসৰ পৰিসৰ স্পষ্টভাৱে দেখুৱাইছে।
- এই আক্ৰমণৰ লক্ষ্য আছিল বৃহৎ গোলাবাৰুদৰ ডিপো আৰু বিমানঘাটিসমূহ- যেনে সৰগোধা আৰু ভোলাৰীত-য'ত এফ-১৬ আৰু জে এফ-১৭ যুঁজাৰু বিমান নিয়োজিত আছিল। ফলত পাকিস্তান বায়ুসেনাৰ আন্তঃগাঁথনিৰ প্ৰায় ২০% অংশ ধ্বংসস্তুপত পৰিণত হয়।
- ভোলাৰী বিমানবন্দৰত বোমা বিস্ফোৰণত স্কোৱাড্ৰন নেতা উছমান ইউছুফ আৰু চাৰিগৰাকী বিমানচালকক ধৰি ৫০ জনতকৈও অধিক লোক নিহত হয়। লগতে কেইখনো পাকিস্তানী যুদ্ধ বিমানো ধ্বংস হয়।
- অপাৰেশ্যন সিন্দূৰ-য়ে নতুন লক্ষ্মণৰেখা টানিছে: যদি সন্ত্ৰাসবাদ কোনো ৰাষ্ট্ৰৰ নীতি হয়, তেন্তে ই স্পষ্ট আৰু প্ৰচণ্ড প্ৰত্যুত্তৰৰ সন্মুখীন হ'ব।

**মাত্ৰ তিনি ঘণ্টাৰ ভিতৰতে ভাৰতে ১১টা সামৰিক ঘাটিক লক্ষ্য কৰি লৈছিল- য'ত আছিল নুৰ খান, ৰফিকী, মুৰিদ, চুক্কৰ, শিয়ালকোট, পাছৰুৰ, চুনিয়ান, সৰগোধা, স্কাৰডু, ভোলাৰী, আৰু জেকোবাবাদ।**



প্ৰচ্ছদ নিবন্ধ

১২ বছৰ বিকাশ যাত্ৰাৰ

## সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাৰত আৰু ফ্ৰান্স

- সন্ত্ৰাসবাদৰ বিত্তীয় সাহায্য ৰোধৰ বাবে এফ এ টি এফৰ অনুসৰণত গুৰুত্ব দিয়া
- ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নেতৃত্ব প্ৰদৰ্শনৰ বাবে নতুন দিল্লীত 'মিলিপল ২০২৫' আয়োজন কৰা
- ২০২৪ চনৰ এপ্ৰিল মাহত 'ভাৰত-ফ্ৰান্স সন্ত্ৰাসবাদ বিৰোধী আলোচনা'ৰ আয়োজন কৰা





## ভাৰত আৰু আমেৰিকাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে সংযুক্ত মৰ্চা গঠন কৰে

- সন্ত্ৰাসবাদী নেটৱৰ্ক উৎখাত কৰিবলৈ ভাৰত-আমেৰিকাৰ সংহতি
- আল-কায়েদা, আইছিছ, জৈছ-ই-মহম্মদ, আৰু লস্কৰ-ই-তৈবা আদি সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে যৌথ ব্যৱস্থা
- ২৬/১১ আৰু এবে গেট আক্ৰমণৰ কূটাঘাতকাৰীক প্ৰচণ্ড প্ৰত্যুত্তৰ
- ২৬/১১ৰ ষড়যন্ত্ৰকাৰী তাহাবুৰ ৰানাক ভাৰতক গতাই দিয়ে আমেৰিকাই
- ২৬/১১ আৰু পাঠানকোট আক্ৰমণৰ দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পাকিস্তানক আহবান

## টেৰ'ৰ ফাইনেন্সিঙৰ বিৰুদ্ধে বিশ্বজোৰা প্ৰচাৰ অভিযান

- ভাৰতে ২০২২ চনত 'নো মানী ফৰ টেৰ'ৰ সন্মিলন আয়োজন কৰিছিল
- ভাৰতে বিশ্বজোৰা ক্ৰিপ্টো নিয়ামকৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰে



- ২০১৬ চনৰ ২৮-২৯ ছেপ্টেম্বৰত ছাৰ্জিকেল ষ্ট্ৰাইকৰে উৰিত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়ে ভাৰতে- য'ত ১৮জন জোৱানৰ প্ৰাণ কাঢ়ি নিছিল।
- এই আক্ৰমণৰ ফলত নিয়ন্ত্ৰণ ৰেখা (এল অ' চি)ৰ সিপাৰে সন্ত্ৰাসবাদী আৰু সিহঁতৰ পৃষ্ঠপোষকহঁতৰ যথেষ্ট ক্ষতিসাধন হয়।
- ২০১৯ চনৰ ১৪ ফেব্ৰুৱাৰীত পুলৱামাৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰে। ২০১৯ চনৰ ২৬ ফেব্ৰুৱাৰীত বালাকোট বিমান আক্ৰমণত জৈছ-ই-মহম্মদৰ জ্যেষ্ঠ সেনাধ্যক্ষকে ধৰি বহু সংখ্যক সন্ত্ৰাসবাদীক নিৰ্মূল কৰা হয়।
- পূৰ্ব-নিৰ্ধাৰিত পদক্ষেপ গ্ৰহণেৰে বিশ্বক প্ৰমাণ দিলে যে সন্ত্ৰাসবাদৰ জৰিয়তে চলোৱা প্ৰক্সি যুদ্ধ আৰু ভাৰতে সহ্য নকৰে।

## চাৰ্জিকেল ষ্ট্ৰাইক আৰু বালাকোট এয়াৰ ষ্ট্ৰাইক




## মাছুদ আজহাৰক 'গ্ল'বেল টেৰ'ৰিষ্ট' হিচাপে চিহ্নিত কৰা হয়

- ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে মছুদ আজহাৰক সন্ত্ৰাসবাদী হিচাপে তালিকাভুক্ত কৰিছে।
- ২০১৯ চনত ভাৰতৰ বাবে এক বৃহৎ কূটনৈতিক জয় হিচাপে প্ৰমাণিত হয়।

## নতুন আৰু নিৰাপদ ভাৰতৰ দিশত...

- ২০১০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত সন্ত্ৰাসবাদৰ পৰিণতিত হোৱা মৃত্যুৰ সংখ্যা ৮৫ শতাংশ হ্ৰাস পাইছে।
- ২০১৯ চনৰ পৰা জম্মু আৰু কাশ্মীৰত সন্ত্ৰাসবাদ সম্পৰ্কীয় কাণ্ড ৭০ শতাংশ হ্ৰাস পাইছে।



প্ৰচ্ছদ নিবন্ধ

১২ বছৰ

বিকাশ যাত্ৰাৰ

## সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা




- ২০১৯ চনৰ ২ আগষ্টত ‘এন আই এ আইন’ৰ সংশোধনীত নতুন অপৰাধ সন্নিবিষ্ট কৰা হৈছিল আৰু বিদেশতো তদন্ত চলাবলৈ এন আই এ-ক ক্ষমতা প্ৰদান কৰা হৈছিল।
- ইউ এ পি এ-ৰ সংশোধনীৰ ফলত সন্ত্ৰাসবাদীৰ সম্পত্তি জব্দ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে আৰু ব্যক্তিক সন্ত্ৰাসবাদী হিচাপে নিৰ্ধাৰণ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে।
- বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে প্ৰথমবাৰৰ বাবে সন্ত্ৰাসবাদৰ আইনী সংজ্ঞা প্ৰদান কৰিছে।


## শক্তিশালী নীতিৰ জৰিয়তে এখন সুৰক্ষিত ভাৰত

- বিগত ১০ বছৰত সন্ত্ৰাসবাদী কাণ্ড ৭০% হ্ৰাস।
- এন আই এ-য়ে ইউ এ পি এ-ৰ গোচৰত ৯৫ শতাংশ দোষী সাব্যস্ত হোৱাৰ হাৰ প্ৰদান কৰাটো হৈছে এক শক্তিশালী সন্ত্ৰাসবাদ বিৰোধী নীতিৰ প্ৰমাণ।

১৫টাতকৈয়ো অধিক সংগঠনক সন্ত্ৰাসবাদী সত্তা হিচাপে নিষেধাজ্ঞা আৰোপ কৰা হৈছে

### সন্ত্ৰাসবাদী কাণ্ড

| | ২০১৮ | ২০২৫ | |
|---|---|---|---|
| সন্ত্ৰাসবাদী কাণ্ড | ২২৮ | ১২ | হ্ৰাস ৯৫% |
| নিৰাপত্তাৰক্ষীৰ মৃত্যু | ৯১ | ১৬ | হ্ৰাস ৮২% |
| অসামৰিক লোকৰ মৃত্যু | ৫৫ | ২৮ | হ্ৰাস ৯৫% |



“ কিছুমান ৰাষ্ট্ৰই নিজৰ বৈদেশিক নীতিৰ অংশ হিচাপে সন্ত্ৰাসবাদক সমৰ্থন কৰে। এনে ৰাষ্ট্ৰক অকলশৰীয়া কৰি ৰাখিব লাগিব। এই ক্ষেত্ৰত কোনো পৰিস্থিতিতে ‘যদি’ বা ‘কিন্তু’ৰ অৱকাশ থাকিব নালাগিব।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



# নক্সাল-মুক্ত ভাৰতঃ এখন নৱ্য ভাৰতৰ নতুন কাহিনী

*ভাৰত নক্সালবাদ আৰু মাওবাদী সন্ত্ৰাসবাদৰ পৰা মুক্ত হৈছে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত এই স্থিতি হৈছে যোৱা ১২ বছৰত ভাৰতৰ অন্যতম অতিশয় তাৎপৰ্য্যপূৰ্ণ সাফল্য। দেশৰ সংবিধানে বোমা, বন্দুক আৰু পিষ্টলৰ বিৰুদ্ধে জয়লাভ কৰিছে। এসময়ত "ৰেড কৰিডৰ" বুলি জনাজাত স্থান আজি জলজল-পটপটকৈ "সেউজ বিকাশ মণ্ডল"লৈ ৰূপান্তৰিত হৈছে। সময়োচিতভাৱে এই কেইবা দশক-পুৰণি সমস্যা নিৰ্মূলৰ প্ৰস্তাৱ–এখনি নক্সাল-মুক্ত ভাৰতৰ সংকল্পই ২০২৬-ৰ ৩১ মে'ত "সংগ্ৰামলব্ধ সাফল্য"ৰ এক ঐতিহাসিক অধ্যায় ৰচনা কৰে।*

## নক্সাল-প্ৰভাৱিত অঞ্চলসমূহত উন্নয়নমূলক কাম-কাজ

২০১৪-ৰ পৰা নক্সালবাদ-প্ৰভাৱিত অঞ্চলসমূহতঃ

**১৭,৫৮৯** কিঃমিঃ পথ নিৰ্মাণৰ বাবে অনুমোদন প্ৰদান।

ইয়াৰে **১২,০০০** কিঃমিঃ পথ নিৰ্মাণ কৰা হৈছে।

**৬,০২৫** ডাকঘৰ মুকলি কৰা হৈছে।

প্ৰায় **৫,০০০** ম'বাইল টাৱাৰ ৬,০০০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰা হৈছে।

**৮,০০০**টা ৪জি টাৱাৰ স্থাপনৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

যোৱা ১২ বছৰতঃ **১,৮০৪** বেংক শাখা মুকলি আৰু **১,৩২১** এ টি এম স্থাপন কৰা হৈছে।



### ২০২৪-তে কেইবাখনো ৰাজ্যত নক্সালবাদ নিৰ্মূল

- ইতিমধ্যে ২০২৪-ৰ পূৰ্বেই ওড়িশা আৰু বিহাৰ নক্সালবাদ-মুক্ত হৈ পৰিছিল।
- মাত্ৰ এটা তহচিলৰ বাহিৰে ২০২৪-ৰ পূৰ্বেই মহাৰাষ্ট্ৰ নক্সালবাদ-মুক্ত হৈ পৰিছিল।
- মাত্ৰ এখন জিলাৰ বাহিৰে ২০২৪-ৰ পূৰ্বেই ঝাৰখণ্ড নক্সালবাদ-মুক্ত হৈ পৰিছিল।
- ২০২৪-ৰ ২৪ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৬-ৰ ৩১ মাৰ্চৰ ভিতৰত সমগ্ৰ দেশৰ পৰা নক্সালবাদক সম্পূৰ্ণৰূপে নিৰ্মূলৰ কথা ঘোষণা কৰিছিল।



"বাওঁ-পন্থী উগ্ৰপন্থী আৰু সিহঁতৰ সমৰ্থকবোৰে সহজ-সৰল জনজাতীয় লোকসকলক তেওঁলোকৰ অধিকাৰ আৰু তেওঁলোকৰ ন্যায় সুৰক্ষিতকৰণৰ বাবে যুঁজি থকা বুলি মিছা কথা কৈছিল।

*নৰেন্দ্ৰ মোদী*
*প্ৰধানমন্ত্ৰী*

### নক্সালবাদ নিৰ্মূলৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰাজি

যোৱা ১১ বছৰত **৫৯৬** দৃঢ় সুৰক্ষাব্যৱস্থাযুক্ত আৰক্ষী থানা স্থাপন কৰা হৈছে।

অতিশয়-প্ৰভাৱিত জিলাৰ সংখ্যা

| ২০১৪ | এতিয়া |
|---|---|
| ৭ | ০ |

### মাওবাদী নিধন

| ২০২৪ | ২০২৫ | ২০২৬ |
|---|---|---|
| ২১৭ | ২৫৩ | এতিয়ালৈকে ২৩ |

(তৌকাঃ ২০২৬-ৰ ৩০ মাৰ্চৰ তথ্য।)

### গ্ৰেপ্তাৰ

| ২০২৪ | ২০২৫ | ২০২৬ |
|---|---|---|
| ১,০৯০ | ১,০২২ | ১৩৯ |

### আত্মসমৰ্পণ

| ২০২৪ | ২০২৫ | ২০২৬ |
|---|---|---|
| ৮৮১ | ২,৩৩৭ | ৮১৭ |

(তৌকাঃ ২০২৬-ৰ ৩০ মাৰ্চৰ তথ্য।)

## চৰকাৰী নীতিৰাজিৰ প্ৰভাৱ

- নক্সালবাদীৰ পৰা জব্দ কৰা অস্ত্ৰ-শস্ত্ৰৰ ৯২%-ই আৰক্ষীৰ পৰা লুট কৰা হৈছিল।
- নক্সালবাদীৰ মহা সচিব বাসৱৰাজুক নিধন কৰা হৈছে।
- ২৭জন লোকৰ হত্যাকাৰী হিডমাক নিধন কৰা হৈছে।
- ১১ বছৰে সক্ৰিয় হৈ থকা গজুৰেল্লা ৰবিক নিধন কৰা হৈছে।
- ৪৬ বছৰে সক্ৰিয় হৈ থকা কাদ্ৰী সত্যনাৰায়ণ ৰেড্ডীক নিধন কৰা হৈছে।
- ৪৪ বছৰে সক্ৰিয় হৈ থকা গণেশ উইকেক নিধন কৰা হৈছে।
- ৪৬ বছৰে সক্ৰিয় হৈ থকা বেণুগোপাল আৰু পল্লুৰী প্ৰসাদ ৰাও চন্দনাই আত্মসমৰ্পণ কৰিছে।
- ৩৬ বছৰে সক্ৰিয় হৈ থকা বাসুদেৱ আৰু ৰামদেৱ মাঁঝি দেবুয়ে আত্মসমৰ্পণ কৰিছে।
- ৪৪ বছৰে সক্ৰিয় হৈ থকা তিপ্ৰী তিৰুপতিয়েও আত্মসমৰ্পণ কৰিছে।
- বাকী থকা সকলো শীৰ্ষ-স্থানীয় সশস্ত্ৰ মাওবাদী নেতাক নিধন কৰা হৈছে।

নক্সালবাৰী

নক্সালবাৰীত আৰম্ভ হোৱা এই অভিযান ১২খন ৰাজ্যত বিয়পি পৰে

সামৰি লয়ঃ দেশৰ ভূখণ্ডৰ ১৭%

ইয়াৰ জনসংখ্যাৰ ১০%-ৰো অধিক।

## নক্সালবাদী নিৰ্মূলৰ অভিযান



**অপাৰেচন অক্টোপাছঃ** ২০২২-ত বিহাৰৰ বুঢ়া পাহাৰ অঞ্চলত চলোৱা হৈছিল।

**অপাৰেচন ডাবল বুলঃ** ২০২২-ৰ ফেব্ৰুৱাৰীত ঝাৰখণ্ডৰ গুমলা, লোহাৰডাগা আৰু লাটেহাৰ জিলাত চলোৱা হৈছিল। তেতিয়াৰ পৰাই তিনিওখন জিলা নক্সালবাদৰ পৰা মুক্ত হৈ পৰিল।

**অপাৰেচন থাণ্ডাৰষ্টৰ্মঃ** ২০২২-ৰ ছেপ্টেম্বৰত ঝাৰখণ্ডৰ ছেৰাইকেলা, পশ্চিম সিংভূম আৰু খুণ্টি জিলাত চলোৱা হৈছিল।

**অপাৰেচন ভীমবাৰ্গঃ** ২০২২-ৰ জুন-জুলাইত মাংগাৰত চলোৱা হৈছিল।

**অপাৰেচন চক্ৰবন্ধঃ** ২০২২-ত বিহাৰৰ গয়া আৰু ঔৰাংগাবাদ জিলাত চলোৱা হৈছিল।

**অপাৰেচন ব্লেক ফৰেষ্টঃ** ২০২৫-ত তেলেংগানা আৰু ছত্তীশগড়ৰ সীমান্তত অৱস্থিত ৫০ কিঃমিঃ দৈৰ্ঘ্য আৰু ৩৭ কিঃমিঃ প্ৰস্থত বিস্তৃত এটা পাহাৰত চলোৱা হৈছিল।

## বিশেষ আদালত আৰু তদন্তকাৰী সংস্থা গঠন

- এন আই এ-ক অধিক শক্তিশালী কৰা হয় আৰু বাওঁ-পন্থী উগ্ৰবাদ (এল ডব্লিউ ই) প্ৰভাৱিত ৰাজ্যসমূহত ৰাজ্যিক তদন্তকাৰী সংস্থাও গঠন কৰা হয়।
- ছত্তীশগড়ত চাৰি এল ডব্লিউ ই আদালত কাৰ্য্যক্ষম কৰা হয় আৰু আন-আন ৰাজ্যসমূহত বিশেষ আদালতো গঠন কৰা হয়।

### নক্সালৰ আৰ্থিক যোগান নিয়ন্ত্ৰণ কৰা

ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ (এন আই এ) সক্ৰিয় তৎপৰতাত নক্সালবাদীলৈ পুঁজি যোগান কাৰ্য্য ৰোধ কৰিবলৈ এক আগ্ৰাসী কৌশল গ্ৰহণ কৰা হয়। ইয়াৰ ফলস্বৰূপে সিহঁতৰ বিত্তীয় সম্পদসমূহ নাশ হৈ পৰে।



## আৰক্ষী বাহিনীৰ আধুনিকীকৰণ

- "আৰক্ষী বাহিনীৰ আধুনিকীকৰণ" আঁচনিৰ অধীনত ৰাজ্যিক আৰক্ষী বাহিনীসমূহক সু-সজ্জিত আৰু আধুনিকীকৰণৰ প্ৰচেষ্টালৈ সমৰ্থন আগবঢ়োৱা হয়।
- এই আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক অস্ত্ৰ-শস্ত্ৰ, আই টি সজুঁলি, যোগাযোগৰ আহিলা ক্ৰয়, প্ৰশিক্ষণ প্ৰদান, আৰক্ষী থানা নিৰ্মাণ, ম'বিলিটি সম্পদ, পুলিচ হাউচিং আৰু আন-আন আৰক্ষী আন্তঃগাঁথনিত সহায় কৰিছে।
- বিশেষ আন্তঃগাঁথনি আঁচনিৰ (এছ আই এছ) অধীনত এল ডব্লিউ ই-প্ৰভাৱিত ৰাজ্যসমূহলৈ তেওঁলোকৰ বিশেষ বাহিনী, ৰাজ্যিক চোৰাংচোৱা শাখা (এছ আই বি), জিলা আৰক্ষীলৈ সমৰ্থন আগবঢ়াবলৈ আৰু সুৰক্ষা ব্যৱস্থাযুক্ত আৰক্ষী থানা (এফ পি এছ) স্থাপনৰ অৰ্থে ১,৭৬১ কোটি টকা মূল্যৰ প্ৰকল্পত অনুমোদন জনোৱা হয়।





প্ৰচ্ছদ নিবন্ধ

১২ বছৰ

বিকাশ যাত্ৰাৰ

# বিকাশো, ঐতিহ্যও

## এখনি শক্তিশালী, সমৃদ্ধিশালী আৰু সুৰক্ষিত ভাৰত

ৰাষ্ট্ৰীয় ঐক্য বা নাগৰিকৰ কৰ্তব্যবোধৰ কথা আহি পৰা মাত্ৰকে সাংস্কৃতিক ঐতিহ্যই এক গুৰুত্বপূৰ্ণ সংযোগ হিচাপে ক্ৰিয়া কৰে। এনে গভীৰ বন্ধনে কেৱল ৰাষ্ট্ৰখনকেই নহয় বৰঞ্চ সমগ্ৰ বিশ্বক ভাৰতৰ সৈতে সংযোগ কৰে। এই নীতিৰে চালিত হৈ আৰু স্বকীয় সাংস্কৃতিক ঐতিহ্যক লৈ গৌৰৱবোধেৰে ভাৰতে বিগত ১২ বছৰে এটি সোণালী ভৱিষ্যতৰ ভেটি গঢ়ি তোলে। ইয়াৰ অসাধাৰণ আৰু গৌৰৱময় ইতিহাসত নতুন মাত্ৰাৰ সংযোজনেৰে এই ভেটি গঢ়ি তোলা হয়। ইয়াৰ ফলস্বৰূপে ঐতিহ্যৰ সৈতে উন্নয়নৰ সমন্বয় ঘটে। ইয়াৰোপৰি "এক পৃথিৱী, এক পৰিয়াল, এক ভৱিষ্যৎ" বিষয়বস্তুৰ অধীনত বসুধৈৱ কুটুম্বকম মন্ত্ৰক আকোঁৱালি লৈ ভাৰত পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত গ্ল'বেল গাইড হিচাপে পৰিগণিত হৈছে। একাধিক আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সক্ৰিয় প্ৰবক্তা হিচাপে ভাৰতে "মিছন লাইফ"ক কেন্দ্ৰ কৰি আৰু প্ৰকৃতিৰ সৈতে সমন্বিত সহ-অৱস্থানৰ পোষকতাৰে বিশ্বৰ বাবে এক নতুন পথৰ উন্মেষ ঘটাইছে। পাৰিপাৰ্শ্বিক অংগীকাৰৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদানৰ এটি যুগৰ সূচনাৰে ভাৰতে এটি নতুন অধ্যায় ৰচনা কৰিছে।

# অতীতৰ পৰিচয়, ভৱিষ্যতৰ দিশ

*ভাৰতৰ ঐতিহ্য হৈছে ইয়াৰ হাজাৰ-হাজাৰ বছৰ পুৰণি সভ্যতা, সংস্কৃতি আৰু পৰম্পৰাৰ জীৱন্ত প্ৰতিফলন। বৈচিত্ৰ্যৰে ভৰা এই দেশৰ ঐতিহাসিক কীৰ্তিচিহ্নৰাজি আৰু জীৱন-ধাৰণৰ পদ্ধতিয়ে ইয়াৰ পৰিচয়ক সমৃদ্ধ কৰিছে। আজিৰ যুগত ঐতিহ্য কেৱল অতীতৰ উত্তৰাধিকাৰেই নহয়, বৰঞ্চ উন্নয়ন আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ ভেটিও। চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা সংৰক্ষণ, প্ৰচাৰ আৰু ডিজিটেল ডুকুমেণ্টেচনৰ দৰে প্ৰচেষ্টাৰ জৰিয়তে এই অমূল্য ঐতিহ্যৰ নৱ প্ৰজন্মৰ সৈতে সংযোগ স্থাপন হৈছে। এই পদক্ষেপে আমাৰ শিপাক শক্তিশালী কৰাই নহয়, বৰঞ্চ বিশ্ব সাংস্কৃতিক মানচিত্ৰত ভাৰতক প্ৰতিষ্ঠা আৰু সবলীকৰণ কৰিছে।*

## নতুন সংসদ ভৱন

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩ৰ ২৮ মে'ত নতুন সংসদ ভৱন উদ্বোধন কৰি ৰাষ্ট্ৰলৈ উৎসৰ্গা কৰিছিল।
- প্ৰধানমন্ত্ৰী মোদীয়েই ২০২০-ৰ ১০ ডিচেম্বৰত নতুন সংসদ ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল।



## ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক



- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯-ৰ ২৫ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক ৰাষ্ট্ৰলৈ উৎসৰ্গা কৰিছিল। এই স্মাৰকে স্বাধীনতাৰ পিছৰে পৰা সাহসী জোৱানসকলৰ ত্যাগৰ সাক্ষ্য বহন কৰিছে।

## ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্তি



- ইণ্ডিয়া গেটৰ সমীপতে ৰাষ্ট্ৰীয় নায়ক তথা স্বাধীনতা সংগ্ৰামী সুভাষ চন্দ্ৰ বসুৰ এটি বিশাল প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। পূৰ্বে থকা ৰজা পঞ্চম জৰ্জৰ প্ৰতিমূৰ্তিৰ ঠাইতে নেতাজীৰ প্ৰতিমূৰ্তিটো স্থাপন কৰা হৈছে।
- ব্ৰিটিছ ৰাজৰ সময়ছোৱাত দাসত্বৰ প্ৰতীক 'ৰাজপথ'এতিয়া ইতিহাসৰ বিষয় হৈ পৰিছে; ২০২২-ৰ ছেপ্টেম্বৰত ইয়াৰ নাম সলনিৰে 'কৰ্তব্য পথ' কৰা হৈছিল।
- ২০১৬-ত ৰেচ ক'ৰ্চ ৰোডৰ নাম সলনিৰে '৭ লোক কল্যাণ মাৰ্গ' কৰা হৈছিল।
- ২০১৭-ত ডেলহাউছি ৰোডৰ নাম সলনিৰে 'দাৰা শ্বিকোহ ৰোড' কৰা হৈছিল।
- ২০২২-ৰ ৪ ডিচেম্বৰ অৰ্থাৎ নৌসেনা দিৱসৰ দিনা বিশাখাপট্টনমত ৰাষ্ট্ৰপতিৰ পতাকা আৰু প্ৰতীক চিহ্ন লগতে ভাৰতীয় নৌসেনাৰ প্ৰতীক চিহ্নৰ নতুন ডিজাইন উন্মোচন কৰা হৈছিল।
- ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত হোৱাৰ অভিযানৰ অংশ হিচাপে নৌসেনাই নতুন প্ৰতীক চিহ্ন কৰে। শিৱাজী মহাৰাজৰ উত্তৰাধিকাৰৰ পৰা লাভ কৰা প্ৰেৰণাৰে ইয়াৰ ডিজাইন কৰা হৈছে।



- আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ ২১টা বৃহৎ নামহীন দ্বীপক ২১ গৰাকী পৰম বীৰ চক্ৰ প্ৰাপকৰ নামেৰে নামকৰণ কৰা হৈছে।

**১,৫০০** খন অপ্ৰচলিত আইন বাতিল কৰা হৈছে।

প্ৰচ্ছদ নিবন্ধ

১২ বছৰ

বিকাশ যাত্ৰাৰ

## প্ৰধানমন্ত্ৰী সংগ্ৰহালয়

- প্ৰধানমন্ত্ৰীয়ে ২০২২-ৰ ১৪ এপ্ৰিলত প্ৰধানমন্ত্ৰী সংগ্ৰহালয় উদ্বোধন কৰিছিল। এই সংগ্ৰহালয়ৰ জৰিয়তে ভাৰতৰ আটাইকেইগৰাকী প্ৰধানমন্ত্ৰীয়ে আগবঢ়োৱা অৱদানক স্বীকৃতি জনোৱা হৈছে আৰু ইয়াত গণতন্ত্ৰই সমাজৰ প্ৰতিটো শ্ৰেণী তথা স্তৰৰ নেতাক কেনেকৈ ৰাষ্ট্ৰলৈ অৰিহণা যোগোৱাৰ সুযোগ প্ৰদান কৰিছে সেয়া একত্ৰিতভাৱে-প্ৰদৰ্শন কৰা হৈছে।



## হৃত ঐতিহ্যৰ পুনৰুদ্ধাৰ




- ২০১৪-ৰ পৰা ৬৫৩-ৰো অধিক চুৰি প্ৰাচীন সামগ্ৰী দেশলৈ ঘূৰাই অনা হৈছে।
- ২০১৩-ৰ পূৰ্বলৈকে মাত্ৰ ১৩টা চুৰি প্ৰাচীন সামগ্ৰীকহে বিদেশৰ পৰা ভাৰতলৈ ঘূৰাই অনা হৈছিল।
- ২০১৬-ৰ পৰা যুক্তৰাষ্ট্ৰ চৰকাৰে একাধিক সৰবৰাহ কৰা বা চুৰি হোৱা প্ৰাচীন সামগ্ৰী ঘূৰাই অনাৰ সুবিধা প্ৰদান কৰিছে।

২০১৬-ৰ পৰা ভাৰতলৈ যুক্তৰাষ্ট্ৰৰ পৰা মুঠ ৫৭৮টা সাংস্কৃতিক সামগ্ৰী ঘূৰাই অনা হৈছে। এই পৰিসংখ্যা হৈছে কোনো এখন দেশে ভাৰতলৈ ঘূৰাই পঠোৱা সৰ্বাধিক সংখ্যক সাংস্কৃতিক সামগ্ৰী।

## ইউনেস্ক': ঐতিহ্যৰ মাইলৰ খুঁটি

- বিগত দশকটোত ভাৰতে বিশ্ব ঐতিহ্য তালিকাত নিজৰ উপস্থিতি বৃদ্ধি কৰিছে। ভাৰতে এতিয়া বিশ্ব ঐতিহ্য তালিকাত ৪৪ ক্ষেত্ৰ আৰু ইউনেস্ক'ৰ সম্ভাব্য তালিকাত ৬৯ ক্ষেত্ৰৰ অন্তৰ্ভুক্তিৰ গৌৰৱ অৰ্জন কৰিছে। এই ক্ষেত্ৰসমূহক কেৱল ইতিহাসৰ প্ৰতীক হিচাপেই নহয়, বৰঞ্চ ভৱিষ্যৎ প্ৰজন্মৰ বাবে শিক্ষণৰ স্থান হিচাপেও সংৰক্ষিত কৰা হৈছে।



## ডিজিটেল আৰ্কাইভ ৰেকৰ্ড

- ভাৰতীয় ৰাষ্ট্ৰীয় অভিলেখাগাৰে ঐতিহাসিকভাৱে মূল্যৱান নথি-পত্ৰৰাজি সংৰক্ষণ আৰু গৱেষক তথা সাধাৰণ জনতাৰ বাবে আৰ্কাইভ-সংক্ৰান্তিয় সমলৰ সুবিধাৰ অগ্ৰগতি সাধন কৰাৰ বাবে আৰ্কাইভ ৰেকৰ্ডসমূহৰ ডিজিটাইজেচনৰ এটি পৰ্য্যায়ভিত্তিক কাৰ্য্যক্ৰমৰ শুভাৰম্ভ কৰিছে।

সম্প্ৰতি অভিলেখ পটল পৰ্টেলত বিষয়বস্তু উপলব্ধ হৈছে।

১৮.৯৮ কোটি ডিজিটাইজড পৃষ্ঠা

৪০.০৯ লাখ ডিজিটাইজড ফাইল

৭৪.০৩ লাখ ৰেফাৰেন্স মিডিয়া ৰেকৰ্ড



## ইতিবাচক ঐতিহ্য সংৰক্ষণ

- সফল ৰাষ্ট্ৰসমূহ আগবাঢ়ি যোৱাৰ লগে-লগে স্বকীয় ইতিবাচক ঐতিহ্যক পৰিত্যাগ নকৰে; বৰঞ্চ ইয়াক সংৰক্ষণহে কৰে। আজি ভাৰত 'বিকাশ আৰু ঐতিহ্য'ৰ দৃষ্টিভংগীৰে অগ্ৰসৰ হৈছে।
- নতুন কৰ্তব্য ভৱনৰ পিছত নৰ্থ আৰু ছাউথ ব্লকো ভাৰতৰ মহান উত্তৰাধিকাৰৰ অংশ হৈ পৰিব। দেশবাসীৰ বাবে নৰ্থ আৰু ছাউথ ব্লকক "যুগে যুগে ভাৰত" শীৰ্ষক সংগ্ৰহালয়লৈ ৰূপান্তৰিত কৰা হৈছে। এয়া প্ৰতিগৰাকী নাগৰিকৰ বাবে মুকলি থাকিব আৰু ইয়াত তেওঁলোকে আমাৰ ৰাষ্ট্ৰৰ ঐতিহাসিক যাত্ৰাৰ চাক্ষুস অভিজ্ঞতা লাভকৰিব পাৰিব।

## 'পঞ্চ প্ৰাণ'

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ পৰা সকলো নাগৰিকক 'পঞ্চ প্ৰাণ'ক আঁকোৱালি ল'বলৈ আহ্বান জনাইছিল। এইসমূহ হৈছে- এখনি বিকশিত ভাৰতৰ লক্ষ্য; ঔপনিৱেশিক মানসিকতা পৰিহাৰ; আমাৰ পৰম্পৰাৰ প্ৰতি গৌৰৱবোধ; ঐক্য আৰু অখণ্ডতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা আৰু প্ৰতিজন নাগৰিকৰ মনত কৰ্তব্যবোধ জগাই তোলা।

## স্মৃতিসৌধৰ এক নতুন যুগঃ ঐতিহ্যৰ পৰা নব্য প্ৰেৰণা লাভ

- প্ৰধানমন্ত্ৰী সংগ্ৰহালয়, ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক, ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰক, জালিয়ানাৱালাবাগ স্মাৰক, বিপ্লৱী ভাৰত গেলেৰী নিৰ্মাণৰ লগতে সমগ্ৰ দেশতে ১১টা জনজাতীয় সংগ্ৰহালয় স্থাপনত অনুমোদন জনোৱা হৈছে।

# বিশ্ব মঞ্চত সাংস্কৃতিক পৰিচয়

*এখন ৰাষ্ট্ৰই স্বকীয় অৰ্থনৈতিক শক্তিৰ সমান্তৰালভাৱে ইয়াৰ সাংস্কৃতিক ঐতিহ্যক স্বীকাৰ কৰা মাত্ৰকেহে প্ৰকৃততে বিশ্ব মঞ্চত সন্মান আৰু স্বীকৃতি লাভ কৰে। এনে প্ৰেক্ষাপটত বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত একাধিক পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলশ্ৰুতিত দেশৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি জনসাধাৰণৰ মন গভীৰ গৌৰৱবোধেৰে ভৰি পৰিছে...*

## ৰাম মন্দিৰ

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪-ৰ ২২ জানুৱাৰীত অযোধ্যাৰ চমৎকাৰ শ্ৰী ৰাম মন্দিৰত ৰাম লল্লাৰ প্ৰাণ প্ৰতিষ্ঠাৰে (অভিষেক অনুষ্ঠান) ৫০০-বছৰীয়া অপেক্ষাৰ অন্ত পেলাইছিল।
- পৰম্পৰাগত নাগৰ শৈলীৰ স্থাপত্যৰে বিশাল শ্ৰী ৰাম জন্মভূমি মন্দিৰ নিৰ্মাণ কৰা হৈছে।
- ইয়াৰ দৈৰ্ঘ্য (পুব-পশ্চিম) ৩৮০ ফুট; প্ৰস্থ ২৫০ ফুট আৰু উচ্চতা ১৬১ ফুট।
- মন্দিৰৰ স্তম্ভ আৰু দেৱালত ভিন্ন হিন্দু দেৱ-দেৱীৰ চিত্ৰ খোদিত আছে।
- ভূমি মহলাৰ মূল গৰ্ভগৃহত ভগৱান শ্ৰীৰামৰ শৈশৱৰ মূৰ্তি (শ্ৰী ৰাম লল্লা) প্ৰতিষ্ঠা কৰা হৈছে।
- ২০২৫-ৰ ২৫ নৱেম্বৰত শ্ৰী ৰাম মন্দিৰৰ শিখৰত গেৰুৱা ধ্বজ উত্তোলনৰ লগে-লগে মন্দিৰ চৌহদ নিৰ্মাণৰ কাম সম্পূৰ্ণ হয়।


## ভূমি পূজন আৰু আধাৰশিলা স্থাপন

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২০-ৰ ৫ আগষ্টত শ্ৰী ৰাম মন্দিৰ নিৰ্মাণৰ ভূমিপূজন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিছিল।
- ভাৰত চৰকাৰে ২০২০-ৰ ৫ ফেব্ৰুৱাৰীত এই প্ৰকল্পত অনুমোদন জনাইছিল।
- সৰ্বোচ্চ ন্যায়ালয়ে ২০১৯-ৰ ৯ নৱেম্বৰত সৰ্বসন্মতিক্ৰমে এক



ঐতিহাসিক ৰায়দানেৰে শ্ৰী ৰাম মন্দিৰ নিৰ্মাণৰ বাবে সমগ্ৰ বিবদমান ২.৭৭ একৰ ভূমি আবণ্টন জনাইছিল।

> **"এই ভব্য ৰাম মন্দিৰ ভাৰতৰ উৎকৰ্ষ, ভাৰতৰ উত্থানৰ সাক্ষী হ'ব; এই চমৎকাৰ ৰাম মন্দিৰ হ'ব ভাৰতৰ সমৃদ্ধি আৰু বিকশিত ভাৰতৰ সাক্ষী।**
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*





## শ্ৰী কাশী বিশ্বনাথ কৰিডৰ

**৫.৫** একৰ এলেকা ২০২১-ৰ ১৩ ডিচেম্বৰত উদ্বোধন কৰা ৩৫৫ কোটি টকাৰ কাশী বিশ্বনাথ কৰিডৰ প্ৰকল্পই সামৰি লৈছে।

- এই কৰিডৰে পোনপটীয়াকৈ চাৰি-লেনযুক্ত পথেৰে কাশী বিশ্বনাথ মন্দিৰক গংগা নদীৰ সৈতে সংযোগ কৰাৰ ফলশ্ৰুতিত মন্দিৰ দৰ্শন কৰিবলৈ অহা তীৰ্থযাত্ৰীসকলৰ যাতায়াত সুগম হৈ পৰিছে।

**৩,৮৮০ কোটি টকা**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১১ এপ্ৰিলত কাশীত এই বিশাল মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰাজিৰ শুভাৰম্ভ কৰিছিল।

- ২০১৪-ৰ পৰা ২০২৫-ৰ মাৰ্চলৈকে কাশীত মুঠ ৪৮,৪৫৯ কোটি টকা ব্যয় সাপেক্ষে ৫৮০টা উন্নয়ন প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছিল।



> "আজি কাশী কেৱল অনাদি কালৰ প্ৰতীক হিচাপেই নহয়, বৰঞ্চ প্ৰগতিৰ আকাশদীপ হিচাপেও পৰিগণিত হৈছে।"
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



## মহাকাল লোক প্ৰকল্প

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২-ৰ ১১ অক্টোবৰত মধ্যপ্ৰদেশৰ উজ্জয়িনীত প্ৰথম পৰ্য্যায়ৰ মহাকাল লোক প্ৰকল্প ৰাষ্ট্ৰলৈ উৎসৰ্গা কৰিছিল।
- মুঠ ৮৫০ কোটি টকা ব্যয় সাপেক্ষে সমগ্ৰ প্ৰকল্পটো ৰূপায়ণ কৰা হৈছে।
- মহাকাল পথৰ ১০৮টা স্তম্ভত ভগৱান শিৱক তেওঁৰ আনন্দময় তাণ্ডৱ ৰূপত চিত্ৰিত কৰা হৈছে।
- মহাকাল পথৰ কাষতে ভগৱান শিৱৰ জীৱনৰ ভিন্ন মুহূৰ্তক চিত্ৰিতকাৰী কেইবাটাও ধৰ্মীয় ভাস্কৰ্য্য স্থাপন কৰা হৈছে।
- পথৰ কাষৰ দেৱালত শোভাবৰ্ধন কৰা মিউৰেলসমূহত শিৱ পুৰাণৰ পৰা সৃষ্টিৰ কাহিনী, ভগৱান গণেশৰ জন্ম বৃত্তান্ত, সতী আৰু দক্ষৰ পৌৰাণিক উপাখ্যান আদিক চিত্ৰিত কৰা হৈছে।
- কৃত্ৰিম বুদ্ধিমত্তা আৰু তদাৰকী কেমেৰাৰ ব্যৱহাৰেৰে কমাণ্ড এণ্ড কণ্ট্ৰল চেণ্টাৰে সমগ্ৰ চৌহদটো নিৰীক্ষণ কৰে।




### মা কামাখ্যা মন্দিৰ, অসম

মা কামাখ্যা মন্দিৰৰ পুনৰ উন্নয়ন সাধনেৰে আন্তঃগাঁথনিৰ বৰ্ধন আৰু তীৰ্থযাত্ৰীসকলৰ সা-সুবিধাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ ফলশ্ৰুতিত দৰ্শনাৰ্থীসকলে উন্নত সুবিধা আৰু আৰামদায়ক, সুগম আধ্যাত্মিক অভিজ্ঞতা লাভ কৰাটো নিশ্চিত হৈছে।



### কেদাৰনাথ মন্দিৰ, উত্তৰাখণ্ড

কেদাৰনাথৰ উন্নয়ন সাধনৰ অংশস্বৰূপে আদি শংকৰাচাৰ্য্যৰ এটি প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে, এয়া হৈছে সভ্যতাগত ঐক্যৰ প্ৰতীক আৰু এই মূৰ্তিয়ে তীৰ্থস্থানখনিৰ আধ্যাত্মিক তাৎপৰ্য্য বৃদ্ধি কৰিছে।



### গুজৰাটৰ জুনা সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণ

সোমনাথ মন্দিৰৰ চৌপাশৰ অঞ্চলটোৰ উন্নয়ন সাধন আৰু পাৰ্বতী মন্দিৰ নিৰ্মাণকে প্ৰমুখ্য কৰি গুৰুত্বপূৰ্ণ তীৰ্থস্থানসমূহৰ নবীকৰণৰ জৰিয়তে অহল্যাবাই হোলকাৰৰ উত্তৰাধিকাৰক আগুৱাই নিয়া হৈছে।

- তীৰ্থযাত্ৰীসকলক আৰৱ সাগৰৰ দৃশ্যপটত সোমনাথ মন্দিৰৰ এক চমৎকাৰ দৃশ্য দেখুৱাবলৈ এটি বিহাৰ স্থান গঢ়ি তোলা হৈছে।



### বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত সুকীয়া বিভাগ স্থাপন

প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত চৰকাৰে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত বিশেষভাৱে সাংস্কৃতিক ঐতিহ্যৰ পুনৰুদ্ধাৰ, নবীকৰণ আৰু সংৰক্ষণৰ বাবে এটা সমৰ্পিত বিভাগ স্থাপন কৰিছে।

# পাৰিপাৰ্শ্বিক অংগীকাৰৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদানৰ এটা যুগ

*“এক পৃথিৱী, এক পৰিয়াল, এক ভৱিষ্যৎ” বিষয়বস্তুৰ অধীনত বসুধৈৱ কুটুম্বকম মন্ত্ৰক আকোঁৱালি লৈ ভাৰত পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত গ্ল'বেল গাইড হিচাপে পৰিগণিত হৈছে। একাধিক আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সক্ৰিয় প্ৰবক্তা হিচাপে ভাৰতে “মিছন লাইফ”ক কেন্দ্ৰ কৰি আৰু প্ৰকৃতিৰ সৈতে সমন্বিত সহ-অৱস্থানৰ পোষকতাৰে বিশ্বৰ বাবে এক নতুন পথৰ উন্মেষ ঘটাইছে। যোৱা ১২ বছৰে কেন্দ্ৰীয় চৰকাৰে প্ৰকৃতিৰ সৈতে সমন্বয়ৰ এটি নতুন যুগৰ সূচনা কৰিছে।*

## ভাৰতঃ বিশ্বক নেতৃত্ব প্ৰদান


- ভাৰতে ইউ এন এফ চি চি চি আৰু পেৰিছ চুক্তিৰ অধীনত জলবায়ু লক্ষ্যসমূহক ধাৰাবাহিকভাৱে আগুৱাই নিছে। ২০১৫-ত নিৰ্ধাৰণ কৰা প্ৰাৰম্ভিক এন ডি চি লক্ষ্যৰ পৰা ২০৩১-২০৩৫ ৰ বাবে এতিয়া নিৰ্ধাৰণ কৰা নতুন লক্ষ্যলৈকে ভাৰত নিজৰ অংগীকাৰ পৰিপূৰণৰ ক্ষেত্ৰত অটল হৈ আছে। বিশ্ব জলবায়ু পৰিৱৰ্তনৰ আলোচনাত ভাৰতে এতিয়া এক বলিষ্ঠ আৰু বিশিষ্ট কণ্ঠ হিচাপে আত্মপ্ৰকাশ কৰিছে।
- ২০১৫-ত ভাৰতে ইউ এন এফ চি চি চি-ৰ অধীনত প্ৰথম ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত অৱদান দাখিল কৰিছিল। ইয়াত ২০৩০ চনৰ ভিতৰত উপনীত হ'বলগীয়া লক্ষ্যসমূহৰ ৰূপৰেখা দাঙি ধৰা হৈছিল।
- চি অ'পি২১-ৰ পিছৰে পৰা প্ৰধানমন্ত্ৰী মোদীৰ “জলবায়ু ন্যায়”ৰ নীতিয়ে জলবায়ু পৰিৱৰ্তনৰ সৈতে জড়িত বিষয়সমূহত সমতা আৰু ন্যায় সম্পৰ্কীয় উদ্বেগক অৱজ্ঞা নকৰাটো নিশ্চিত কৰিছে।
- গ্লাছগোত অনুষ্ঠিত হোৱা চি অ'পি-২৬ সন্মিলনত (২০২১) প্ৰধানমন্ত্ৰী মোদীয়ে “পৰিৱেশৰ বাবে জীৱনশৈলী” বা ‘লাইফ’ৰ ধাৰণাটো প্ৰৱৰ্তন কৰিছিল। এই



পদক্ষেপৰ লক্ষ্য আছিল ব্যক্তি আৰু সমাজক জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াৰ এটি মাধ্যম হিচাপে তেওঁলোকৰ দৈনন্দিন জীৱনত সৰু-সৰু, পৰিৱেশ-অনুকূল পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰা।

- প্ৰধানমন্ত্ৰী মোদীৰ “পঞ্চামৃত” পদক্ষেপে ভাৰতক জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজখনত বিশ্ব আদৰ্শ হিচাপে প্ৰতিষ্ঠা কৰিছে।
- ব্ৰিকছ, ২০২৬: ভাৰতে সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে বহনক্ষম জীৱনশৈলী, বনানীকৰণ, বনজুই ব্যৱস্থাপনা আৰু দুৰ্যোগৰ প্ৰতিৰোধ ক্ষমতা, বৃত্তাকাৰ অৰ্থনীতি তথা জলবায়ু অভিযোজনাৰ প্ৰসাৰ আদি মূল বিষয়বস্তুসমূহৰ ক্ষেত্ৰত আলোচনা আৰম্ভ কৰিছে।
- ইউ এন ই এ-৭ত বনজুই সন্দৰ্ভত প্ৰস্তাৱঃ ২০২৫-ৰ ডিচেম্বৰত কেনিয়াৰ নাইৰোবিত অনুষ্ঠিত ৰাষ্ট্ৰসংঘ পৰিৱেশ সভাৰ (ইউ এন ই এ-৭) সপ্তম অধিৱেশনত “বনজুই ব্যৱস্থাপনাৰ বিশ্ব সাঁহাৰিক সুদৃঢ়কৰণ” শীৰ্ষক ভাৰতে দাখিল কৰা এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

### নবীকৰণযোগ্য শক্তি ক্ষমতা প্ৰায় চাৰিগুণ বৃদ্ধি




### নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্ব প্ৰদান

- সংস্থাপিত নবীকৰণযোগ্য শক্তি ক্ষমতাৰ ক্ষেত্ৰত ভাৰতে বিশ্বজুৰি তৃতীয় স্থান লাভ কৰিছে।
- সংস্থাপিত বায়ু শক্তি ক্ষমতাৰ ক্ষেত্ৰত ভাৰত হৈছে বিশ্বৰ চতুৰ্থ-সৰ্ববৃহৎ দেশ।
- সংস্থাপিত সৌৰশক্তি ক্ষমতাৰ ক্ষেত্ৰত ভাৰতৰ স্থান তৃতীয়।
- ভাৰতে ২০২৬-ৰ মাৰ্চলৈকে ২৮৩.৪৭ গিগাৱাট সংস্থাপিত অজীৱাশ্ম ইন্ধন শক্তি ক্ষমতা আহৰণ কৰিছিল। এয়া হৈছে মুঠ ৫৩২.৭৪ গিগাৱাট সংস্থাপিত শক্তি ক্ষমতাৰ ৫৩.২১%।



## নিৰ্ধাৰিত সময়ৰ পূৰ্বেই উপনীত হোৱা লক্ষ্য

- ভাৰত নিৰ্ধাৰিত সময়তকৈ ১১ বছৰ আগতেই -২০১৯ ৰ পূৰ্বেই নিজৰ জি ডি পিৰ নিৰ্গমনৰ তীব্ৰতা হ্ৰাস কৰাৰ লক্ষ্যত উপনীত হৈছিল।
- ভাৰতে নিৰ্ধাৰিত সময়সীমাৰ ৯ বছৰ পূৰ্বেই অজীৱাশ্ম ইন্ধন ভিত্তিক শক্তি উৎসৰ অংশ বৃদ্ধিৰ সৈতে সম্পৰ্কীয় ২০১৫-ৰ ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত অৰদানৰ (এন ডি চি) লক্ষ্যপূৰণ কৰিছিল।
- ৰাষ্ট্ৰীয় জৈৱ ইন্ধন নীতিৰ অধীনত নিৰ্ধাৰিত সময়সীমাৰ পাঁচ মাহ পূৰ্বেই ইথানল-মিশ্ৰিত পেট্ৰলৰ লক্ষ্যতো উপনীত হোৱা যায়।
- পাঁচ বছৰ পূৰ্বেই ২০২৫-ৰ জুনত অজীৱাশ্ম ইন্ধন-ভিত্তিক শক্তি উৎসৰ পৰা ৫০% সংস্থাপিত বিদ্যুৎ ক্ষমতা আহৰণৰ পেৰিছ চুক্তিৰ অধীনত নিৰ্ধাৰিত ২০৩০-ৰ লক্ষ্যত উপনীত হোৱা যায়।
- ২০০৫-২০২০ ৰ সময়ছোৱাত ভাৰতে ইয়াৰ নিৰ্গমনৰ তীব্ৰতা ৩৬% হ্ৰাস কৰিছিল।
- ২০২১-লৈকে ভাৰতে ২.২৯ বিলিয়ন টন কাৰ্বন ডাই-অক্সাইডৰ সমতুল্য অতিৰিক্ত কাৰ্বন শোষক সৃষ্টি কৰিছিল। এই পৰিমাণ ২০৩০-ৰ ২.৫ বিলিয়ন টনৰ লক্ষ্যৰ অতি ওচৰত।
- ২০২৬-ৰ মাৰ্চত প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে ২০৩১-২০৩৫ সময়ছোৱাৰ বাবে ভাৰতৰ পৰৱৰ্তী ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত অৰদানত (এন ডি চি) অনুমোদন জনাইছিল।
- ভাৰত ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট অজীৱাশ্ম ইন্ধন-ভিত্তিক বিদ্যুৎ ক্ষমতা আহৰণ কৰিবলৈ সাজু হৈছে।



## স্বচ্ছতাৰ ক্ষেত্ৰত আচৰণৰ পৰিৱৰ্তন

- প্ৰধানমন্ত্ৰী মোদীয়ে ধাৰাবাহিকভাৱে ৰাইজক অনাময় ব্যৱস্থাৰ পৰা আৰম্ভ কৰি এবাৰ-ব্যৱহৃত প্লাষ্টিক পৰিহাৰ কৰালৈকে পৰিবেশ সংৰক্ষণৰ বাবে জীৱনশৈলীৰ পৰিৱৰ্তন সাধন কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে।
- গোবৰ্ধন আঁচনিখন হৈছে বৃত্তাকাৰ অৰ্থনীতি আৰু মিছন লাইফৰ নীতিৰ সৈতে সামঞ্জস্যপূৰ্ণ এটি “ৱাষ্ট টু ৱেল্‌থ” পদক্ষেপ। ২০১৮-ৰ ৩০ এপ্ৰিলত ইয়াৰ শুভাৰম্ভ কৰা হৈছিল। ২০২৬-ৰ জানুৱাৰীলৈকে ১৮৯টা সংকুচিত জৈৱ গেছ প্ৰকল্প আৰম্ভ হৈছে।

**স্বচ্ছ ভাৰত**

**১২০** নিযুতৰো অধিক টয়লেট নিৰ্মাণ



**২৬২** কোটি গছপুলি এক পেড় মা কে নাম পদক্ষেপৰ অধীনত ৰোপণ

‘নমামি গংগা’ৰ দৰে অভিযানক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰি বিস্তৃত পৰিসৰত মানুহৰ অভ্যাসৰ পৰিৱৰ্তন নিশ্চিত কৰা হয়।



“


আমি প্ৰকৃতি ৰক্ষতি ৰক্ষিতা মন্ত্ৰটো মনত ৰাখিব লাগিব। ইয়াৰ অৰ্থ হৈছে যিসকলে প্ৰকৃতিক ৰক্ষা কৰে, তেওঁলোক পাছলৈ প্ৰকৃতিৰ দ্বাৰা সুৰক্ষিত হৈ পৰে। মোৰ বিশ্বাস যে আমাৰ ‘মিছন লাইফ’ক (পৰিবেশৰ বাবে জীৱনশৈলী) মানি চলি আমি এখনি উন্নত পৃথিৱী গঢ়ি তুলিব পাৰিম।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে এই কথা প্ৰমাণ কৰি দেখুৱাইছে যে উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণ দুয়োটা সমান্তৰালভাৱে আগুৱাই নিব পাৰি। পৰিৱেশ সম্পৰ্কীয় আইনসমূহৰ সংস্কাৰে একাধাৰে নিয়ন্ত্ৰণমূলক বাধ্যবাধকতাৰ উন্নত পালন নিশ্চিত কৰিছে আৰু ব্যৱসায়-বাণিজ্যক অধিক সহজসাধ্য কৰি তুলিছে।

### ৰে'লপথ বৈদ্যুতিকীকৰণ...


বাৰ্ষিক ১৭৮ কোটি লিটাৰ ডিজেলৰ ৰাহি





২০১৪ চনৰ পৰা ৰে'লৰ যাত্ৰীবাহী দবাসমূহত ৩.৬১ লাখ বায়'-টয়লেট স্থাপন কৰা হৈছে, ইয়াৰ বিপৰীতে ২০০৪ চনৰ পৰা ২০১৪ চনৰ ভিতৰত কেৱল ৯,৫৮৭টা বায়'-টয়লেটহে স্থাপন কৰা হৈছিল।

### সৌৰশক্তিৰে আলোকিত ঘৰবোৰ

২০২৬ চনৰ ৩০ এপ্ৰিললৈকে 'প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোজনা'ৰ অধীনত ৩৬.৮৮ লাখ পৰিয়ালত সৌৰ শক্তি ব্যৱস্থা স্থাপন কৰা হৈছে। এই আঁচনিৰ অধীনত স্থাপিত সৌৰ শক্তিৰ ক্ষমতা ১০.৭৭ গিগাৱাট পাইছেগৈ। লগতে, এতিয়ালৈকে ১৯,৪৮০ কোটি টকাৰ ৰাজসাহায্যও বিতৰণ কৰা হৈছে।




স্থাপিত সৌৰ শক্তিৰ ক্ষমতা ৫৩ গুণ বৃদ্ধি পালে




সৌৰ শক্তিৰ শুল্ক ৬৫% হ্ৰাস

### কঠোৰ নিয়ন্ত্ৰণৰ সমান্তৰালভাৱে কাৰ্যক্ষমতাৰ সম্প্ৰসাৰণ

কেন্দ্ৰীয় চৰকাৰে 'গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী, ২০২৬ জাৰি কৰিছে, যিয়ে 'গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী, ২০১৬'-ৰ স্থলাভিষিক্ত হ'ব। এই নিয়মাৱলী ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ পৰিছে। এই নিয়মসমূহত 'প্ৰদূষনকাৰীৰ জৰিমনা নীতি'ৰ আধাৰত পৰিৱেশীয় ক্ষতিপূৰণ আৰোপ কৰাৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে। 'গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী, ২০২৬'-ৰ অধীনত আৱৰ্জনাসমূহক তিতা আৱৰ্জনা, শুকান আৱৰ্জনা, অনাময় আৱৰ্জনা আৰু বিশেষ যত্ন ল'বলগীয়া আৱৰ্জনা হিচাপে পৃথক্কৰণ কৰাটো বাধ্যতামূলক কৰা হৈছে।

গোটা আৱৰ্জনা প্ৰক্ৰিয়াকৰণ
৫ গুণ বৃদ্ধি পালে




### ইন্ধন সঞ্চয়

ফাষ্টেগে (FASTag) ট'ল প্লাজাসমূহত অপেক্ষা কৰাৰ সময় ১২ মিনিটৰ পৰা ৪৭ ছেকেণ্ডতকৈও কম সময়লৈ হ্ৰাস কৰিছে; এই আধুনিক ব্যৱস্থাটোৰ বাবে ইন্ধন ৰাহি হৈ বাৰ্ষিক প্ৰায় ১,৫০০ কোটি টকা ৰাহি হৈছে।

ইথানলৰ সংমিশ্ৰণ ১৩ গুণ বৃদ্ধি





ভাৰতৰ ১৩খন সমুদ্ৰতীৰে 'ব্লু ফ্লেগ' প্ৰমাণপত্ৰ লাভ কৰিছে- যিটো পৰিষ্কাৰ-পৰিচ্ছন্নতা, পৰিৱেশ সংৰক্ষণ, সুৰক্ষা আৰু উন্নত পৰ্যটন সা-সুবিধাৰ ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শনৰ বাবে প্ৰদান কৰা এক সন্মানীয় স্বীকৃতি।

## বন্যপ্ৰাণীৰ কল্যাণ আৰু সংৰক্ষণৰ বাবে পদক্ষেপ

*দেশৰ বনাঞ্চলৰ পৰিমাণ লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। সংৰক্ষিত বনাঞ্চলৰ অধীনৰ এলেকাও ধাৰাবাহিকভাৱে সম্প্ৰসাৰিত হৈছে। কেৱল ৰামচাৰ স্থান অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় গুৰুত্বসম্পন্ন জলাভূমি ক্ষেত্ৰসমূহে দেশৰ ভিতৰত জৈৱ-বৈচিত্ৰ্যক প্ৰসাৰিত কৰা আৰু ‘ব্যাঘ্ৰ প্ৰকল্প’ই দেশৰ বাঘৰ জনসংখ্যা বৃদ্ধি কৰাই নহয়, বৰঞ্চ আফ্ৰিকান চিতা বাঘক ভাৰতত পুনৰ সংস্থাপিত কৰাৰ বাবে গ্ৰহণ কৰা আন্তঃমহাদেশীয় পদক্ষেপেও দেশৰ জৈৱ-বৈচিত্ৰ্যক এক বিশেষ গতি প্ৰদান কৰিছে। তদুপৰি, কেৱল চিতা বাঘৰ সংখ্যাই বৃদ্ধি পোৱা নাই; নতুন সংৰক্ষণমূলক পদক্ষেপৰ অধীনত ‘গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড’ৰ পোৱালিৰো পুনৰাগমন ঘটিছে – যিটো সমগ্ৰ জীৱকূলৰ কল্যাণৰ বাবে থকা আমাৰ গভীৰ আকাংক্ষাৰ এক প্ৰমাণ, আৰু এই মনোভাৱ আমাৰ প্ৰাচীন ধৰ্মশাস্ত্ৰসমূহতো প্ৰতিধ্বনিত হৈছে।*

### ভাৰত: ৰামচাৰ স্থানৰ পৰা বাঘ আৰু ডলফিন সংৰক্ষণলৈ




বিগত ১২ বছৰত ভাৰতে ৭৩খন নতুন ৰামচাৰ ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰি এই দিশত নিজৰ প্ৰতিশ্ৰুতি উল্লেখনীয়ভাৱে শক্তিশালী কৰি তুলিছে।

- বিগত এটা দশকত ভাৰতত বাঘৰ সংখ্যা দুগুণতকৈও অধিক বৃদ্ধি পাইছে। ২০২২ চনৰ পিয়ল অনুসৰি, বাঘৰ সংখ্যা অভিলেখ সংখ্যক ৩,৬৮২ টালৈ বৃদ্ধি পাইছেগৈ।
- বৰ্তমান সময়ত পৃথিৱীৰ প্ৰায় ৭০% বাঘ ভাৰততে পোৱা যায়। তদুপৰি, ‘ব্যাঘ্ৰ প্ৰকল্প’ৰ অধীনত থকা সংৰক্ষিত বনাঞ্চলৰ পৰিসৰ প্ৰায় ৮৫,০০০ বৰ্গ কিলোমিটাৰলৈ সম্প্ৰসাৰিত হৈছে।
- “ব্যাঘ্ৰ প্ৰকল্প’ হৈছে এটা ডাঙৰ বন্য মাংসভোজী প্ৰজাতিৰ সৈতে জড়িত বিশ্বৰ প্ৰথমটো আন্তঃমহাদেশীয় স্থানান্তৰকৰণ প্ৰকল্প। এই পদক্ষেপে দেশৰ বন্যপ্ৰাণীৰ বৈচিত্ৰ্যক উল্লেখনীয়ভাৱে সমৃদ্ধ কৰি তুলিছে।



- ২০২৩ চনত, ৭০ বছৰৰ বিৰতিৰ পিছত, ভাৰতত চিতা বাঘৰ পোৱালিৰ জন্ম হৈছিল, যিটো এক ঐতিহাসিক মুহূৰ্ত হিচাপে চিহ্নিত হৈছে, কিয়নো এই প্ৰজাতিটো পূৰ্বে দেশখনৰ পৰা বিলুপ্ত হৈ গৈছিল। বৰ্তমানলৈকে, ভাৰতত জন্ম হোৱা এনে চিতা পোৱালিৰ মুঠ সংখ্যা ৩৭টা হৈছেগৈ।




‘ষ্টেটাছ অৱ লেওপাৰ্ডছ ইন ইণ্ডিয়া ২০২২’ প্ৰতিবেদন অনুসৰি, ভাৰতত নাহৰফুটুকী বাঘৰ সংখ্যা হৈছেগৈ **১৩,৮৭৪**



প্ৰায় এটা দশকৰ বিৰতিৰ পিছত গুজৰাটৰ কচ্চত ‘গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড’ৰ এটা পোৱালি জন্মাৰ খবৰ পোৱা গৈছে। এবছৰ পূৰ্বে পৰিকল্পনা কৰা ‘জাম্পষ্টাৰ্ট এপ্ৰ’চ’ নামৰ এক অভিনৱ সংৰক্ষণমূলক ব্যৱস্থাৰ জৰিয়তে এই সফলতা সম্ভৱ হৈ উঠিছে। গুজৰাটকে ধৰি ইয়াৰ প্ৰাকৃতিক বাসস্থানসমূহৰ ভিতৰত গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ডৰ সংৰক্ষণৰ বাবে ২০১১ চনত প্ৰধানমন্ত্ৰী মোদীয়ে ‘জি.আই.বি. প্ৰকল্প’ৰ ধাৰণা আগবঢ়াইছিল।

দেশখনত গুৰুত্বপূৰ্ণ প্ৰজাতিসমূহৰ বাবে 'ব্যাঘ্ৰ প্ৰকল্প', 'হস্তী প্ৰকল্প', 'সিংহ প্ৰকল্প' 'প্ৰজেক্ট স্ন' লেওপাৰ্ড, আৰু 'প্ৰজেক্ট ডলফিন' আদিৰ দৰে পদক্ষেপৰ জৰিয়তে সংৰক্ষণমূলক প্ৰচেষ্টাসমূহ গ্ৰহণ কৰা হৈছে। সাগৰীয় কাছকে ধৰি ২৪টা বিলুপ্তপ্ৰায় প্ৰজাতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশেষ সংৰক্ষণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।





- ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডৰ সপ্তম বৈঠকত ঘঁৰিয়াল সংৰক্ষণ কৰিবলৈ আৰু ইহঁতৰ অস্তিত্বৰ প্ৰতি অহা ভাবুকিসমূহ দূৰ কৰাৰ উদ্দেশ্যে এটা নতুন পদক্ষেপত অনুমোদন জনোৱা হৈছিল। ঘঁৰিয়ালক এতিয়া কেন্দ্ৰীয় চৰকাৰৰ 'বন্যপ্ৰাণী বাসস্থানৰ সংহত বিকাশ' আঁচনিৰ অধীনত 'প্ৰজাতি পুনৰুদ্ধাৰ কাৰ্যসূচী'ত অন্তৰ্ভুক্ত কৰা হৈছে।
- মানস-পবিতৰা-নামেৰি-কাজিৰঙা-ডিব্ৰু ছৈখোৱা বন্যপ্ৰাণী পৰ্যটন চাৰ্কিট গঢ়ি তোলা হৈছে।
- পান্না-মুকুন্দপুৰ-সঞ্জয় ডুব্ৰী-বান্ধৱগড়-কানহা-মুক্কী-পেঞ্চ ক্ষেত্ৰক সামৰি এটা বন্যপ্ৰাণী পৰ্যটন চাৰ্কিট গঢ়ি তোলা হৈছে।

### বন্যপ্ৰাণীৰ বাবে গ্ৰহণ কৰা পদক্ষেপবোৰ

**১,১৩৪** চনৰ ৯২১ খনৰ তুলনাত ২০২৫ চনত দেশখনত বন্যপ্ৰাণীৰ সুৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে উৎসৰ্গিত সংৰক্ষিত অঞ্চলৰ সংখ্যা ১,১৩৪ খনলৈ বৃদ্ধি পাইছে।

২০১৪ চনৰ ৪৮ খনৰ তুলনাত ২০২৫ চনত দেশখনত ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সংখ্যা ৫৮খন হৈছেগৈ। আনহাতে, ২০২০ আৰু ২০২৫ চনৰ ভিতৰত হস্তী সংৰক্ষিত বনাঞ্চলৰ সংখ্যা ৩১ খনৰ পৰা ৩৩ খনলৈ বৃদ্ধি পাইছে।



> আমি এই কথাত গৌৰৱ অনুভৱ কৰোঁ যে ভাৰত বিশ্বৰ আটাইতকৈ আকৰ্ষণীয় তথা মনোৰম বন্যপ্ৰাণীসমূহৰ বাসস্থান। পৃথিৱীৰ মুঠ বাঘৰ সংখ্যাৰ ৭০%-তকৈও অধিক আমাৰ দেশতে পোৱা যায়। ইয়াৰ উপৰি, বিশ্বৰ ভিতৰতে সৰ্বাধিক এশিঙিয়া গঁড় আৰু এছীয় হাতীৰ জনসংখ্যাও আমাৰ ইয়াতেই আছে। ভাৰত সমগ্ৰ বিশ্বৰ ভিতৰতে একমাত্ৰ এনে এখন ঠাই য'ত 'বনৰ ৰজা' অৰ্থাৎ এছিয়েটিক সিংহই অতি সুন্দৰভাৱে বংশবৃদ্ধি কৰি জীয়াই আছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*






আৰ্ট অৱ লিভিংৰ প্ৰতিষ্ঠা দিৱস উদযাপন

# বেংগালুৰুৱে আধ্যাত্মিকতা আৰু আধ্যাত্মিক চেতনাক এক নতুন উচ্চতালৈ লৈ গৈছে

ছফ্টৱেৰ আৰু সেৱা খণ্ডৰ বাবে বিশ্বজুৰি সুপৰিচিত বেংগালুৰুৱে ভাৰতৰ সাংস্কৃতিক পৰিচয়, আধ্যাত্মিকতা আৰু আধ্যাত্মিক চেতনাকো এক নতুন উচ্চতালৈ লৈ গৈছে। ১০ মে'ত কৰ্ণাটকৰ বেংগালুৰুত 'দি আৰ্ট অৱ লিভিং'ৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে যেতিয়া সংকল্প স্পষ্ট হয় আৰু সেৱাৰ মনোভাৱেৰে কাম হাতত লোৱা হয়, তেতিয়া প্ৰতিটো প্ৰচেষ্টাই ইতিবাচক ফলাফল কঢ়িয়াই আনে।

৪৫ বছৰ পূৰ্বে শ্ৰী শ্ৰী ৰবি শংকৰৰ দ্বাৰা 'আৰ্ট অৱ লিভিং'ৰ বীজ ৰোপণ কৰা হৈছিল আৰু বৰ্তমান ই এক বিশাল বটবৃক্ষলৈ ৰূপান্তৰিত হৈছে। দি আৰ্ট অৱ লিভিঙৰ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "আজি ই আমাৰ সমুখত এক বিৰাট বটবৃক্ষৰ দৰে থিয় দিছে, যাৰ হাজাৰ হাজাৰ শাখাই সমগ্ৰ বিশ্বৰ অগণন মানুহৰ জীৱন স্পৰ্শ কৰিছে।" ভাৰতত ভাষা, পৰম্পৰা, ৰীতি-নীতি আৰু উপাসনা পদ্ধতিৰ এক চহকী বৈচিত্ৰ্য আছে। এই সুন্দৰ বৈচিত্ৰ্যক কিহে একতাৰ ডোলেৰে বান্ধি ৰাখে? ইয়াৰ উত্তৰ হৈছে নিজৰ বাবে নহয়, বৰঞ্চ আনৰ বাবে জীয়াই থকাৰ মনোভাৱে, যিটো ভাৰতীয় মূল্যবোধৰ সৈতে গভীৰভাৱে জড়িত যোগ, ধ্যান আৰু প্ৰাণায়ামৰ এক পৰম্পৰা। প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্বসহকাৰে কয় যে বৰ্তমান সমগ্ৰ বিশ্বৰ মানুহ ভাৰতৰ আধ্যাত্মিক মূল্যবোধৰ দ্বাৰা অনুপ্ৰাণিত হৈছে আৰু এই প্ৰাচীন মূল্যবোধসমূহে ভাৰতৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে প্ৰেৰণাৰ উৎস হিচাপে কাম কৰি আহিছে।

> বেংগালুৰুৰ বায়ুমণ্ডল... ইয়াৰ পৰিৱেশ... সঁচাকৈয়ে অনন্য। এই চহৰখন ছফ্টৱেৰ আৰু সেৱা খণ্ডৰ বাবে বিশ্বজুৰি সুপৰিচিত। তথাপিও, এই চহৰখনে ভাৰতৰ সাংস্কৃতিক পৰিচয়, ইয়াৰ আধ্যাত্মিকতা আৰু আধ্যাত্মিক চেতনাকো এক নতুন উচ্চতালৈ লৈ গৈছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

পুৰাণসমূহত পোৱা প্ৰাচীন শিক্ষাব্যৱস্থাত উল্লেখ আছে যে আনৰ সেৱা কৰাটো পুণ্যৰ কাম, আনহাতে আনক কষ্ট দিয়াটো পাপ। সেৱাই হৈছে ভাৰতীয় সমাজৰ অন্তৰ্নিহিত চৰিত্ৰ। ভাৰতৰ বহু আধ্যাত্মিক আন্দোলনে শেষলৈ মানৱ সেৱাৰ মাজেৰেই নিজকে প্ৰকাশ কৰিছে। এই একেই মনোভাৱ আৰ্ট অৱ লিভিঙে হাতত লোৱা প্ৰতিটো প্ৰচেষ্টাতে স্পষ্টকৈ দেখা পোৱা যায়। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ভাৰতৰ সামগ্ৰিক উন্নয়নক আগুৱাই নিয়াৰ ক্ষেত্ৰত আৰ্ট অৱ লিভিঙৰ দৰে সংস্থাসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। খেতিয়কসকলক প্ৰাকৃতিক কৃষি পদ্ধতিৰ সৈতে সংযোগ কৰাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনাই তেওঁ কয় যে বহনক্ষম কৃষি নিজেই "জীৱনৰ কলা"ৰ এক বহিঃপ্ৰকাশ আৰু মা ধৰিত্ৰীক ৰাসায়নিক পদাৰ্থৰ পৰা ৰক্ষা কৰাটো আধ্যাত্মিক সাধনা আৰু পৰিৱেশ সংৰক্ষণ উভয়ৰে প্ৰতীক। জৈৱিক কৃষিক আকোৱালি লোৱা আৰু মা ধৰিত্ৰীক ৰাসায়নিক পদাৰ্থৰ মুক্ত কৰি সুৰক্ষিত কৰা, ইও হৈছে জীৱন জীয়াৰ এক কলা বা 'দি আৰ্ট অৱ লিভিং'।

প্ৰধানমন্ত্ৰী মোদীয়ে "প্ৰতি টোপাল, অধিক ফচল" পদক্ষেপৰ ওপৰত আলোকপাত কৰি খেতিয়কসকলে উন্নত জল ব্যৱস্থাপনা পদ্ধতি গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। তেওঁ মন্তব্য কৰে যে সমাজৰ সহযোগিতাৰ দ্বাৰা এই দিশত অধিক উন্নত ফলাফল লাভ কৰিব পৰা যাব। সমাগত বাৰিষা কালৰ কথা মনত ৰাখি তেওঁ এই কাৰ্যৰ জৰুৰীকালীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু কয় যে পানী সংৰক্ষণৰ সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টি কৰাৰ বাবে এয়া এক উপযুক্ত সময়। পানীৰ প্ৰতিটো টোপাল ৰক্ষা কৰাও হৈছে 'দি আৰ্ট অৱ লিভিং' বা জীৱনৰ এক কলা।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক*

# ভাৰত সংস্কাৰৰ এক্সপ্ৰেছত আৰোহণ কৰিছে

'সংস্কাৰ এক্সপ্ৰেছ'ক অধিক গতিশীল কৰি ভাৰতে ইয়াৰ বিশ্বমানৰ পথ, ৰে'ল, বিমান আৰু শক্তি সংযোগৰ আন্তঃগাঁথনি অতি দ্ৰুতগতিত সম্প্ৰসাৰণ কৰিছে। পি এম মিত্ৰ পাৰ্কৰ সহায়ত বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত থকা ভাৰতৰ চহকী ঐতিহ্যক পুনৰুজ্জীৱিত আৰু শক্তিশালী কৰা হৈছে। এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০ মে'ত তেলেংগানাৰ হায়দৰাবাদত প্ৰায় ৯,৪০০ কোটি টকা মূল্যৰ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰে...



"অতীতত, যেতিয়া ভাৰত বিশ্বৰ অন্যতম বৃহৎ অৰ্থনীতি আছিল, তেতিয়া আমাৰ বস্ত্ৰ উদ্যোগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আমি এতিয়া সেই ঐতিহ্যক পুনৰুজ্জীৱিত কৰিছোঁ। ৱাৰংগলৰ পি.এম. মিত্ৰ পাৰ্কে সমগ্ৰ দেশতে বস্ত্ৰ বিপ্লৱৰ গতি ত্বৰান্বিত কৰিব।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

তেলেংগানাৰ জনসাধাৰণৰ জীৱনযাত্ৰা সহজ কৰি তোলা আৰু যুৱপ্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ নতুন সুযোগ মুকলি কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০ মে'ত ৰাজ্যখনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহে সমগ্ৰ ঔদ্যোগিক খণ্ডৰ বিকাশ সাধন কৰিব, য'ত এই অঞ্চলটোত স্থাপন হ'বলগীয়া খাদ্য সংসাধন উদ্যোগসমূহ আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে বাহন তথা যন্ত্ৰপাতি নিৰ্মাণ কাৰ্যও অন্তৰ্ভুক্ত হৈ আছে। এই পদক্ষেপসমূহৰ সুফল কেৱল সাধাৰণ জনতাই নহয়, বৰঞ্চ তেলেংগানাৰ শ্ৰমিক আৰু খেতিয়কসকলেও লাভ কৰিব।

ছাইবাৰাবাদ হৈছে তেলেংগানাৰ হায়দৰাবাদ চহৰৰ ভিতৰৰে এক গুৰুত্বপূৰ্ণ আই টি আৰু ব্যৱসায়িক কেন্দ্ৰ। এই বাবেই ছাইবাৰাবাদৰ পৰা অসংখ্য প্ৰকল্পৰ সূচনা কৰা হৈছে। আজি ভাৰত 'সংস্কাৰ এক্সপ্ৰেছ' অগ্ৰসৰ হৈছে। ইয়াৰ সমান্তৰালভাৱে, আধুনিক ভাৰতে অতি সক্ৰিয়ভাৱে বিশ্বমানৰ অত্যাধুনিক আন্তঃগাঁথনিও নিৰ্মাণ কৰি আছে। জাহীৰাবাদ ঔদ্যোগিক অঞ্চলৰ বিকাশৰ আঁৰতো এই একেই উদ্দেশ্য নিহিত হৈ আছে। এই ঔদ্যোগিক অঞ্চলটো ভাৰত চৰকাৰৰ ঔদ্যোগিক কৰিডৰসমূহৰ বিকাশৰ ৰাষ্ট্ৰীয় অভিযানৰ এক অবিচ্ছেদ্য অংগ। ইয়াত নীৰৱচ্ছিন্ন বিদ্যুৎ যোগানৰ লগতে বিশ্বমানৰ আন্তঃগাঁথনি উপলব্ধ হ'ব; প্ৰকৃততে, ঔদ্যোগিক কাৰ্যকলাপৰ বাবে প্ৰয়োজনীয় প্ৰতিটো সুবিধাই সমগ্ৰ বিশ্বৰ বিনিয়োগকাৰীসকলৰ বাবে ইয়াত সহজলভ্য কৰি তোলা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ৱাৰংগলত স্থাপন কৰা 'পি এম মিত্ৰ পাৰ্ক'-এ দেশৰ ভিতৰত বস্ত্ৰ বিপ্লৱৰ গতি ত্বৰান্বিত কৰিব। ইয়াত কাৰ্যকলাপ আৰম্ভ কৰা গোটসমূহ উৎপাদন ভিত্তিক উদগনি (পি এল আই) আঁচনিসহ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত লাভান্বিত হ'বলৈ যোগ্য বিবেচিত হ'ব। প্ৰকৃততে, হিতাধিকাৰী উদ্যোগসমূহে ইতিমধ্যে পি এল আই আঁচনিৰ দ্বাৰা প্ৰদান কৰা সুবিধাসমূহ লাভ কৰিবলৈ আৰম্ভ কৰিছেই। এই বস্ত্ৰ উদ্যানে বিশেষকৈ মহিলাসকলৰ বাবে বিপুল পৰিমাণৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে আলোকপাত কৰে যে বিগত ১২ বছৰত ভাৰত চৰকাৰে পথ, ৰে'লৰে আৰু বিমানবন্দৰকে ধৰি আধুনিক সংযোগ আন্তঃগাঁথনিত অভুতপূৰ্ব বিনিয়োগ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ উন্নয়নৰ বাবে প্ৰায় ১.৭৫ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। ১২ বছৰত ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ দৈৰ্ঘ্য দুগুণ হৈছে। ২০১৪ চনৰ পূৰ্বে অবিভক্ত অন্ধ্ৰপ্ৰদেশৰ ৰে'ল বাজেট ১,০০০ কোটি টকাতকৈও কম আছিল; ইয়াৰ বিপৰীতে, বৰ্তমান তেলেংগানাৰ বাৰ্ষিক ৰে'ল আবণ্টনে ৫,৫০০ কোটি টকা অতিক্ৰম কৰিছে। বৰ্তমান প্ৰায় ৫০,০০০ কোটি টকা ব্যয়সাপেক্ষ ৰে'ল প্ৰকল্পৰ কাম চলি আছে। তদুপৰি, তেলেংগনাত পাঁচখন 'বন্দে ভাৰত' আৰু ছখন 'অমৃত ভাৰত' ৰে'লৰ চলাচল আৰম্ভ কৰা হৈছে। একবিংশ শতিকাৰ গোলকীয় প্ৰেক্ষাপটত শক্তি সুৰক্ষাৰ গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তাৰ কথা




## পি এম মিত্ৰ পাৰ্কৰ উদ্বোধন

১,৭০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ৱাৰংগলৰ পি এম মিত্ৰ পাৰ্কৰ উদ্বোধন কৰা হ'ল। 'কাকতীয়া মেগা টেক্সটাইল পাৰ্ক' নামেৰেও পৰিচিত এই প্ৰকল্পটো হৈছে ভাৰতৰ প্ৰথমটো সম্পূৰ্ণৰূপে কাৰ্যক্ষম পি এম মিত্ৰ পাৰ্ক। এই পাৰ্কখন প্ৰস্তাৱিত নাগপুৰ-বিজয়ৱাড়া গ্ৰীণফিল্ড এক্সপ্ৰেছৱে' (ৰাষ্ট্ৰীয় ঘাইপথ-১৬৩জি) আৰু ৰাষ্ট্ৰীয় ঘাইপথ-১৬৩ৰ ওচৰতে অৱস্থিত। ই মুখ্য ৰে'লৱে নেটৱৰ্ক আৰু বন্দৰসমূহৰ সৈতে উৎকৃষ্ট মাল্টিমডেল সংযোগ প্ৰদান কৰে।

## কৰ্কট ৰোগীৰ বাবে উপলব্ধ সুবিধাসমূহ

হায়দৰাবাদস্থিত 'সিন্ধু হাস্পতাল' দেশবাসীৰ উদ্দেশ্যে উৎসৰ্গা কৰা হৈছে। এই হাস্পতালখন কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে উৎসৰ্গিত এক অত্যাধুনিক, মাল্টি-ছুপাৰ-স্পেচিয়েলিটী প্ৰতিষ্ঠান। ১৮টা মহলাযুক্ত এই হাস্পতালখনত ১,৫০০খন বিছনা, ১৫০তকৈও অধিক চিকিৎসকৰ পৰামৰ্শ কক্ষ আৰু ২৯টা উন্নত অস্ত্ৰোপচাৰৰ কক্ষ আছে। এই প্ৰতিষ্ঠানটোৱে কেম'থেৰাপী, ৰেডিয়েচন থেৰাপী, কৰ্কট ৰোগৰ অস্ত্ৰোপচাৰ, বোনমেৰ' ট্ৰান্সপ্লাণ্টেচন বা হাড়মজ্জা সংৰোপণ, উন্নত নিবিড় পৰিচৰ্যা বা ইণ্টেনছিভ কেয়াৰ আৰু ৩৩টাতকৈও অধিক চিকিৎসা বিশেষজ্ঞতাৰ সেৱাকে ধৰি ব্যাপক যত্ন প্ৰদান কৰে।



## প্ৰকল্পসমূহে উন্নয়নৰ গতি তৰান্বিত কৰিব...

হায়দৰাবাদ-পানাজী অৰ্থনৈতিক কৰিডৰৰ সমান্তৰালভাৱে, ৩,১৭৫ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে গুডেবেল্লুৰৰ পৰা মহবুবনগৰলৈকে নিৰ্মাণ হ'বলগীয়া ৪-লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ-১৬৭ ৰ আধাৰশিলা স্থাপন কৰা হৈছে।

ইয়াৰ ফলত যাত্ৰাৰ সময় প্ৰায় ১ ঘণ্টা ৩০ মিনিট হ্ৰাস পাব।

- ৰঙ্গা ৰেড্ডী জিলাত হায়দৰাবাদ-নাগপুৰ ঔদ্যোগিক কৰিডৰৰ অধীনত নিৰ্মাণ কৰিবলগীয়া 'জাহীৰাবাদ ঔদ্যোগিক অঞ্চল'ৰ আধাৰশিলা স্থাপন কৰা হৈছে। ৩,২৪৫ একৰ জুৰি বিস্তৃত হৈ থকা এই অঞ্চলটো মুঠ ২,৩৫০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে বিকশিত কৰা হৈছে।
- জাহীৰাবাদ ঔদ্যোগিক অঞ্চলৰ ভিতৰত স্থাপন হ'বলগীয়া প্ৰকল্পসমূহে প্ৰায় ১০,০০০ কোটি টকাৰ বিনিয়োগ আকৰ্ষণ কৰিব আৰু বৃহৎ পৰিসৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

প্ৰায় ১,৫৩৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত ৰে'ল আন্তঃগাঁথনি প্ৰকল্পসমূহ দেশবাসীৰ উদ্দেশ্যে উৎসৰ্গা কৰা হৈছে।

ইয়াৰ ভিতৰত কাজীপেট-বিজয়ৱাড়া মাল্টি-ট্ৰেকিং প্ৰকল্পৰ ১১৮ কিলোমিটাৰ জুৰি বিস্তৃত কেইবাটাও অংশ অন্তৰ্ভুক্ত আছে।

- হায়দৰাবাদত ইণ্ডিয়ান অইলে ৬০০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা 'মালকাপুৰ টাৰ্মিনেল' প্ৰকল্পটো দেশবাসীৰ উদ্দেশ্যে উৎসৰ্গা কৰা হৈছে। এই টাৰ্মিনেলটোৰ মুঠ টেংক ক্ষমতা হৈছে ১৬৫,০০০ কিলোলিটাৰ।

*প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে বৈদেশিক মুদ্ৰা সংৰক্ষণ কৰিবলৈ আৰু সংঘাতৰ পৰা উদ্ভৱ হোৱা সংকটৰ বিৰূপ প্ৰভাৱসমূহ হ্ৰাস কৰিবলৈ আমি কেৱল প্ৰয়োজনীয় পৰিমাণৰ শক্তিহে ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰা উচিত।*

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক*

উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্ব দি কয় যে শক্তি যোগানত যিকোনো ধৰণৰ ব্যাঘাত জন্মিলে সমগ্ৰ অৰ্থনৈতিক কাৰ্যকলাপ সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিব পাৰে। এই বাবেই ভাৰত চৰকাৰে দেশৰ শক্তি সুৰক্ষা শক্তিশালী কৰিবলৈ অভূতপূৰ্ব বিনিয়োগ কৰিছে। মালকাপুৰত নতুন ইণ্ডিয়ান অইল টাৰ্মিনেলৰ উদ্বোধনক এক গুৰুত্বপূৰ্ণ কৌশলগত পদক্ষেপ হিচাপে বৰ্ণনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই টাৰ্মিনেলটোৱে তেলেংগানাৰ ক্ৰমবৰ্ধমান শক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰিব আৰু যোগান শৃংখলাক অধিক মজবুত কৰিব।

সোমনাথ মন্দিৰ পুনৰুদ্ধাৰৰ ৭৫ বছৰ

# সোমনাথ অমৃত মহোৎসৱ

## ভাৰতৰ অবিচলিত মনোভাৱৰ এক উদযাপন

সোমনাথ কেৱল এটা মন্দিৰেই নহয়; ই সনাতন বিশ্বাসৰ অমৰ শিখাক প্ৰতিধ্বনিত কৰে। ধ্বংসাৱশেষৰ পৰা পুনৰ্নিৰ্মাণলৈকে ইয়াৰ যাত্ৰা ভাৰতৰ অপৰাজেয় ঐতিহ্য আৰু অদম্য সংকল্পৰ প্ৰতিফলন। গুজৰাটৰ সোমনাথ মন্দিৰ পুনৰুদ্ধাৰৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত 'সোমনাথ অমৃত মহোৎসৱ'ত অংশগ্ৰহণ কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা সম্পাদকীয় প্ৰবন্ধ লিখিছিল। ইয়াত তেওঁ সোমনাথৰ প্ৰেক্ষাপটত ১১ মে'ৰ চিৰস্থায়ী গুৰুত্ব আৰু ভাৰতীয় সভ্যতাৰ মহত্ত্বৰ বিষয়ে উল্লেখ কৰিছিল। ইয়াৰ উপৰিও, নিজৰ গুজৰাট ভ্ৰমণৰ সময়ত তেওঁ বদোদৰাত চৰ্দাৰধাম হোষ্টেলৰো উদ্বোধন কৰে...

আমাৰ প্ৰাচীন শাস্ত্ৰত উল্লেখ আছে: 'প্ৰভাসং চ পৰিক্ৰম্য পৃথিৱী ক্ৰম সম্ভৱমঃ'। ইয়াৰ অৰ্থ হৈছে- পৱিত্ৰ প্ৰভাস ক্ষেত্ৰ (সোমনাথ) পৰিক্ৰমা কৰাটো সমগ্ৰ পৃথিৱী পৰিক্ৰমা কৰাৰ সমতুল্য! যেতিয়া ভক্তসকল ইয়ালৈ দৰ্শনৰ বাবে আহে, তেতিয়া তেওঁলোকে এনে এক সভ্যতাৰ অপূৰ্ব ধাৰাবাহিকতা অনুভৱ কৰে, যাৰ শিখা কেতিয়াও নিৰ্বাপিত হোৱা নাই। বহু সাম্ৰাজ্যৰ উত্থান-পতন হ'ল, সময় সলনি হ'ল আৰু ইতিহাসে অগণন উত্থান-পতনৰ সাক্ষী হ'ল; তথাপিও, সোমনাথ সদায় দেশৰ নাগৰিকসকলৰ হৃদয়ত চিৰবিৰাজমান হৈ থাকিল।

সোমনাথ মন্দিৰ প্ৰাংগণত ইয়াৰ পুনৰুদ্ধাৰৰ ৭৫তম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত এক বিশাল সমাবেশ সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "দাদা সোমনাথৰ এজন পৰম ভক্ত হিচাপে মই তেওঁৰ চৰণত অগণনবাৰ প্ৰণাম জনাইছোঁ, কিন্তু আজি যেতিয়া মই ইয়ালৈ আহি আছিলোঁ, তেতিয়া সময়ৰ মাজেৰে কৰা এই যাত্ৰাই মোক এক আনন্দদায়ক অভিজ্ঞতা প্ৰদান কৰিছিল। মাত্ৰ কেইমাহমান আগতেহে মই এই স্থানলৈ শেষবাৰৰ বাবে আহিছিলোঁ; সেই সময়ত আমি 'সোমনাথ স্বাভিমান পৰ্ব' উদযাপন কৰিছিলোঁ। প্ৰথম ধ্বংসলীলাৰ ১০০০ বছৰৰ পিছতো সোমনাথ অবিনশ্বৰ হৈ থকাৰ গৌৰৱ, আৰু আজি এই আধুনিক ৰূপৰ প্ৰাণ প্ৰতিষ্ঠাৰ ৭৫ বছৰৰ পিছত, আমি এহেজাৰ বছৰৰ অমৰ যাত্ৰা অনুভৱ কৰাৰ সুযোগ লাভ কৰিছোঁ।

৭৫ বছৰ পূৰ্বে, ১১ মে'ত সোমনাথ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কোনো সাধাৰণ অনুষ্ঠান নাছিল। ভাৰত যদি ১৯৪৭ চনত স্বাধীন হৈছিল, তেন্তে ১৯৫১ চনত সোমনাথৰ প্ৰাণ প্ৰতিষ্ঠাই ভাৰতৰ স্বাধীন চেতনা ঘোষণা কৰিছিল। স্বাধীনতাৰ সময়ত চৰ্দাৰ চাহাবে ৫০০তকৈও অধিক দেশীয় ৰাজ্য একত্ৰিত কৰি এক ভাৰতৰ আধুনিক ৰূপ দিছিল। যেতিয়া দেশে বিদেশী হাতোৰাৰ পৰা মুক্তি লাভ কৰিছিল, তেতিয়া



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক*


*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক*

## বদোদৰাত চৰ্দাৰধাম হোষ্টেলৰ উদ্বোধন

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বদোদৰাত 'চৰ্দাৰধাম হোষ্টেল' উদ্বোধন কৰে। এই প্ৰকল্পটোত ১,০০০ গৰাকী ছাত্ৰ আৰু ১,০০০ গৰাকী ছাত্ৰীৰ বাবে থকা-খোৱাৰ সুবিধা থকাৰ লগতে এটা কেন্দ্ৰীয় ডাইনিং হ'ল, এটা পুথিভঁৰাল আৰু এটা প্ৰেক্ষাগৃহৰ দৰে সুবিধাসমূহো অন্তৰ্ভুক্ত আছে। ইয়াৰ উপৰিও, তেওঁ চৰ্দাৰধাম চৌহদৰ ভিতৰত থকা বিভিন্ন সুবিধাসমূহ, যেনে- আদৰণি কক্ষ, নাগৰিক সুবিধাসমূহ, ডাইনিং এলেকা আৰু ই-লাইব্ৰেৰী পৰিদৰ্শন কৰে।




> "
> বৰ্তমান সময়ৰ আহ্বান হৈছে 'ভোকেল ফৰ লোকেল'ক এক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰা। বিদেশী সামগ্ৰীৰ পৰিৱৰ্তে... আহক আমি স্থানীয় উৎপাদিত সামগ্ৰীসমূহ আঁকোৱালি লওঁ। আহক আমি আমাৰ গাঁও, আমাৰ চহৰ আৰু আমাৰ দেশৰ উদ্যোগীসকলক সবলীকৃত কৰোঁ।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



## সোমনাথ মন্দিৰৰ সৈতে জড়িত কিছু আকৰ্ষণীয় তথ্য

- প্ৰতি বছৰে প্ৰায় ১ কোটি ভক্তই সোমনাথ দৰ্শন কৰে। ২০২৫ চনৰ মহাপবিত্ৰ মহাশিৱৰাত্ৰিৰ দিনাখন কেৱল এটা দিনতে ৩,৫৬,০০০ তকৈও অধিক ভক্তই ভগৱান শিৱৰ চৰণত প্ৰাৰ্থনা জনায় আৰু দৰ্শন লাভ কৰে।
- প্ৰতি বছৰে সোমনাথ ট্ৰাষ্টে শ শ মহিলাক নিয়োগ আৰু জীৱিকাৰ সুযোগ প্ৰদান কৰি অৰ্থনৈতিক স্বাৱলম্বিতাৰ দিশত সবলীকৰণ কৰি আহিছে।
- সোমনাথ মন্দিৰ প্ৰাংগণত অৱস্থিত প্ৰায় ১,৭০০ জোপা বেল গছেৰে পৰিপূৰ্ণ পৱিত্ৰ বিল্ব অৰণ্যখন এগৰাকী মহিলা তত্ত্বাৱধায়কৰ দলে পৰিচালনা তথা সংৰক্ষণ কৰে।
- সোমনাথৰ মিয়াৱাকী অৰণ্যখনে বাৰ্ষিক প্ৰায় ৯৩,০০০ কিলোগ্ৰাম কাৰ্বন ডাই অক্সাইড শোষণ কৰে।
- প্লাষ্টিক আৱৰ্জনা পুনৰাবৰ্তন কৰি সোমনাথত প্ৰতি মাহে প্ৰায় ৪,৭০০খন টাইলছ প্ৰস্তুত কৰা হয়। এই টাইলছসমূহ মন্দিৰ প্ৰাংগণৰ ভিতৰত খোজকঢ়া পথ নিৰ্মাণত ব্যৱহাৰ কৰা হয়।

সোমনাথৰ পুনৰুদ্ধাৰে একে সময়তে বিশ্বৰ আগত ঘোষণা কৰিছিল যে ভাৰত কেৱল স্বাধীনেই হোৱা নাই, বৰঞ্চ ই ইতিমধ্যেই নিজৰ প্ৰাচীন গৌৰৱ পুনৰুদ্ধাৰ কৰিবলৈও আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে তেওঁ কেৱল এক ৭৫ বছৰীয়া অতীতৰ পৰ্যালোচনাৰ সাক্ষী হোৱা নাই। তেওঁ কয়, "মই ইয়াত ধ্বংসৰ মাজতো সৃষ্টিৰ সেই সংকল্প দেখিবলৈ পাইছোঁ, যাক সোমনাথে পূৰণ কৰিছে।" তেওঁ এই পৱিত্ৰ প্ৰাংগণত অসত্যৰ ওপৰত সত্যৰ চিৰন্তন বিজয় অনুভৱ কৰাৰ কথা বৰ্ণনা কৰে। প্ৰধানমন্ত্ৰীয়ে হাজাৰ হাজাৰ বছৰীয়া আধ্যাত্মিক চেতনাৰ সাক্ষী হোৱাৰ কথা কয়, যিয়ে বিশ্ব কল্যাণৰ শিক্ষা প্ৰদান কৰি আহিছে। তেওঁ সোমনাথৰ স্থিতিস্থাপকতাৰ মাজত

## চৰ্দাৰ বল্লভভাই পেটেললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

প্ৰধানমন্ত্ৰী মোদীয়ে গুজৰাটৰ সোমনাথত চৰ্দাৰ বল্লভভাই পেটেললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ উল্লেখ কৰে যে চৰ্দাৰ পেটেলৰ দূৰদৰ্শিতা আৰু দৃঢ় সংকল্পই সোমনাথ মন্দিৰৰ পুনৰ্নিৰ্মাণত এক নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। তেওঁ এই কথাৰ ওপৰত আলোকপাত কৰে যে সোমনাথক ইয়াৰ সম্পূৰ্ণ গৌৰৱেৰে পুনৰুদ্ধাৰ হোৱাটো চাই যোৱাৰ সপোন আছিল চৰ্দাৰ পেটেলৰ, যিয়ে আজি ভাৰতৰ সভ্যতাৰ গৌৰৱ আৰু আধ্যাত্মিক ধাৰাবাহিকতাৰ প্ৰতীক হিচাপে থিয় দিছে। চৰ্দাৰ পেটেলৰ এই দূৰদৰ্শিতা বাস্তৱায়িত কৰিবলৈ দেশ সদায় প্ৰতিশ্ৰুতিবদ্ধ হৈ থাকিব।

## দৰ্শনীয় বিমান উৰণ প্ৰদৰ্শন প্ৰত্যক্ষ কৰিলে

সোমনাথ অমৃত মহোৎসৱৰ পবিত্ৰ ক্ষণত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় বায়ু সেনাৰ 'সূৰ্যকিৰণ' এৰ'বেটিক দলৰ দ্বাৰা প্ৰদৰ্শিত এক মনোমোহা বিমান উৰণ প্ৰদৰ্শন প্ৰত্যক্ষ কৰে। তেওঁ কয় যে আকাশমাৰ্গত গৌৰৱ আৰু শৌৰ্যৰ এই অপূৰ্ব সংগমে সোমনাথ মন্দিৰৰ ওপৰত গেৰুৱা আৰু ত্ৰিৰংগাৰ এক উজ্জ্বল আভা সিঁচি দিছিল। ভক্তি আৰু শক্তিৰ এই আকৰ্ষণীয় দৃশ্য তথা অনুভৱে প্ৰতিগৰাকী ব্যক্তিৰ হৃদয় গভীৰ আনন্দেৰে উপচাই তুলিছিল আৰু প্ৰতিগৰাকী ভাৰতীয়কে গৌৰৱান্বিত কৰিছিল।



প্ৰতিফলিত হোৱা ভাৰতৰ অবিনশ্বৰ সত্তাৰ সন্দৰ্ভত নিজৰ দৃষ্টিভংগী ব্যক্ত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দৃঢ়তাৰে কয়, "মই ইয়াত ভাৰতৰ সেই অবিনশ্বৰ ৰূপ দেখিবলৈ পাইছোঁ, যাক শতিকাজোৰা কুৎসিত প্ৰচেষ্টায়েও মচি পেলাব নোৱাৰিলে, পৰাস্ত কৰিব নোৱাৰিলে।" তেওঁ উল্লেখ কৰে যে সোমনাথ অমৃত মহোৎসৱ কেৱল এক স্মৃতিচাৰণৰ মাজতে সীমাবদ্ধ নহয়। "ই কেৱল অতীতৰ উদযাপন নহয়; ই অনাগত এক হাজাৰ বছৰৰ বাবেও ভাৰতৰ প্ৰেৰণা।"

## সোমনাথ অমৃত মহোৎসৱত প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণ

প্ৰধানমন্ত্ৰী মোদীয়ে পৱিত্ৰ সোমনাথ মন্দিৰত অনুষ্ঠিত 'সোমনাথ অমৃত মহোৎসৱ'ত অংশগ্ৰহণ কৰে, যিটো ভাৰতৰ দ্বাদশ জ্যোতিৰ্লিংগৰ অন্যতম আৰু দেশখনৰ অটল বিশ্বাস তথা সভ্যতাৰ ঐতিহ্যৰ প্ৰতীক। পুনৰ্নিৰ্মিত মন্দিৰটোৰ উদ্বোধনৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সোমনাথ অমৃত মহোৎসৱ উদযাপন কৰা হয়। উৎসৱৰ অংশ হিচাপে, তেওঁ কেইবাটাও পৱিত্ৰ ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীত অংশ লয় আৰু ধ্বজা উত্তোলন অনুষ্ঠানতো উপস্থিত থাকে। এই উপলক্ষে সোমনাথৰ চহকী ঐতিহ্য আৰু আধ্যাত্মিক গুৰুত্বৰ প্ৰতি শ্ৰদ্ধা জনাই এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰা হয়।

## সোমনাথ মন্দিৰত মহাপূজা আৰু কুম্ভাভিষেক অনুষ্ঠান

গুজৰাট ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমনাথ মন্দিৰত মহাপূজা আৰু কুম্ভাভিষেক ৰীতি-নীতিও সম্পন্ন কৰে। তেওঁ উল্লেখ কৰে যে এনে অপাৰ সৌভাগ্য লাভ কৰাটো তেওঁৰ জীৱনৰ আটাইতকৈ আৱেগিক আৰু অবিস্মৰণীয় মুহূৰ্তবোৰৰ ভিতৰত অন্যতম। পুনৰ্নিৰ্মিত সোমনাথ মন্দিৰৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে আয়োজিত এই বিশেষ ক্ষণত ভগৱান মহাদেৱৰ আৰাধনা কৰিবলৈ পোৱাটো সঁচাকৈয়ে এক অবিস্মৰণীয় অভিজ্ঞতা আছিল। তেওঁ লগতে কয় যে ভগৱানৰ দৰ্শন আৰু পূজন অপৰিসীম আধ্যাত্মিক শক্তিৰ এক উৎস।



## সোমনাথৰ এখন আলোকচিত্ৰ শ্বেয়াৰ কৰিলে

প্ৰধানমন্ত্ৰী মোদীয়ে সোমনাথৰ পৰা বদোদৰালৈ যাত্ৰা কৰাৰ সময়ত সংগ্ৰহ কৰা সোমনাথ মন্দিৰৰ এখন আলোকচিত্ৰ শ্বেয়াৰ কৰে। তেওঁ লগতে উল্লেখ কৰে যে প্ৰভাস পাটানৰ উপকূলত সোমনাথ মন্দিৰ ভক্তি, ইতিহাস আৰু সভ্যতাৰ চেতনাৰ এক উজ্জ্বল প্ৰতীক হিচাপে গৌৰৱেৰে থিয় দি আছে। ই বৰ্বৰ আক্ৰমণ, আগ্ৰাসন আৰু শতিকাজোৰা সময়ৰ প্ৰত্যাহ্বানক নেওচিও বৰ্তি আছে। ই চিৰন্তন। সোমনাথে প্ৰতিগৰাকী ভাৰতীয়কে শক্তি, সাহস আৰু আশা প্ৰদান কৰে।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক*



**Narendra Modi**
@narendramodi


देशभर के किसान भाई-बहनों के हितों की रक्षा और उनकी आय में वृद्धि के लिए हम निरंतर महत्वपूर्ण निर्णय ले रहे हैं। इसी दिशा में हमारी सरकार ने वर्ष 2026-27 के मार्केटिंग सीजन के लिए खरीफ फसलों के न्यूनतम समर्थन मूल्य यानि एमएसपी में बढ़ोतरी को मंजूरी दी है। इस फैसले से देश के करोड़ों अन्नदाताओं को जहां उनकी उपज का उचित और लाभकारी मूल्य मिलेगा, वहीं उनके जीवन में और खुशहाली आएगी।



**Rajnath Singh**
@rajnathsingh

महिलाओं का सम्मान हमारी सभ्यता की आत्मा है और कोई समाज बिना इसके प्रगति नहीं कर सकता। प्रधानमंत्री मोदी जी के नेतृत्व में भारत सरकार नारी सशक्तिकरण के साथ-साथ महिला आरक्षण (33%) के लिए भी प्रतिबद्ध रही है।

यह विधेयक केवल कानून नहीं बल्कि हमारी सामूहिक इच्छा का प्रतीक था, जो भले ही पारित न हो सका, लेकिन महिलाओं को राजनीतिक अधिकार दिलाने का संकल्प और मजबूत हुआ है।



**Amit Shah**
@AmitShah

मैं अपनी माता के चरण स्पर्श हर दिन किया करता था और उनके न रहने पर भी हर दिन उनकी तस्वीर के सामने दीप जलाता हूँ। हमारे देश में हर दिन माताओं को समर्पित है।



**Nitin Gadkari**
@nitin_gadkari

Tolling reimagined with Multi Lane Free Flow (MLFF)—a barrier-less system enabling seamless, non-stop travel. Powered by FASTag, AI, and number plate recognition, it ensures zero waiting time, faster journeys, and lower costs. Drive through at speeds of up to 80 km/h and experience the future of smart, efficient toll collection on India's highways.



**Jyotiraditya M. Sc...**
@JM_Scindia

भारत देश में अगर रक्त का संचार कोई हृदय के रूप में करता है तो मेरा @IndiaPostOffice करता है



**Hardeep Singh Puri**
@HardeepSPuri

देश में किसी भी पेट्रोलियम उत्पाद की कमी नहीं...

भारत के पास 60 दिनों का कच्चा तेल, 60 दिनों की LNG और 45 दिनों का एलपीजी भंडार उपलब्ध है।

पश्चिम एशिया में तनाव के बीच निर्बाध आपूर्ति सुनिश्चित करने के लिए भारत ने अपने दैनिक एलपीजी उत्पादन में अभूतपूर्व वृद्धि (35,000 टन से बढ़ाकर 54,000 टन) की है।

# No power can make India bow: PM invokes Pokhran in Somnath

PRESS TRUST OF INDIA
Somnath (Gujarat), May 11

PRIME MINISTER NARENDRA Modi on Monday drew parallels to the 1998 Pokhran nuclear tests, asserting that no power in the world can make India bow or succumb under pressure.

Addressing a gathering here at Somnath Amrut Mahotsav, marking 75 years of the inauguration of the restored temple dedicated to Lord Shiva, he also said that "forces" in the country continue to prioritise appeasement politics over national self-respect. A similar mindset was witnessed during opposition to the construction of the Ram temple in Ayodhya, the PM noted.

May 11 is a significant date as it not only marks the consecration of the Somnath temple



Prime Minister Narendra Modi during the Somnath Amrut Mahotsav, in Veraval, Gir Somnath district on Monday PTI

but also India's nuclear tests in 1998 under the leadership of then Prime Minister Atal Bihari Vajpayee, he said.

"On May 11, 1998, the nation conducted its nuclear

tests. Our scientists demonstrated India's capabilities and potential to the entire world," Modi pointed out.

The tests "sent shockwaves across the globe" and triggered angry reactions from several countries, he said.

"Who is India to conduct nuclear tests? The world reacted with anger," Modi said, referring to the international response following the Pokhran tests.

He said global powers then tried to isolate India through sanctions and economic pressure after the tests.

Many countries would have succumbed under such circumstances, but India stood firm, he highlighted.

India went ahead with two more nuclear tests on May 13, 1998, despite mounting pressure from the international community, he noted.

He praised the then Vajpayee-led government for refusing to bow to global pressure

# India has sufficient stocks of fuel, commodities: govt.

Centre says no reason for panic buying, conservation efforts are only aimed at boosting long-term preparedness; Rajnath asks Ministries, States to implement PM's appeal on responsible use of fuels

Saurabh Trivedi
NEW DELHI

India faces no shortage of petroleum products and commodities despite the escalating conflict in West Asia, the fifth meeting of the Informal Group of Ministers (IGoM), chaired by Defence Minister Rajnath Singh at Kartavya Bhavan in New Delhi, was informed on Monday.

According to the Ministry of Defence, India currently has 60 days of crude oil reserves, 60 days of natural gas and 45 days of LPG rolling stock, ensuring uninterrupted supply across the country.

India's foreign exchange reserves remain strong at $703 billion, while the country continues to meet domestic fuel demand in full despite global disruptions. The Centre highlighted that India was among the few nations where petroleum prices have remained stable even after more than 70 days of conflict-driven international volatility.

In contrast, many countries have witnessed fuel price hikes ranging from 30% to 70%. However, Indian oil marketing companies are reportedly absorbing losses of nearly ₹1,000 crore daily, with under-recoveries touching almost ₹2 lakh crore in the first quarter of 2026, to protect citizens from rising international crude prices.



**Taking stock:** Defence Minister Rajnath Singh and others at the meeting of Informal Group of Ministers in New Delhi on Monday. ANI

**Supply chain stable**

They were told that there was sufficient availability of essential commodities with no reason for public anxiety or panic buying. Supply chains remain stable, and conservation efforts were aimed at strengthening long-term preparedness if the crisis prolongs further, it added.

Mr. Singh directed Ministries and State governments to implement Prime Minister Narendra Modi's appeal for responsible fuel consumption and public participation.

CONTINUED ON » PAGE 10
EDITORIAL » PAGE 6

# 'India-Oman FTA on track for June 1 start even as deal with Chile hit hurdles'

T.C.A. Sharad Raghavan
NEW DELHI

The India-Oman Comprehensive Economic Partnership Agreement (CEPA) will "probably" be implemented on June 1, 2026, Commerce Minister Piyush Goyal said on Tuesday, following a meeting with the negotiating team from Oman.

He added that the India-Chile Free Trade Agreement negotiations have hit some hurdles due to the difference in the sizes of the economies involved.

"I had a very good meeting with the Oman team today and most probably the Oman FTA will come into effect from June 1, 2026," Mr. Goyal told reporters on Tuesday on the sidelines of the CII Annual Business Summit 2026.

**'Productive meeting'**

Earlier in the day, he posted on social media that he had held a "productive" meeting with Pankaj Khimji, Adviser for Foreign Trade and International Cooperation at the Ministry of Commerce, Industry and Investment Promotion in Oman.

"Discussions focused on strengthening India-Oman economic cooperation, enhancing connectivity & logistics linkages, facilitating trade flows, and exploring new avenues for bilateral partnership under the India-Oman CEPA framework," Mr. Goyal had posted. The India-Oman CEPA was signed on December 18, 2025.



Piyush Goyal

However, in contrast, the Commerce Minister indicated that talks with Chile were running into some trouble.

"With regard to Chile, I had a very good meeting with the foreign minister," Mr. Goyal said.

**'Some challenges'**

"There are some challenges, given the very different sizes of the economies and different scales of opportunities that both countries offer to each other."

While he said that the two sides were trying to bridge that gap through "innovative solutions", he also did specify certain things that Chile could offer India to encourage it.

"If we get a good deal on critical minerals and other important concessions, then maybe there is a very good possibility that we should be able to finalise an FTA with Chile too," Mr. Goyal said.

# India set to achieve record exports of $863 bn: Goyal

ADITYA RANGROO
TRIBUNE NEWS SERVICE

NEW DELHI, MAY 12

Union Minister of Commerce and Industry Piyush Goyal on Tuesday said India is set to achieve an all-time high export figure of nearly $863 billion this year, while referring to country's export performance.

Addressing the Confederation of Indian Industry (CII) Annual Summit in New Delhi, Goyal said India remained the fastest-growing large economy and highlighted that the country had nearly 11 months of import cover in foreign exchange reserves.

He highlighted that India's trade deficit in goods and services together was much lower than the country's annual remittances, reflecting strong economic performance.

# Gujarat rail line, Nagpur airport upgrade cleared

HT Correspondent
letters@hindustantimes.com

NEW DELHI: The Cabinet Committee on Economic Affairs, chaired by prime minister Narendra Modi, on Wednesday, approved Ahmedabad (Sarkhej)-Dholera semi high-speed double line project of the Railways ministry at a total cost of approximately ₹20,667 crore, the government said.

It will be Indian Railways' first semi high-speed project, planned with indigenously developed technology, an official release said.

ing network of Indian Railways by about 134 kms.

**Nagpur airport upgrade**

The Cabinet also approved upgrading the Nagpur International Airport through a public-private partnership (PPP) model. It cleared the extension of the lease period of the Airports Authority of India's (AAI) land allotted to MIHAN India Ltd (MIL) beyond August 6, 2039, enabling MIL to license the airport to GMR Nagpur International Airport Ltd (GNIAL), the government said.

# India backs two-state solution for Palestine issue, says Jaishankar at BRICS meeting

Kallol Bhattacherjee
NEW DELHI

Highlighting India's traditional approach to the Israel-Palestinian conflict, External Affairs Minister S. Jaishankar on Thursday presented the "National Statement" at the BRICS ministerial, reiterating India's call for a "two-state solution" to the issue and calling for an end to "risks to maritime traffic, and disruptions to energy infrastructure" in the Gulf region.

Supporting the need for dialogue and diplomacy to resolve conflicts in the region and in North Africa, Mr. Jaishankar sought "coordinated diplomatic efforts" to deal with the situations in Lebanon, Syria, Sudan and also in Libya.



**Multilateral engagement:** Prime Minister Narendra Modi with the Foreign Ministers and Heads of Delegation of BRICS countries during a meeting in New Delhi on Thursday. PTI

reign Ministers' meeting witnessed several speeches, including one by Iran's Foreign Minister Seyed Abbas Araghchi who said that Iran will defend its sovereignty while "advancing diplomacy", adding that the U.S.-Israel attack against Iran will not have a

"The wider region also gives rise to serious concern. The conflict in Gaza has grave humanitarian implications. A sustained ceasefire, humanitarian access, and a credible pathway towards a durable and peaceful resolution remain essential," Mr. Jaishankar

two-state solution where the Palestine issue is concerned." Mr. Jaishankar referred to the impact of the U.S.-Israel war on Iran and highlighted the risks that the conflict has posed to shipping and energy infrastructure.

Referring indirectly to

U.S. against multiple members of the United Nations, Mr. Jaishankar drew attention to the "increasing" tendency towards "unilateral coercive measures and sanctions", terming them "inconsistent with international law".

Earlier, Mr. Jaishankar welcomed the dignitaries that included Mr. Araghchi who made an emphatic call to resist the U.S. Referring to U.S. military and trade practices, Mr. Araghchi said the international community is facing "variations" of the "same repugnant coercion".

At the end of the engagements, visiting dignitaries Mr. Araghchi, Russian Foreign Minister Sergey Lavrov and Brazil's Foreign Minister Mauro Vieira called on Prime Mi-



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭টা আহ্বান

# এক শক্তিশালী ভাৰতৰ বাবে আহ্বান

'বিকশিত ভাৰত' হোৱাৰ দিশত অগ্ৰসৰ হোৱা ভাৰতে ইতিমধ্যে এক সক্ষম, যোগ্য আৰু সবল স্তম্ভৰ ওপৰত নিজৰ ভেটি গঢ়ি তুলিছে। এই উন্নয়নমূলক যাত্ৰাত দেশখনে প্ৰতিগৰাকী ভাৰতীয়কে অন্তৰ্ভুক্ত কৰিছে- যি এই পৰিৱৰ্তনৰ চালিকা শক্তি। জনসাধাৰণৰ অংশগ্ৰহণেই হৈছে এই প্ৰচেষ্টাৰ মূল আধাৰ। এই কাৰণেই গোলকীয় প্ৰত্যাহ্বানসমূহৰ মাজতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ৭টা গুৰুত্বপূৰ্ণ আহ্বান জনাইছে। বিগত দশকবোৰত যেতিয়াই দেশে যুদ্ধ বা অন্য কোনো ডাঙৰ সংকটৰ সন্মুখীন হৈছে, তেতিয়াই প্ৰতিগৰাকী নাগৰিকে একেদৰেই চৰকাৰৰ আহ্বানত সঁহাৰি জনাই নিজৰ কৰ্তব্য পালন কৰিছে। যেতিয়া ১৪০ কোটি ভাৰতীয়ই এনে ক্ৰমবৰ্ধমান ইতিবাচক পৰিৱৰ্তন আনিবলৈ একত্ৰিত হয়, তেতিয়া দেশখনক স্বাৱলম্বী আৰু শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত কোনো কথাই বাধা হৈ থিয় দিব নোৱাৰে...

**১৪০** কোটি জনসাধাৰণৰ সামূহিক প্ৰচেষ্টাই হৈছে ভাৰতৰ আটাইতকৈই ডাঙৰ শক্তি। আপোনাৰ সৰু সৰু দায়িত্ববোৰ সুচাৰুৰূপে পালন কৰক...

## আহক, আমি ভাৰতক আৰু অধিক শক্তিশালী কৰি তোলোঁ...

**৭ টা আহ্বান**

১ যথা সম্ভৱ, ঘৰৰ পৰাই কাম কৰাক অগ্ৰাধিকাৰ দিয়ক।

২ পৰৱৰ্তী এটা বছৰৰ বাবে সোণ ক্ৰয় কৰাৰ পৰা বিৰত থাকক।

৩ পেট্ৰ'ল আৰু ডিজেলৰ ব্যৱহাৰ হ্ৰাস কৰক; মেট্ৰ' আৰু ৰাজহুৱা পৰিবহণ ব্যৱহাৰ কৰক।

৪ খোৱা তেল মিতব্যয়ীভাৱে ব্যৱহাৰ কৰক আৰু অপ্ৰয়োজনীয় ব্যৱহাৰ কমাই আনক।

৫ ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰক আৰু প্ৰাকৃতিক কৃষি ব্যৱস্থাক উদগনি দিয়ক।

৬ বিদেশী ব্ৰেণ্ডৰ সামগ্ৰীৰ ব্যৱহাৰ সীমিত কৰক আৰু থলুৱা বিকল্পসমূহ আকোৱালি লওক।

৭ অনাগত এটা বছৰৰ বাবে বিদেশ ভ্ৰমণ পৰিহাৰ কৰক।


নিউ ইণ্ডিয়া **সমাচাৰ** পষেকীয়া

আৰ এন আই, DELHIN/2020/78811, ১-১৫ জুন, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:19 May, 2026, Pages-78)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of
Communication, 2nd Floor, Soochna
Bhawan, New Delhi -110003